REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# Assam Legislative Assembly Debates

## Official Report

NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

## Budget Session

## Vol. 1

No 17

**THE 6 TH MARCH, 1975**

1988

PRINTED AT PRINTORAN PRESS, DANISH ROAD, PANBAZAR, GUWAHATI—781001

REFERENCE
NOT FOR ISSUE
A. L. A. LIBRARY

# PROCEEDINGS OF THE NINTH SESSION OF THE ASSAM LEGISLATIVE ASSEMBLY ASSEMBLED AFTER THE FIFTH GENERAL ELECTIONS UNDER THE SOVEREIGN DEMOCRATIC REPUBLICAN CONSTITUTION OF INDIA

The House met in the Assembly Chamber, Dispur, Gauhati on Thursday the 6 th March, 1975 with the Hon. Speaker on the Chair. 15 (Fifteen) Ministers, 8 (Eight) Ministers of State, 1 (One) Deputy Minister, 69 (Sixty nine) members present.

——

# DEBATES OF THE ASSAM LEGISLATIVE ASSEMBLY

## ( Budget Session )

Dated the 6 th March, 1975

VOL.—1

NO.-17

CONTENTS


| | | Page |
|---|---|---|
| 1. | Questions ... ... ... ... | 1 |
| 2. | Adjournment Motion ... ... ... ... | 39 |
| 3. | Statement by Minister ... ... ... ... | 55 |
| 4. | Calling Attention Notice ... ... ... ... | 55 |
| 5. | Matter under Rule 301 ... ... ... ... | 59 |
| 6. | General Discussion of the Budget ... ... ... | 65 |


—×—

STARRED

QUESTIONS AND ANSWERS

Date : 6th March, 1975

———

বিঃ ৰঙিয়াত ৰেলৱেৰ ডিভিজনেল সদৰ কাৰ্য্যালয়

ডাঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামীয়ে সুধিছে :

*২৪৬। মাননীয় পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ৰঙিয়াত এই বছৰৰ পৰা আৰম্ভ হব লগা ৰেলৱেৰ ডিভিজনেল সদৰ কাৰ্য্যালয়ৰ নিৰ্ম্মাণৰ আঁচনিখন অনিৰ্দ্দিষ্ট কাললৈ বন্ধ ৰখাৰ সিদ্ধান্ত অসম চৰকাৰে জানে নেকি ?

(খ) যদি জানে, এই বিষয়ত অসম চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউণ্ড ( পৰিবহন বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২৪৬। (ক)—নাজানো।

(খ)—প্ৰশ্ন নুঠে।

ডাঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামী :— অধ্যক্ষ মহোদয়, মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে ১৯৭০ চনত তেতিয়াৰ ৰেল মন্ত্ৰী গুলজাৰিলাল নন্দ অসমলৈ অহাৰ পিছত চৌবিচ জুন তাৰিখে কমিটি গঠন কৰি সিদ্ধান্ত গ্ৰহণ কৰা হৈছিল যে ১৯৭০ চনৰ দুই অক্টোবৰ তাৰিখে ৰঙীয়াৰ ৰেলৱেৰ ডিভিজনেল সদৰ কাৰ্য্যালয়ৰ আধাৰশিলা স্থাপন কৰা হব। কিন্তু আজিলৈকে ইয়াৰ কাৰ্য্য স্থগিত আছে আৰু অনিৰ্দিষ্ট

কাললৈ নিৰ্ম্মাণকাৰ্য্য স্থগিত ৰখাৰ সিদ্ধান্ত লোৱা হৈছে। এই কথাটো চৰকাৰৰ দৃষ্টিগোচাৰ হোৱা নাই নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউন্দ (মন্ত্ৰী) :— এইটো আমাৰ দৃষ্টিগোচৰ হোৱা নাই।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে বৰ্ত্তমান ৰঙীয়াৰ ৰেলৱেৰ ডিভিজনেল হেডকোৱাৰ্টাৰৰ সমন্ধে যিটো গুৰুত্ব সেইটো নিশ্চয় মুখ্যমন্ত্ৰী ডাঙৰীয়াই উপলব্ধি কৰিছে। কাৰণ ৰঙীয়া সমষ্টিৰ পৰা নিৰ্বাচিত হৈ অহা প্ৰতিনিধিৰ বাহিৰেও অন্যান্য সমষ্টিৰ পৰা অহা প্ৰতিনিধি সকলেও কেইবাদিনো কেইবাটাও প্ৰশ্ন তুলিছিল। আমাৰ বৰ্ত্তমান মুখ্যমন্ত্ৰী সিংহ ডাঙৰীয়াৰ নেতৃত্বত অসমত এটা ৰেলৱেডিভিজনেল হেড কোৱাৰ্টাৰ স্থাপন কৰাৰ পৰি-প্ৰেক্ষিতত এটা আন্দোলনো হৈছিল। গতিকে পুনৰ এই ক্ষেত্ৰত আন্দোলন কৰিব লাগিব নেকি মই মুখ্যমন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ।

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— চাৰ, আন্দোলন কৰিব নেলাগে।

ডাঃ ৰবীন্দ্ৰ কুমাৰ গোস্বামী :— অধ্যক্ষ মহোদয়, এই সম্পৰ্কত এটা বাতৰি ওলাই গৈছে বাতৰি কাকতত। মন্ত্ৰী মহোদয়ে হয়তো কব এই বাতৰিটোৰৰ প্ৰতিবাদ কৰিবলৈ এটা বিভাগেই খুলিব লাগিব। কিন্তু মই জানিব বিচাৰিছোঁ যে অসমৰ জাতীয় স্বাৰ্থ জৰিত থকা এনে এটা বাতৰিৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত কি তাক জানিবৰ কাৰণে অসম চৰকাৰৰ কোনো কৌতুহল নহল নে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউন্দ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, এই সম্পৰ্কে চিঠি পত্ৰৰ আদান প্ৰদান কৰি থকা হৈছে। কেন্দ্ৰীয় চৰকাৰলৈ মুখ্যমন্ত্ৰী মহোদয়ে যোৱা অক্টোবৰ মাহতে চিঠি লিখিছে।

শ্ৰীতুলাল চন্দ্ৰ বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, এই কথাটো মই জানিব বিচাৰিছোঁ যে ৰঙীয়াত ৰেলৱে ডিভিজনেল হেড কোৱাৰ্টাৰ স্থাপন কৰাৰ যি সিদ্ধান্ত লৈছিল বৰ্ত্তমান সেই সিদ্ধান্ত কেন্দ্ৰীয় চৰকাৰে বাতিল কৰিলে নেকি ? যদি কৰা নাই এই বিষয়ে কি সিদ্ধান্ত লৈছে ? আৰু কেতিয়া এই সিদ্ধান্তত উপনিত হব পাৰিব ?

শ্রীইন্দ্ৰেশ্বৰ খাউন্দ ( মন্ত্ৰী ) :— অধ্যক্ষ মহোদয়, এইটো বাতিল কৰা নাই।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— সেইটো আমাক জনাব লাগে।

শ্ৰীইন্দ্ৰেশ্বৰ খাউন্দ (মন্ত্ৰী):— চাৰ, এইটো মই পিছত জনাম।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— অধ্যক্ষ মহোদয়, মুখ্যমন্ত্ৰীয়ে লিখা শেষৰ চিঠিখনৰ কথা আৰু কেন্দ্ৰীয় চৰকাৰৰ শেষ উত্তৰটো জনাব লাগে।

অধ্যক্ষ :— পিছত দিম বুলি কৈছে নহয়।

শ্ৰীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, কোনোবা প্ৰেমিকে প্ৰেমীকালৈ গোপনে প্ৰেম পত্ৰ চলাই থকাৰ দৰে অসম চৰকাৰে কেন্দ্ৰীয় চৰকাৰলৈ আৰু কেন্দ্ৰীয় চৰকাৰে অসম চৰকাৰলৈ চিঠি পত্ৰ আদান প্ৰদান কৰি থাকিলেই নহয়। মুখ্যমন্ত্ৰীৰ নেতৃত্বত ৰঙীয়াত ৰেলৱেৰ হেডকোৱাটাৰ স্থাপনৰ সম্পৰ্কত আন্দোলন কৰি কেন্দ্ৰীয় চৰকাৰৰ ওচৰত দাবী জনোৱাৰ পৰিপ্ৰেক্ষিতত ৰঙীয়াৰ পৰা প্ৰতিনিধি বাচি পঠিয়াছিল আৰু প্ৰতিনিধিয়েও দাবী জনাই গুচি আহিছিল। আগতে যিসংক্ৰান্তত আন্দোলন কৰিছিল আৰু কোনখিনিত সেই আন্দোলনটো এৰি দিলে, তাৰ গুৰিটো বৰ্ত্তমান মুখ্য মন্ত্ৰীয়ে এৰি দিলে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— এৰি দিয়া নাই।

শ্ৰীমতী ৰেনুকাদেবী বৰকটকী :— অধ্যক্ষ মহোদয়, মাননীয় গোস্বামী ডাঙৰীয়া আৰু বন্ধুবৰ দুলাল চন্দ্ৰ বৰুৱা দেৱে কেন্দ্ৰীয় চৰকাৰে সিদ্ধান্তটো বাতিল কৰিলে নেকি আৰু মুখ্যমন্ত্ৰীৰ শেহতীয়া চিঠিৰ উত্তৰ বিচৰা স্বত্তেও কোনো উত্তৰ পোৱা নহল। চাৰ বিধান সভাৰ মজিয়াত এই বিষয়ে জানিবলৈ দিয়াটো মন্ত্ৰীজনৰ নৈতিক দায়িত্ব নাই নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউন্দ (মন্ত্ৰী) :— অধ্যক্ষ মহোদয়, মই কৈছোঁ যে এতিয়া মোৰ হাতত নাই।

শ্ৰীমতী ৰেণুকা দেবী বৰকটকী :— অধ্যক্ষ মহোদয়, ইয়াৰ শেহতীয়া পৰিস্থিতিটোৰ বিষয়ে ৰাইজে কি আগ্ৰহ প্ৰকাশ কৰিছে তাক জনোৱাৰ নৈতিক দায়িত্ব চৰকাৰৰ নাই নেকি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউন্দ (মন্ত্ৰী) :— চাৰ, প্ৰথম কথা হল, বিনামূলীয়া মাটি দিব

লাগে, দ্বিতীয়তে ডেভলপমেণ্ট কষ্ট দিব লাগে আদি এইবোৰ কাৰণেই চিঠিৰ আদান প্ৰদান কৰি থকা হৈছে ।

Shrimati Renuka Devi Barkataki :— Sir, the ball is in the Court of the Government of Assam. The Government of Assam agreed to give the land and develop it. Where the Government of Assam has taken any action to develop the land and hand it over to the Railway authorities ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— কথাটো সম্পূৰ্ণ হবলৈ দিব লাগে। অশ্বত্থমা-হত, ইতি গজ কবলৈ নিদিয়ে। অধ্যক্ষ মহোদয়, এই মন্ত্ৰী মহোদয়ে কৈছে যে বিনামূলীয়াকৈ মাটি দিব লাগে সেইটোত আমি ৰাজি হৈছো, তাৰ পিচত সেই মাটি দেখুৱাওতেও কেইবাটাও প্লট দেখুৱা হৈছিল, সেই বিলাক বিচাৰ কৰোতেও সময় লাগিল। যি ডোখৰ মাটি দেখুৱা হৈছে, সেইখিনিত অসুবিধা। তথাপিতো এইডোখৰ মাটিত ৰাজি হৈছো। তাৰ পিচত কলে দেভলপমেণ্ট কষ্ট লাগে, ৰিকুইজিচন কষ্ট লাগে তাতো ভালেখিনি টকা লাগে। তথাপিতো সেইখিনিত আমি ৰাজি হৈছো । তেওঁলোকৰ পৰা প্ৰস্তাৱ নাপালে কাম কৰিব নোৱাৰো, এই পৰ্য্যন্ত সেইখিনিত আছে ।

শ্ৰীদুলাল বৰুৱা :— ৰেলৱে অথৰিটিয়ে আমাৰ ডিভিজনেল হেডকোৱাটাৰ কৰাৰ সিদ্ধান্ত লোৱা নাই নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— দেভেলপমেণ্ট কষ্ট দিম, মাটি ডোখৰ দেভেলপমেণ্ট কৰাৰ প্ৰস্তাৱ বিবেচনা হৈ আছে ।

শ্ৰীদুলাল বৰুৱা :— মাটি দেভেলপমেণ্ট কৰি দিয়া কথাটো অসম চৰকাৰৰ বাহিৰে আনে গ্ৰহণ নকৰে। এইটো গ্ৰহণ কৰাৰ পিচতো ভাৰত চৰকাৰক সোধা হৈছিল নেকি যে কেতিয়া সিদ্ধান্ত লব এই কথাটো কেতিয়া লিখিত ভাবে জনোৱা হৈছিল ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— তেখেতে কৈছে ।

শ্ৰীনগেন বৰুৱা :— মই পৰিবহন বিভাগৰ মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে ১৯৭০ চনত সেই সময়ৰ ৰেলৱে মন্ত্ৰী শ্ৰীগোলজাৰি লাল নন্দই ৰেলৱে ডিভিজনেল হেড কোৱাৰ্টাৰ আধাৰশীলা স্থাপন কৰাৰ সিদ্ধান্ত লৈছিল। সেই সিদ্ধান্তটো কিয় বাতিল কৰা হল জনাবনে ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউন্দ :— নাজানে।

শ্ৰীমানবেন্দ্ৰ শৰ্মা :— আমি ভাৰত চৰকাৰে দিয়া কন্দিচন বিলাক মানিলৈছোঁ। এতিয়া অসম চৰকাৰে মাটি অধিগ্ৰহণ কৰাৰ যি ব্যৱস্থা আছিল, সেই ব্যৱস্থা কি কাৰণে কৰিব পৰা নাই ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ (মুখ্যমন্ত্ৰী) :— প্ৰস্তাৱটো বিবেচনা কৰি আছে, গ্ৰহণ কৰিলে কাম আৰম্ভ কৰিব পাৰিম।

শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰী :— কত হব লাগে, এই সম্পৰ্কত চাইট চিলেকচন কমিটিৰ ৰিপোৰ্ট কি ?

শ্ৰীইন্দ্ৰেশ্বৰ খাউন্দ (মন্ত্ৰী) :— চাইট চিলেকচন কমিটিৰ ৰিপোৰ্ট মতে সিদ্ধান্ত কৰা হৈছে।

শ্ৰীজগদীশ দাস :— ৰঙীয়াত ৰেলৱে ডিভিজনেল হেড কোৱাৰ্টাৰ কৰিব নে নকৰে তাৰ বিতং খবৰ পাইছে নে নাই ? যদি কোনো খবৰ পোৱা নাই আৰু কিবা কন্দিচন আছে নেকি ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ :— এইটো কোৱা হৈছে। এতিয়াও কোনো খবৰ পোৱা নাই, বিবেচনা কৰি আছে।

## বিঃ কৃষি শিল্প নিগম

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকীয়ে সুধিছে :

*২৪৭। মাননীয় কৃষি বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) অসম কৃষি শিল্প নিগমক ( Agro Industries Corporation ) এতিয়ালৈ চৰকাৰে কিমান টকা ঋণ হিচাবে দিছে ?

(খ) এই নিগমে এই ঋণৰ বাহিৰেও অন্য চৰকাৰী অনুদান পাইছে নেকি ?

(গ) জাতীয়কৃত বেংক সমূহৰ পৰা ঋণ লোৱা হৈছে নেকি, আৰু যদি হৈছে কিমান ?

(ঘ) এই নিগমৰ আয় ব্যয়ৰ হিচাব এটা সদনত দাখিল কৰিবনে ?

(ঙ) এই নিগমৰ সদস্য কোন কোন ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( কৃষি বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২৪৭। (ক)—অসম কৃষি উদ্যোগ নিগমে তলত দিয়া টকা বৰ্ত্তমানলৈকে ঋণ হিচাবে পাইছে।

সাৰ কিনা বাবদ ঋণ—৭২.৭৮ লাখ।

সাৰ আৰু অন্যান্য কৃষি সামগ্ৰী কিনা বাবদ ঋণ—৫০.০০ লাখ।

১২২.৮৭ লাখ।

(খ)—মুঠ ৭৮,৬৯৮.০০ টকা পৰিবহনৰ অনুদান হিচাবে পাইছে।

(গ)—ষ্টেট বেংকৰ লগত ২৫ লাখ টকাৰ Cash Credit accomodation বন্দৱস্তিৰ হিচাবে টকাৰ লেনদেন কৰা হৈছিল, ইয়াৰে ভিতৰত বৰ্ত্তমান ৯,৭৩,৫৭৬.৯২ টকাৰ ঋণ পৰিশোধ কৰিব লগা আছে, আৰু এনেদৰে ইউনাইটেড কৰ্মাৰচিয়েল বেংকৰ লগত ২০ লাখ টকাৰ Cash Credit accomodation ৰ বন্দৱস্তি কৰা হৈছে। তাৰো বৰ্ত্তমান ১৭,৭৩,৩২৮ টকা ঋণ পৰিশোধ কৰিব লগীয়া আছে।

(ঘ)—এই নিগমৰ ১৯৬৭-৬৮ ১৯৬৮-৬৯ আৰু ১৯৬৭-৭০ চনৰ বছেৰেকীয়া আয়-ব্যয়ৰ পৰীক্ষিত হিচাপ সদনত ইতিপূৰ্ব্বে দাখিল কৰা হৈছে। নিগমৰ উক্তখিনি বছৰৰ পৰীক্ষিত হিচাব সদনৰ মেজত পুণৰ দাখিল কৰা হ'ল।

(ঙ)—এই নিগমৰ সদস্য ( Share holder ) কেইজনৰ নাম তলত দিয়া হল—

১। ভাৰত চৰকাৰ

২। অসম চৰকাৰ

শ্ৰীমতী ৰেনুকা দেৱী বৰকটকী :— এই নিগমে ঋণ লোৱাৰ পৰিপ্ৰেক্ষিতত বছৰি কিমান সুত দিব লাগে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী ) :— বস্তু বোৰ কিনি দিয়া হয় । ৭২·৭৮ লাখৰ ২৫ লাখ টকা ঘুৰাই দিছো ।

শ্ৰীমতী ৰেনুকা দেৱী বৰকটকী :— মোৰ প্ৰশ্নটো হল ইউনাইটেডবেংক, ষ্টেট বেংক অব ইণ্ডিয়া আদি ৰাষ্ট্ৰীয়কৃত বেংকৰ পৰা এই নিগমে যি এক কোটি ৭২ লাখ টকা ধাৰ লৈছে তাৰ বাবদ বছৰি কিমান সুত দিব লাগে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী ) :— এইটো বেলেগ নটিচ লাগিব । কমাৰচিয়েল বেংকে ১৮ শতাংশ সুত লয় । গতিকে কিমান টকা এটিয়া কোৱা টান, বেলেগ নটিচ লাগিব ।

Dr. Rabindra Kr. Goswami:—

May I know from the Hon. Minster whether Government has given any substantial amount as subsidy to make up some of its losses.

Shri Md. Umaruddin ( Agriculture Minister ) No, it is not required unless there is a policy. As for instance, certain subsidy has been given in case of fertiliser to make it available to farmers at a lower price. But that is a matter of policy of the Government.

শ্ৰীমতী তৰুলতা বৰা :— (ক) ৰ উত্তৰত যি লন দিয়াৰ কথা কৈছে, এই লন জিলা হিচাবে কত কেনেকৈ দিছে কব পাৰিবনে ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী ) :— লন লৈ কৰপৰেচনে বস্তু কিনিছে অৰু সেই বস্তু বিতৰণ কৰা হৈছে ।

শ্ৰীঅতুল শইকীয়া :— কেই বছৰ মান আগতে ইয়াত কিবা আৰ্থিক কেলেংকাৰী

হোৱা বুলি শুনিছিলো । এই কেলেংকাৰীৰ কাৰণে এই হিচাব ইমান দিনে দিব নোৱাৰাৰ কাৰণ নেকি ?

শ্ৰীমহম্মদ ওমৰুদ্দিন ( মন্ত্ৰী ) :— কোন বছৰৰ হিচাবৰ কথা কৈছে ?

Shri Atul Saikia:— A huge amount had been misappropriated by a certain officer of the Corporation and about Rs. 4 lakhs of which has not yet been recovered. Is this the reason for which the accounts for all these years have not yet been submitted ?

Shri Md. Umaruddin Ahmed—The former Managing Director of the Corporation was involved in a case of criminal defaulcation in the year 1971. The investigation was taken up by the C.B.I. and they have seized the books of accounts of the department. It took quite a long time to copy out those accounts and prepare the Balance sheet. So the accounts for 1969-70 could be submitted only in 1973 after going through all the formalities under rules. Now, a criminal case has been lodged and the former Managing Director has been charge-sheetd. The case is now sub judice.

শ্ৰীআব্দুল হান্নান চৌধুৰী :— আনি জনাব আগতে কৃষি সম্প্ৰকীয় সৰঞ্জাম কৃষি শিল্প নিগমৰ জৰিয়তে কিনিব লাগিছিল । কিন্তু সেইটো নকৰি এতিয়া চৰকাৰে কিয় দিবেক্টলী কিনিছে ? যদি এই নিগমৰ কোনো কাম নাই তেতিয়াহলে কিয় ৰাখিব লাগে ।

Shri Md. Umaruddin (Minister, Agriculture )—

Sir, the point is this. So far the Irrigation Department is concerned, it was a part of the Agriculture Department and therefore all the purchases

it used to make previously was used to be made through the agency of Agro Industries Development Corporation. After the separation of the Irrigation Department from the Agriculture Department, the procedure of purchase has also changed. They now no longer purchase through the Agro-Industries Depelopment Corpn. Now it has its own procedure. So far as the Agriculture Development Corporation is concerned, it now primarily deals with fertiliser and the total turn over of fertiliser is worth Rs. I crore. Besides fertiliser other agricultural impliments, such as tractors, are also purchased and sold by it on hire purchase system.

Shri Dulal Chandra Barua :— Sir, as per rule of the Corporation financial statements of accounts are to be submitted. Why this norm has not been followed ?

Shri Md. Umaruddin ( Minister ) :

Under Rule 122 of the Memorandum of Association the accounts are to be submitted after a certain period. After six months a trial auditor is to appointed by the Comptroller and Auditor General of India. After that it is again audited by the Accountant General. There after the accounts are sent to the Auditor General for his remarks. Then the accounts are placed before the Board of Directors and then it is due for submission to the House. Sir, I am sorry due to a criminal case we could not prepare the accounts. Now an Auditor

has been appointed and is in the process of auditing the accounts, and as soon as possible the accounts will be placed before the House.

শ্ৰীআটাউৰ ৰহমান :— মন্ত্ৰী মহোদয়ে কৈছে যে টকা ধাৰে নিদিয়ে কিন্তু জিনিচ পত্ৰ তাৰ বিনিময়ত দিয়া হয়। গতিকে মই জানিব খুজিছো যে কি কি হেদত কি কি সৰঞ্জাম কিনিছে আৰু এইটো কথা সচানেকি যে দৰকাৰী বস্তুতকৈ অদৰকাৰী বস্তু বেচিকৈ কিনা হৈছে ?

Shri Md. Umaruddin ( Minister ) :— I want notice.

Smti. Renuka Devi Barkataki :— Sir, Agro-Industries Corporation is a Corporate Sector undertaking and it is an autonomous body. I want to know whether on the loan given by the State Government from the State resources the Corporation is to pay interest and what is the total amount of interest payable ?

Shri Md. Umaruddin ( Minister ) :— A part of the loan has been paid.

Smti. Renuka Devi Barkataki :— What is the per centage of interest payable on this loan ? Whether the interest has been paid ?

Shri Md. Umaruddin ( Minister ): Sir, I do not have the details. I will give the information later on. It is a matter of accounts and will take time.

Smti. Renuka Devi Barkataki :— Sir, I have put the question to know the actual loan position of the Corporation and the actual position of interest. Whether the Government of Assam has received any

thing by way of interest. I am sorry the Minister is not in a position to give us the loan position of the Corporation.

Shri Md. Umaruddin ( Minister ) :— Sir, I have given the details about the loan, but about the interest payable by the Corporation the information is not with me.

Smti. Renuka Devi Barkataki :— Sir, then what is the use of asking this question ?

Mr. Speaker :— I think the Minister will give the information afterwards. He says that the facts are not with him at the moment.

Shri Dulal Chandra Barua :— Sir, are we to understand that the Minister has come to reply without having the necessary information in his possession ? Sir, when we have asked some specific question he is supposed to come forward with all the information. May I ask whether it is a fact that not a single farthing has been returned to the Govt. of Assam.

Shri Md. Umaruddin ( Minister ) :— Sir. in 1971-72 a sum of Rs. 25 lakhs had been repaid, but I am not aware of the interest paid.

শ্ৰীনগেন বৰুৱা :— মন্ত্ৰী মাহাদয়ে 'ক' প্ৰশ্নৰ উত্তৰত কৈছে যে ঋণ পাইছে। ঋণ পালে তাৰ লগত সুতৰ কথাটো আহিবই । গতিকে কেনেকৈ মন্ত্ৰী মহোদয়ে কব পাৰে যে এইটোৰ কাৰণে বেলেগ প্ৰশ্ন লাগিব বুলি ?

Shri Md. Umaruddin ( Minister ) :—Sir, I will give the information later. I have already said that some amount of loan has alredy been repaid

শ্ৰীঅতুল চন্দ্ৰ শইকীয়া :— চৰকাৰী পৰ্য্যায়ত যি বিলাক নিগম কৰা হৈছে ৰাজহুৱা স্বাৰ্থৰ খাতিৰত পৰিচালক মণ্ডলীত এজন বিধান সভাৰ সদস্য থাকে। মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব খুজিছো যে এই পৰিচালক মণ্ডলীত ৰাজহুৱা স্বাৰ্থক প্ৰতিনিধিত্ব কৰিবলৈ কোন বিধান সভাৰ সদস্যক মনোনীত কৰা হৈছে আৰু যদি কৰা হোৱা নাই কিয় ?

মি: স্পীকাৰ :— যদি হৈছে নামটো কি ?

Shri Md. Umaruddin ( Minister ) : Sir, under the terms of the Memorandum of Association the two members are the Central Government and the State Government. They appoint their nominees. There are three from the Central Government and six nominees from the State Government. There is no nominee from the State Legislature.

Shri Rabindra Kumar Goswami :— May I know whether the Minister is aware of the recommendation of the Estimates Committee in their 22nd report to the effect that there should be public participataion in the Corporation so that the Corporation can be of the people and for the people.

Shri Md. Umaruddin ( Minister ) :— That is a matter of policy.

Shri Dulal Chandra Barua :— Sir, the Minister has stated in reply to a supplementary that the case had been referred to the C. B. I. May I know whether the C. B. I. has finally submitted charge sheet against the Managing Director ?

Shri Md. Umaruddin ( Minister ) :— Yes, Sir, charge sheet has been submitted.

Shri Dulal Chandra Barua :— Sir, Shri Saikia has already stated that this Corporation had been constituted for the benefit of the farmers. Whether it is a fact that instead of helping the farmers this Corporation is busy in giving help to the big capitalists ?

Shri Md. Umaruddin ( Minister ) :— No, Sir.

Smti. Renuka Devi Barkataki :— Sir, I would like to know whether the Minister is aware that the price at which things are offered by the Corporation is much higher than the price in the open market ?

Shri Md. Umaruddin ( Minister ) :— Sir, I have no such information.

## Re : CORPORATIONS

**Shri ABUL HUSSAIN MIR asked :**

*248. Will the Minister, Welfare of Backward Classes be pleased to state—

(a) Whether it is a fact that the Government has established the following Corporations, viz —

1. Scheduled Castes Development Corporation.
2. Scheduled Tribe Corporation.
3. Minority Development Corporation.

(b) If so, the amount earmarked against each for the Development purpose.

(c) What are the places where the Development Schemes would be implemented ?

(d) Whether any Scheme has been taken up for the welfare and development of the Muslim Minority for the year (1) 1974-75, (2) 1973-74 ?

Shri UTTAM CHANDRA BRAHMA ( Minister, Welfare of Backward Classes ) replied :

248. (a)—The Government in the Tribal Areas and W. B. C. Department is contemplating to establish the following Corporations, viz.—

1. Scheduled Caste Development Corporation.
2. Plains Tribal Development Corporation.
3. Other Backward Classes Development Corporation.

(b)—1. Rs 10.00 lakhs for the Scheduled Castes Development Corporation for 1974-75.

2. Rs. 10.00 lakhs for the Plains Tribal Development Corporation for 1974-75.

3. Rs. 15.00 lakhs for the Other Backward Classes Development Corporation for 1974-75.

(c)—The Schemes will cover the whole State.

(d)—No.

Shri Abul Hussain Mir : May I know from the Minister what principles are adopted to grant this amount to other backward classes ?

Shri U.C.Brahma ( Minister ) : The State Govt. has decided

to constitute a Corporation for other backward classes and for these Corporations amount has been made available.

( Voices : what is the principle ? )

Shri U.C.Brahma ( Minister ) : Certain special facilities have been provided under the constitution and in order to provide certain incentives for the developments of this category of people the State Govt. has decided to Constitute that Corporation.

Shri P. K. Choudhury : Minorities in the Char areas are a most backward people and whether a Corporation will be Constituted for them also ?

Shri U. C. Brahma ( Minister ) : Govt. has not decided to Constitute a Corporation.

Shri Charan Narzary : We have been listening to the Minister speaking about a Corporation. There are so many Corporations in the State and it creates an idea that as if we are living in a land of Corporations. A Corporation has been established for the Scheduled Caste, Scheduled Tribes and Other Backward Classes. May I know whether all the Corporations established in the State are functioning ? This is my first question. The Second question is whether the amount of Rs.15 lakhs has been separately allocated for the O. B. C. or it has been diverted from the fund allocated for the Scheduled Caste and Scheduled Tribes ?

Shri U. C. Brahma ( Minister ) : The Corporation is just on the way of starting. So far as the second question is concerned, the amount has been allocated from the State Fund, and not from the Central Fund.

Shri Dulal C. Baruah : Whether this amount which has been earmarked for the backward classes are diverted from the fund allocated by the Govt. of India for scheduled caste, scheduled tribes and other backward classes ?

Shri U. C. Brahma ( Minister ) : No Sir.

শ্ৰীজালালুউদ্দিন আহমদ :— অধ্যক্ষ মহোদয় ভাৰতীয় সংবিধানত মাইনৰিটি বুলি এটা শব্দ আছে, এই শব্দটোৱে কাক বুজায়।

Shri U. C. Brahma : This is a separate question Sir.

Shri K. R. Pradhani : May I know what is the number of pupulation of Scheduled caste, scheduled tribes and other Backward Classes in the state ?

Shri U. C. Brahma ( Minister ) : The exact pupulation figures are not with me now. But subject to correction I would say that the Scheduled tribe figure is 13.44. lakhs, scheduled caste 9.23 and for O. B. C. there was no seperate Census conducted.

শ্ৰীজালালুউদ্দিন আহমদ :— মাইনৰিটি সম্বন্ধে প্ৰশ্ন কৰিছে। মন্ত্ৰীয়ে কেনেকৈ কয়—এইটো বেলেগ প্ৰশ্ন।

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্ম ( মন্ত্ৰী ) :— প্ৰশ্নকৰ্ত্তাৰ পৰিপূৰক প্ৰশ্নৰ উত্তৰ দিয়া হৈছে।

Shri P. K. Choudhury : Whether the Kalitas, Brahmins and Muslims are taken as minority community ?

Shri U. C. Brahma : I don't think so.

Shri Manabendranath Sarmah : May I know from the Minister what are the schemes this Corporation has taken up for the welfare of these people ? And what are the criteria on which this allocation was made ?

Shri U. C. Brahma ( Minister ) : No criteron has been evolved for the distribution of the fund. The aim and objects of these Corporations are 1. To ensure that Govt. funds earmarked for the benefit of areas predominantly inhabited by Backward Classes are in fact utilised for the specified purposes : 2. to raise money from nationalised institutions and pass it on to the backward sections of society for meeting their requirements of credit as well as the capital needs for setting up economic ventures, like dairy farming, poultry, piggery, fisheries and small industries ; 3. to work out and implement a package of incentives for ensuring the setting up of private industries in areas predominantly inhabited by the backward classes ; 4. to draw up and implement a scheme for giving subsidies to those industries which employ persons belonging to the backward classes so as to ensure employment for these classes ; 5. Act as a catalyst between the Govt. the institutional agencies and the ground level organisation.

শ্ৰীজগদীশ দাস :— অধ্যক্ষ মহোদয় মোৰ দুটা প্ৰশ্ন আছে প্ৰথমটো হৈছে এই কৰ্পৰেচন ৩ টা কি হিচাপে পৰিচালনা কৰিব; দ্বিতীয়তে যি টকা দিছে তাৰ বাদেও আন সূত্ৰৰ পৰা টকা পোৱাৰ ব্যৱস্থা আছে নেকি ?

শ্ৰীউত্তম চন্দ্ৰ ব্ৰহ্মঃ— এই কৰ্পৰেচন ৩ টা কিছুমান নিয়মৰ মাধ্যমেৰে পৰিচালিত হব । বৰ্ত্তমান এডহক গ্ৰাণ্ট হিচাপে দিয়া হব । তাৰ বাহিৰেও বেংকৰ পৰা টকা লোৱাৰ ব্যৱস্থা আছে ।

Shri Charan Narzary : The Minister has stated broadly about the aims and objects of the Corporations. Whether the Govt. has fixed up any definite plans and programmes through this Corporation for the development and welfare of the Scheduled Cast and Scheduled Tribe and O. B. C. people ? Secondly, whether the O. B. C. is a constitutionally recognised community or not ? If, O. B. C. is not constitutionally recognised then whether the Govt. propose to extend the Constitutional safeguards to those people in violation of the provisions of the Constitution. If the O.B.Cs are given such safeguards then whether similar other minorities will be entitled to such safeguards ?

Shri Uttam Chandra Brahma, ( Minister, ) : Sir, I have already replied that through these 3 Corporations certain aims and objects will be implemented and so far the backward classes are concerned there is provision in the Constitution that the State Government can take such necessary action for the development of other backward classes.

Shri Dulal Chandra Barua : Sir, may I know from the

Minister what is the article of the Constitution ?

Shri Uttam Chandra Brahma, ( Minister ): Sir, that article is not clearly in my mind now.

Shri Dulal Chandra Barua : Sir, I want to know specifically what is the provision of the Constitution ?

Shri Uttam Chandra Brahma, ( Minister ): That article is not with me.

Shri Dulal Chandra Barua : But, Sir, there is no such provision.

Shri Uttam Chandra Brahma, ( Minister ): Sir, I can supply the provision.

Shri Puspa Dhar Chaliha : Sir, may I know from the Minister whether the Govt. is contemplating a Corporation for the economic upliftment of the backward community ?

Shri Uttam Chandra Brahma ; (Minister) : No Sir.

Shri Puspa Dhar Chaliha : Why this discrimination then ?

Shri Kabir Chandra Rai Pradhani : Sir, as regards the population of O.B.C., may I request the Minister to be pleased to find out the exact population figure of the O.B.C. people in this State ?

Shri Uttam Chandra Brahma, ( Minister ) : Sir, it is very difficult to find out the exact population of OBC people in this State because in the census there is no such separate column by which that can be ascertained.

Shri Abul Hussain Mir : Sir my question under (a) was whether Government established Minority Development Corporation and the Minister replied that G . established Other Backward Classes Development Corporation. Now, may I know from the Minister whether Govt. has taken any scheme for the economic development of the minority community and other linguistic minority community of Assam ?

Shri Uttam Chandra Brahma, ( Minister ) :—There is no separate Development Corporation for the Minority Communities.

Re : BURGLARY IN THE OFFICE OF JORHAT MOHKUMA PARISHAD

Shri DULAL CHANDRA BARUA asked :

*249. Will the Minister, Panchayat be pleased to state—

(a) Whether it is a fact that some burglary took place in the office of the Jorhat Mohkuma Parishad a few months back on the day previous to the annual audit, and some records were taken away ?

(b) If so, whether it is also a fact that some files and papers were found in a nearby tank ?

(c) If so, the circumstances under which this burglary took place ?

(d) Whether any arrest has been made ?

(e) What is the present position of the case ?

Shri SYED AHMED ALI ( Minister, Panchayat ) replied :

249. (a)—Yes.

(b)—Yes.

(c)—It is reported that the miscreants entered into the office at night by breaking the window and broke some almirahs and took away some records.

(d)—No.

(e)—The night Chowkidar has been suspended by the Mohkuma Parishad and the Chief Executive Councilor, Jorhat has reported the matter to the Police. The matter is under Police investigation.

Shri Dulal Chandra Barua : Sir, may I know from the Minister in charge Panchayat whether it is a fact that the documents which were taken way from that Office concerned only about misappropriation of a particular Block ?

Shri Syed Ahmed Ali, ( Minister, ) : Sir, the documents which were stolen were exposed, these were Cash Book, Check Measurement Book, Ledger Book etc.

Shri Gaurisankar Bhattacharjya : Sir is it a fact that the theft case has revealed that the stolen papers were only those connected with misappropriation and defalcation ?

Shri Syed Ahmed Ali. ( Minister ) : Sir, that is not yet checked up because the documents are in still the costody of Police.

Shri Gauri Sankar Bhattacharjya : May I know from the Minister whether it was revealed by the Police that those documents stolen concerned no other than the papers which are connected with a particular series of cases of misappropriation and mismanagement ?

Shri Syed Ahmed Ali, ( Minister ) : Sir, as I said earlier, the documents are at the Police custody and it is still under investigation.

Shri Dulal Chandra Barua : Sir, is it a fact that those documents which were taken away, some of them concerned the misappropriation case of North West Development Block during the poriod when the present Chief Executive Councillor was the President in that Anchalik Panchayat ?

Shri Syed Ahmed Ali, (Minister) :— Sir, I have already said that unless it is properly investigated by the Police it is not possible to say on the documents.

শ্ৰীঅতুল শইকীয়া :— অধ্যক্ষ মহোদয়, অদিত সম্পৰ্কত যিমান এনে ধৰণৰ ঘটনা হৈছে, তাৰ বাবে কাকো শাস্তি বিহা নাই মাত্ৰ তাৰ নাইট চকিদাৰ জনকহে শাস্তি বিহা হৈছে। এই ক্ষেত্ৰতো চকিদাৰজন বহুত দিনৰ পৰা চাচপেণ্ড হৈ আছে। এই নিৰপৰাধী লোক জনৰ কেচটো উঠাই লোৱাৰ ব্যৱস্থা চৰকাৰে কৰিব নে ?

শ্ৰীচৈয়দ আহমেদ আলি :— কেচটো শেষ নহলে কোৱা টান।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— অধ্যক্ষ মহোদয়, এইটো কথা সচাঁনে কি যে এই কেচটোৰ সংক্ৰান্তত যিসকল বিষয়ববীয়া জড়িত হৈ আছে তেওঁলোকৰ বিৰুদ্ধে কোনো ধৰণৰ ব্যৱস্থা লোৱা নাই ?

শ্ৰীচৈয়দ আহমেদ আলি :— পুলিচে কেচটো তদন্ত কৰি আছে আৰু যাক সন্দেহ হয় ধৰিব ।

শ্ৰীমানবেন্দ্ৰ শৰ্ম্মা :— অধ্যক্ষ মহোদয়, এটা পৰিপূৰক প্ৰশ্নৰ উত্তৰত মন্ত্ৰী মহোদয়ে কলে যে টকা আত্মসাত কৰা সংক্ৰান্তত পুলিচৰ অনুসন্ধান শেষ নোহোৱাকৈ কব পৰা নহয়, মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছোঁ যে এই মহকুমা পৰিষদত এনে টকা আত্মসাত কৰা মোকৰ্দ্দমাৰ ঘটনা আছেনে কি ?

শ্ৰীচৈয়দ আহমেদ আলি :— সেইটো খবৰ মোৰ হাতত নাই ।

## Re: MANIKPUR AND HELENA STATE DISPENSARIES

Dr. KRISNA KANTA LAHKAR asked :

*250. Will the Minister, Health be pleased to state—

(a) Whether Government is aware of the dilapidated condition of the buildings of the Manikpur and Helena State Dispensaries ?

(b) If so, when the Government proposes to reconstruct those buildings ?

Shri GIRINDRA CHANDRA CHOUDHURY ( Minister, Health ) replied :

250. (a)—Government is aware that the State Dispensary buildings at Helena require reconstruction. There is no State Dispensary in the name of Manikpur, but the State Dispensary at Sarumanikpur, which is also being reconstructed.

(b)—After the plans and estimate are submitted by

P. W. D. and administrative approval for reconstruction of the buildings is issued construction will commence.

Dr. Krishna Kanta Lahkar :— Sir, May I know the year ending ?

Shri Girindra Chandra Chaudhury (Minister) :— The year ending is 1974.

শ্ৰীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, হেলনা ষ্টেট ডিচপেন্সৰিখনৰ কাষেদি কালদিয়া নৈখন বৈ যোৱাৰ ফলত এই ডিচপেন্সেৰিখনৰ মাটি নৈখনে খহাই নিছে আৰু ডিচপেন্সৰিখনৰ নিৰাপত্তা নাইকীয়া হৈছে। এই ডিচপেন্সৰিখন ৰক্ষা কৰাৰ ব্যৱস্থা চৰকাৰে কৰিবনে ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :— যদি সচাঁ হয়, তেন্তে ব্যৱস্থা লব লাগিব।

শ্ৰীআব্দুল হান্নান চৌধুৰী :— অধ্যক্ষ মহোদয়, এনেকুৱা বহুতো ডিচপেন্সৰি আছে আৰু বহুবাৰ এই কথা বিধান সভাত কোৱা হৈছে, কিন্তু উত্তৰত কৈ অহা হৈছে যে পি, ডবলিউ, ডিৰ পৰা এই সম্পৰ্কে কোনো এষ্টিমেট অহা নাই। মই মন্ত্ৰী মহোদয়ক সুধিব খুজিছো যে এতিয়া এই বিলাকৰ কিবা ব্যৱস্থা হৈছে নেকি ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :— তেনেকুৱা এটা কথা আমি চিন্তা কৰিছো।

শ্ৰীসোনেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, হেলনা ডিচপেন্সৰীৰ বাবে ডাক্টৰ থকা ঘৰ; নাৰ্চ থকা ঘৰ, কম্পাউন্দাৰ আৰু চকিদাৰ থকা ঘৰ সাজিবৰ কাৰণে এই সকলোবোৰ সজাৰ ব্যৱস্থা কৰিছেনে নে কি কি ব্যৱস্থা কৰিছে ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (মন্ত্ৰী) :— যাবতীয় যিখিনি পাই আছে তাতকৈ বেচি হব নোৱাৰে।

শ্ৰীসোণেশ্বৰ বৰা :— অধ্যক্ষ মহোদয়, মই পৰিস্কাৰকৈ জানিব বিচাৰিছো যে ডাক্টৰ, নাৰ্চ, কম্প্যাউন্দাৰ আৰু চকিদাৰ আদিৰ বাবে ঘৰ সাজিবৰ কাৰণে এই আচঁনিৰ অন্তৰ্ভুক্ত হৈছে নে নাই ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰি ( মন্ত্ৰী ) :— নিশ্চয় হব লাগিব ।

Dr. Krishna Kanta Lahkar :— Sir, when the Construction will Start ?

Shri Girindra Chandra Chaudhury ( Minister ) :— I have already replied.

বিঃ—অসামৰিক হস্পিতাল

শ্ৰীবদন চন্দ্ৰ তালুকদাৰে সুধিছে :

*২৫১। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাৰনে—

(ক) নলবাৰী মহকুমাৰ অসামৰিক হস্পিতালৰ নতুন হস্পিতাল গৃহ নিৰ্ম্মাণৰ কাম আৰম্ভ কৰা হৈছেনে ?

(খ) যদি হৈছে তেনেহলে নিৰ্ম্মাণ কাৰ্য্য এতিয়া কোন পৰ্য্যায়ত আছে ?

(গ) হস্পিতালৰ নিৰ্ম্মাণ কাৰ্য্য এই বছৰত সম্পূৰ্ণ হৈ উঠিবনে ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী ( স্বাস্থ্য বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২৫১। (ক)—হস্পিতালৰ বাবে যি পৰিমাণৰ মাটিৰ অৱশ্যক সেই মাটি এতিয়াও সংগ্ৰহ কৰিব পৰা নাই । সেই কাৰণে হস্পিতালৰ গৃহ নিৰ্ম্মাণৰ কাম আৰম্ভ কৰিব পৰা নাই ।

(খ) আৰু (গ)—প্ৰশ্ন নুঠে ।

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :— মই মাননীয় মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো যে নলবাৰী অসামৰিক হস্পিতালখন মহকুমা হস্পিতাল হিচাবে পৰিণত কৰা হল আৰু এই হস্পিতালখনৰ নিৰ্ম্মানৰ কাৰণে কিমান মাটি অধিগ্ৰহণ কৰা হৈছিল আৰু এই সংক্ৰান্তত কিমান মাটি নতুনকৈ লৰলগীয়া হ'ল ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী ( ম ) :— ১৯৭০ চনতে ১৪ বিঘা ১ কঠা ১৯ লেচা মাটি অধিগ্ৰহণ কৰা হৈছিল কিন্তু সেই পৰিমানৰ মাটি পাইল ফাউণ্ডেশ্যনৰ কাৰণে আৱশ্যক হলত সেই প্ৰোপোজেল ফাইনেন্স দিপাৰ্টমেণ্টলৈ অনুমোদনৰ কাৰণে পঠোৱা হ'ল। তেতিয়া ফাইনেন্স দিপাৰ্টমেণ্টে নতুনকৈ এষ্ট্ৰিমেট কৰিবলৈ ক'লে। ১২-১-৭৫ তাৰিখে ২৫ বিঘা মাটি নতুকৈ অধিগ্ৰহণ কৰিবৰ কাৰণে পৰামৰ্শ দিয়ে। আৰু তাত অসমটাইপৰ নমুনাকৈ হে কৰিবৰ কাৰণে পৰামৰ্শ দিয়ে যিহেতু অসম টাইপত এই নিৰ্মান কৰিলে খৰচ যথেষ্ট কম হব আৰু তেতিয়া ফাইনেঞ্চ দিপাৰ্টমেণ্টে অনুমোদন দিব বুলি কৈছে।

শ্ৰী বদন চন্দ তালুকদাৰ ঃ— মই জানিব বিচাৰিছোঁ যে ইয়াৰ আগতেও ১৯৭২ চনত এই বিষয়ে বিধান সভাত উ-থাপিত্ত হৈছিল আৰু সেই সময়ত স্বাস্থ্য বিভাগৰ মন্ত্ৰী ডাঙৰীয়াই কৈছিল যে ১৯৭২ চনৰ ভিত্তৰত নলবাৰী অসামৰিক হাস্পতাল ঘৰৰ নিৰ্মনৰ কাম আৰম্ভ হব আৰু সেই মতে প্লেন এণ্ড এষ্টিমেটো হ'ল কিন্তু প্লেন এণ্ড এষ্টিমেট হোৱাৰ পিচতো সেইটো কিয় বদলি কৰিব লগীয়া হ'ল ?

শ্ৰী গিৰিন্দ্ৰ নাথ চৌধুৰী ( মঃ ):— অধ্যক্ষ মহোদয়, মই কথাটো আগতেও কৈছিলো যে ১৯৭২ চনত যিটো প্লেন এণ্ড এষ্টিমেট হৈছিল তাত ৪৮ লাখ ৩১ হাজাৰ টকা ধৰিছিল তেতিয়া ফাইনেন্স দিপাৰ্টমেণ্টে প্ৰশ্ন সুধিছিল কিমান লাখ টকা লাগিব।

তেতিয়া পি, ডব্লিউ. দি বিভাগে পাইল ফাউন্দেশ্যান কৰিব লাগিব বুলি উত্তৰ দিলে কিন্তু ফাইনেন্স দিপাৰ্টমেণ্টে ৪৮ লাখ টকা দিবলৈ সন্মত নহল। গতিকেই আসাম টাইপত নিৰ্মান কৰিবৰ কাৰণে নতুনকৈ বিবেচনা কৰিব লগীয়া হ'ল আৰু ফলত কামটোত কিছু পলম হল।

## Re : STARVATION DEATH

Shri PRABIN KUMAR CHOUDHURI asked:

* 252. Will the Minister, Revenue be pleased to state—

(a) Whether Government is aware of a news item published

in Dainik Asom on the lst January, 1975 on the basis of a statement by Shri Sohrab Munchi, President,, Sontoli Gaon Panchayat that several persons died due to starvation and 250 persons are on the verge of death ?

(b) If so, the steps taken by Government to save the people from Starvation death ?

Dr. BHUMIDHAR BARMAN ( Minister of State, Revenue ) replied :

252. (a)—The Government is aware of the News item published in the Dainik Asom dated 1st January, 1975. But on inquiry no people are found to have died of Starvation.

(b)—Does not arise. However in order to give relief to the flood affected and economically distressed people Gratuitous relief amounting to Rs. 7.46,745, Seed Grant amounting to Rs. 1,30,553 have been sanctioned. A test Relief grant of Rs. 1,60,000 have also been sanctioned for the Subdivision to give employment to the flood affected and economically distressed people.

শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰী :— এই চাবডিভিজনৰ কথা যেতিয়া কোৱা হৈছে, ইয়াৰ ভিতৰত চন্তলী গাওঁ পঞ্চায়তত কিমান টকা দিছে ?

ডাক্তৰ ভূমিধৰ বৰ্ম্মণ ( মঃ ) :— চাৰ আমাৰ এই টকা-পইচা বিলাক দি, চি আৰু এচ, দি, অ'ৰ জৰীয়তে ব্লোক ওৱাইজ যত যত প্ৰয়োজন সেই চাবডিভিজন অনুসৰি দিয়া হয় আৰু যিবিলাক অঞ্চলত বেচি প্ৰয়োজনীয়তা আছে তাত দিয়া হয় ।

শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰী :— এইটো কথা সচাঁ নে যে সেই গাওঁ সভাত যি সকলে মৃত্যু বৰণ কৰিছে তেওঁলোকে অখাদ্য খাই, কলগছ কচু খাই মৃত্যু বৰণ ক'ৰছে আৰু এতিয়া এনে অৱস্থা হৈছে যে তাত কচুও নোহোৱা হৈছে ? সেই বিষয়ে মন্ত্ৰী মহোদয়ে জানেনে ?

ডঃ শ্ৰী ভূমিধৰ বৰ্ম্মণ (ম) :— যি বিলাক মানুহ মৰিছিল সেই সকলৰ বিষয়ে অনুসন্ধান কৰি জানিব পৰা গল যে, সেই লোকসকল ষ্টাভেৰ্শন'ত মৰা নাই। অন্যান্য গ্ৰহণী বা তেনেকুৱা বিধৰ বেমাৰতহে মৰিছিল।

Shri Jalauddin Ahmed :— Sir, may I know from the Hon'ble Minister for what reasons starvation death occurs, because our State Minister is a good doctor, and therefore, I am asking this question.

মাননীয় অধ্যক্ষ :— তেখেতে 'ষ্টাভেৰ্শন' নাই হোৱা বুলি কৈছে নহয়।

শ্ৰী প্ৰবীন কুমাৰ চৌধুৰী :— অখাদ্য খাই মৰাটো সত্য হয়নে নহয় ?

ডঃ শ্ৰীভূমিধৰ বৰ্ম্মণ (ম) :— যি সকল মৰিছে, সেইসকল 'দায়েৰিয়া' আদিতহে মৰিছে।

Shri Dulal Chandra Barua :— What is the definition of Starvation death that is maintained by the govt. ?

ডঃ শ্ৰী ভূমিধৰ বৰ্ম্মণ (মঃ) :— একো নোখোৱাকৈ নহয়, কোনো কাৰণত খাদ্য নেখাই নেখাই মৰিছে।

Shri Dulal Chandra Barua :— Then I want to know whether those people who have got nothing to eat, if they take grass and die whether that will be treated as starvation death ?

ডঃ শ্ৰীভূমিধৰ বৰ্ম্মণ (মঃ) :— অধ্যক্ষ মহোদয়, 'গ্ৰাছ' বা তেনেকুৱা ধৰণৰ কোনো বস্তু খোৱা কথাটো আমাৰ বিপৰ্টত নাই। যদি তেনেকুৱা কিবা হৈছে তেতিয়াহলে, সেইটো আমি অনুসন্ধান কৰিম।

শ্ৰীসোনেশ্বৰ বৰা :— এই যে মানুহ বিলাক মৰিল তেওঁলোকক জীয়াই থাকোতেই পৰীক্ষা কৰা হৈছিলনে মৰাৰ পিছত যেতিয়া কিছুমানক কবৰ আৰু কিছুমানক খৰি দিয়া বা পুতি থোৱা হৈছিল তেতিয়া পৰীক্ষা কৰা-হৈছিল ?

ডঃ শ্ৰীভূমিধৰ বৰ্ম্মণ (মঃ) :— দৈনিক অসম বাতৰি কাগজত যেতিয়া খবৰটো ওলাল তেতিয়া মানুহ গৈ তাত অনুসন্ধান কৰিছিল।

শ্ৰীসোনেশ্বৰ বৰা :— মৰাৰ পিছতটো তাত মৰাশ বোৰ পৰি থকা নাছিল। মৰাৰ পিছত যেতিয়া শবোৰ পুৰি ছাঁই কৰি পেলালে বা কবৰত পুতি থওঁতে মাটিয়ে খাই পেলালে তেতিয়া সেইবোৰ পৰীক্ষা কৰি চোৱা হৈছিল নেকি ?

ডঃ শ্ৰীভূমিধৰ বৰ্ম্মণ (মঃ) :— তাত মানুহ গৈ গাওঁবুঢ়াক বা তেনেকুৱা দায়িত্ব-পূৰ্ণ মানুহক সোধা হৈছিল।

শ্ৰীনগেন বৰুৱা — দৈনিক অসম বাতৰি কাগজত এই বাতৰি পৰিবেশন হোৱাৰ পৰা এতিয়ালৈকে কিমান মানুহ মৰিছে সেইটোৰ হিচাব আমাৰ মাননীয় মন্ত্ৰী মহোদয়ে জনাবনে ?

ডঃ শ্ৰীভূমিধৰ বৰ্ম্মণ (মঃ) :— অন্যান্য বেমাৰত যি বিলাক মানুহ মৰিছিল সেইবিলাক লোকৰ হিচাব নাই। কিন্তু দৈনিক অসম বাতৰি কাগজত যিবিলাক মানুহ মৰাৰ কথাকৈছিল সেইবিলাক অনুসন্ধান কৰিহে গম পোৱা গৈছে।

Undisposed Starred Questions. dated 6.3.1975

Re : ASSAM AND MEGHALAYA ROAD TRANSPORT CORPORATION

Shri PROMODE GOGOI asked :

*253. Will the Minister, Transport be pleased to state—

(a) Whether it is a fact that the Assam and Meghalaya Road Transport Corportion has allotted Body building contract to some Contractors ?

(b) If so, the names and addresses of the contractors ?

Shri INDRESWAR KHOUND (Minister, Transport) replied :

253. (a)—Yes.

(b)—The names and addresses of the contractors are as below :—

1. M/s. Utkal Automobiles, Private Limited, Post Box No. 2, Jamshedpur.
2. M/s. Chopra Motors, 139-Regent Park, Calcutta—40.
3. M/s. Hyderabad Allwyn Metal Works, Shatnagar Hyderabad—19.
4. M/s. Goenka Automobiles, Dispur, Gauhati.
5. M/s. National Construction Co., Chenikuthi, Guahati.
6. M/s. Kamrup Construction Co., Beltola, N. H. Way, Gauhati.

7. M/s. H.B. Industries, G.S. Road, Gauhati.
8. M/s. Narmada Enterprise, 39—A, Kaliram Barua Road, Bharalumukh, Gauhati.

—বিঃ তেজপুৰৰ মানসিক চিকিৎসালয়—

শ্ৰীৰমেশ চন্দ্ৰ চহৰীয়াই সুধিছে:

*২৫৪। মাননীয় স্বাস্থ্য বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) তেজপুৰৰ মানসিক চিকিৎসালয়ত বৰ্ত্তমান কিমান ৰোগী চিকিৎসাধীন হৈ আছে ?

(খ) ৰোগী বিলাকৰ চিকিৎসা কৰাত গড়ে কিমান টকা খৰচ হয় ?

(গ) কি কি ধৰণেৰে ৰোগী সকলৰ চিকিৎসা কৰা হয় ?

(ঘ) মানসিক চিকিৎসালয় উন্নয়নৰ কাৰণে কিবা ব্যৱস্থা গ্ৰহণ কৰা হৈছে নেকি ?

(ঙ) ৰোগীসকলৰ চিকিৎসা কৰাৰ কাৰণে কিমান সংখ্যক চিকিৎসকে কাম কৰি আছে আৰু ৰোগীসকলক পৰিচাৰ্য্য আৰু তত্ত্বাৱধান কৰাৰ কাৰণে কিমান কৰ্ম্মচাৰী নিযুক্ত কৰা হৈছে ?

শ্ৰীগিৰীন্দ্ৰ চন্দ্ৰ চৌধুৰী (স্বাস্থ্য বিভাগৰ মন্ত্ৰী) য়ে উত্তৰ দিছে:

২৫৪। (ক)—প্ৰায় ৮২০ জন।

(খ)—যোৱা বছৰৰ হিচাব মতে সকলো খৰচৰ বাবদ ৰোগী প্ৰতি, দিনে গড়ে ৪ টকাকৈ খৰচ পৰে।

(গ)—আৱশ্যকীয় ঔষধ আদিৰে চিকিৎসা দিয়াৰ উপৰিও বৈদ্যুতিক পদ্ধতিৰে চিকিৎসা দিয়া হয়।

(ঘ)—যেতিয়া আৱশ্যক হব তেতিয়া উন্নয়নৰ ব্যৱস্থা লোৱা হব।

(ঙ)—এজন অধীক্ষক, এজন উপাধীক্ষক, তিনিজন চিকিৎসা বিষয়া, ছয় গৰাকী নার্চ আৰু ১৬৩ জন অন্যান্য কৰ্মচাৰী।

—বিঃ মাটিৰ মালিকী স্বত্ব—

শ্ৰীনগেন্দ্ৰ বৰুৱাই সুধিছে :

*২৫৫। মাননীয় ৰাজহ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) প্ৰজাস্বত্ব আইনৰ দ্বাৰা আধিয়াৰ সকলক খেতিৰ মাটিৰ মালিকী স্বত্ব দিয়া হৈছে নেকি ?

(খ) যদি হৈছে, চৰকাৰে এই কথা জানেনে যে কম পৰিমাণৰ মাটিগিৰি সকলৰ মাটিত আইনৰ বলত অন্য লোকক মালিকী স্বত্ব দিয়াত এই মাটিগিৰি সকলৰ মাজত গভীৰ অসন্তুষ্টিৰ সৃষ্টি হৈছে ?

শ্ৰীপৰমানন্দ গগৈ (ৰাজহ বিভাগৰ মন্ত্ৰী)য়ে উত্তৰ দিছে :

২৫৫। (ক) আৰু (খ)—ইং ১৯৭১ চনৰ প্ৰজাস্বত্ব আইন মতে আধিয়াৰ সকলক "প্ৰজা" বোলা হয়। দখলীস্বত্ব বিশিষ্ট প্ৰজাজনে এই আইন অনুসৰি তেওঁ নিজে খেতি কৰা মাটিৰ মালিকীস্বত্ব পাব পাৰে। বৰ্ত্তমান ভূমি সংস্কাৰ নীতি মতেই এই ব্যৱস্থা আইন সংগত।

বিঃ—বৃত্তিৰ টকা

শ্ৰীতুলসী দাসে সুধিছে :

*২৫৬। মাননীয় শিক্ষা বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) ইউনিভাৰচিটি আৰু কলেজৰ অনুসূচীত জাতি আৰু অনুসূচীত জনজাতিৰ বহুতো ছাত্ৰ-ছাত্ৰীয়ে ১৯৭২-৭৩ আৰু ১৯৭৩-৭৪ বিত্তীয় বছৰৰ বৃত্তিৰ টকা এতিয়ালৈকে পোৱা নাই এই কথা সচাঁনে ?

(খ) যদি সচাঁ হয়, কি অসুবিধাৰ বাবে ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ বৃত্তি টকা পোৱা নাই জনাবনে ?

(গ) ছাত্র-ছাত্রী সকলে পাবলগীয়া বৃত্তিৰ টকা বৰ্ত্তমান চৰকাৰে দিবলৈ ব্যৱস্থা গ্ৰহণ কৰিবনে ?

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ ( শিক্ষা বিভাগৰ মন্ত্ৰী ) য়ে উত্তৰ দিছে :

২৫৬ । (ক)—সচাঁ নহয় ।

(খ)—কিন্তু উল্লেখিত বছৰত বৃত্তিৰ শিতানত থকা টকাৰ অনুপাতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা বেচি হোৱাত সকলোকে সেই বছৰতে দিব পৰা হোৱা নাছিল । পিচত অতিৰিক্ত অনুদান লৈ তেওঁলোকক বৃত্তিৰ টকা দিয়া হৈছে । উল্লেখিত কাৰণত তেওঁলোকৰ টকা পোৱাত অলপ পলম হৈছিল ।

(গ)—কৰা হল ।

## Re: LAND ENQUIRY BODY

Shrimati RENUKA DEVI BARKATAKI asked :

*257. Will the Minister, Social Welfare be pleased to state—

(a) Whether the Advisory Council of the Scheduled Castes of Government of Assam has constituted a Land Enquiry Body ?

(b) If so, who are the members and office bearers of the body ?

(c) What is the function of the body ?

(d) Whether the body has submitted any interim report ?

Shri UTTAM CHANDRA BRAHMA (Minister, Social Welfare) replied :

257. (a)—On the recommendation of the Advisory Council

for the Welfare of Schedu'ed Castes, Government have constituted a Lard Fnquiry Committee.

(b)—The members of the Committee are :—

1. Shri Jagadish Chandra. Das, Vice-Chairman of the Advisory Council for the Welfare of Scheduled Castes. ... Chairman

2. Shri G C Raimedhi ... ... ... Member
President, All Assam Scheduled Castes Association.

3. Shri P. K. Das, Advocate. Member

4. Dr. Ghanashyam Das, Member
President, Assam Harijan Sevak Sangha.

5. Additional Asstt. Director of Land Records. Member

6. Shri Nandeswar Bania, I. A. S. ( Retd. ). Member

(c)—The functions of the Committee are :—

1. To find out the specific cases of land allotted to Scheduled Castes people, but encroached upon by others.

2. To find out the difficulties faced by the Scheduled Castes people in obtaining physical possession of the allotted land.

3. To ascertain the number of Scheduled Castes people evicted from occupied land.

(d)—No.

Re : NURSES' ASSOCIATION

Shrimati RENUKA DEVI BARKATAKI asked :

*258. Will the Minister, Health be pleased to state—

(a) Whether Government has received a representation from the Nurses' Association of the State drawing the attention of the Government to the grievances of the Nurses ?

(b) If so, whether Government has taken any action to improve the service conditions of the Nurses ?

Shri GIRINDRA CHANDRA CHOUDHURY ( Minister, Health ) replied:

258. (a)—Yes.

(b)—Yes.

বিঃ — সান্ধ্য আইন—

শ্ৰীমতী ৰেণুকাদেৱী বৰকটকীয়ে সুধিছে :

*২৫৯। মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনে—

(ক) শিৱসাগৰ জিলাৰ অন্তৰ্গত গেলেকী সংৰক্ষিত বনাঞ্চলৰ তুখন গাঁৱত যোৱা অক্টোবৰ মাহত নগালেও চৰকাৰে সান্ধ্য আইন জাৰি কৰা কথাটো সঁচা নেকি ?

(খ) যদি সঁচা হয় জিলা উপায়ুক্তই এই কথাৰ প্ৰতিবাদ কৰিছিল নেকি আৰু যদি কৰিছিল নগালেও চৰকাৰৰ কি প্ৰত্যুত্তৰ পোৱা হৈছিল ?

শ্ৰীশৰৎ চন্দ্ৰ সিংহ ( মুখ্যমন্ত্ৰী ) য়ে উত্তৰ দিছে :

২৫৯। (ক) আৰু (খ)—যোৱা ২৮-১০-৭৪ তাৰিখে শিৱসাগৰ জিলাৰ অন্তৰ্গত গেলেকী সংৰক্ষিত বনাঞ্চলৰ ওচৰৰে বৰহোলা, চৰাই-হাজিয়া আৰু সোণপুৰ নামৰ তিনিখন গাঁৱত নগালেও চৰকাৰৰ তৰফৰ পৰা

সান্ধ্য আইন জাৰি কৰা সম্পৰ্কে চৰকাৰে প্ৰতিবেদন পায়। এই বিষয়ে শিৱসাগৰ জিলাৰ উপায়ুক্তই নগালেণ্ডৰ টুয়েনচাং আৰু মোককচাং জিলাৰ উপায়ুক্তৰ ওচৰত প্ৰতিবাদ কৰে। চৰকাৰৰ তৰফৰ পৰাও এই বিষয়ে প্ৰতিবাদ কৰা হয়। ইয়াৰ প্ৰত্যুত্তৰত নগালেণ্ড চৰকাৰে জনায় যে তেওঁলোকৰ চৰকাৰৰ অজ্ঞাতে টামলুৰ Assam Rifles Post Commander ৰে টামলু অঞ্চলত সান্ধ্য আইন জাৰি কৰে। সেই কাৰণে এই বিষয়টো লৈ নগালেণ্ড চৰকাৰে স্থানীয় সৈনিক বাহিনীৰ বিষয়াৰ লগত যোগাযোগ কৰিছে।

## Re : RE-ORGANISATION OF EMPLOYMENT EXCHANGE

Shrimati RENUKA DEVI BARKATAKI asked:

*260 Will the Minister, Labour be pleased to state—

(a) Whether the Advisory Committee of the Local Employment Exchanges has been reorganised ?

(b) If so, when and if not, why ?

(c) If it is re-organised whether there is any improvement in the working of these exchanges with the help of the Committees ?

Shri GAJEN TANTI (Minister, Labour) replied :

260. (a)—Yes.

(b)—Dates of re-organisation of the District Committees attached to the Employment Exchanges are furnished below :—

| Name of Exchange. | Date of re-organisation. |
|---|---|
| 1. Employment Exchange, Borpeta. | 24.2.73 |

| | | |
|---|---|---|
| 2. | Employment Exchange, Bongaigaon. | 19.12.74 |
| 3. | Employment Exchange, Dhubri. | 19.2.73 |
| 4. | Employment Exchange, Dibrugarh. | 13.2.73 |
| 5. | Employment Exchange, Digboi. | 13.2.73 |
| 6. | Employment Exchange, Diphu. | 7.8.73 |
| 7. | Employment Exchange, Gauhati. | 12.3.73 |
| 8. | Employment Exchange, Golaghat, | 24.2.73 |
| 9. | Employment Exchange, Jorhat. | 16.5.73 |
| 10. | Employment Exchange, Karimganj. | 24.2.73 |
| 11 | Employment Exchange, Nalbari. | 13.2.73 |
| 12. | Employment Exchange, North-Lakhimpur. | 13.2.73 |
| 13. | Employment Exchange, Kokrajhar. | 16.5.73 |
| 14. | Employment Exchange, Dhemaji. | 16.1.74 |
| 15. | Employment Exchange, Mangaldoi. | 16.6.73 |

| | | |
|---|---|---|
| 16. | Employment Exchange, Hailakandi. | 7.6.73 |
| 17. | Employment Exchange, Nowgong. | 19.2 73 |
| 18. | Employment Exchange, Silchar. | 24-2-73. |
| 19. | Employment Exchange, Sibsagar, | 21-3-73. |
| 20. | Employment Exchange, Tezpur. | 13-2-73. |
| 21. | Employment Exchange, Tinsukia. | 21-3-73. |
| 22. | Employment Exchange, Haflong. | 7-8-73. |
| 23. | Employment Exchange, Namrup. | 13-2-73. |
| 24. | Employment Exchange, Goalpara. | 19-12-74 |

Two Employment Exchanges one at Marigaon (Nowgong District) and the other at Hamren (Mikir Hills), have recently been set up and action is being taken to constitute Committees attached to these Exchanges.

(c) The impact on the reorganisation of the Committees attached to the Employment Exchanges is yet to be assessed.

Mr. Speaker :— The Question hour is over. Now there is an adjournment motion to be moved by Shri Dulal Chandra Barua.

Shri Dulal Chandra Barua :— Sir, the motion which I have given notice under Rule 56 in an adjournment motion is a definite matter of urgent public importance and of very recent occurance. It is a very definite matter and I have explained the motion. It is a very recent occurance that has taken place yesterday at Borjhar Airport at 2 p. m. and we have availed the first opportunity to bring the matter before the House. Sir, this matter is free from the restrictions that have been laid down under Rule 57 that not more than one such motion shall be made at the same sitting. Sir, we have made only one such motion (ii) not more than one matter can be discussed on the same motion, and the motion must be restricted to a specific matter of recent occurance.

Sir, it is a very specific matter and I have very specifically mentioned about the matter and also it is of very recent occurance.

(iii) the motion must not revive discussion on a matter which has been discussed in the same session. Sir, the motion has not revived any discussion. It is a matter of recent occurance and to-day we want to take the opportunity to discuss the matter through an adjournment motion.

(iv) the motion must not anticipate a matter which has been previously appointed for consideration, or with reference to which a notice of motion has been previously given. It has not been previously appointed for consideration and argument may come

forward from the side of the party in power that while we are discussing the budget we will get an opportunity to discuss this matter. But the matter is very urgent and the situation is very tense and unless it is Settled it may go from bad to worse.

(v) the motion must not deal with a matter on which resolution could not be moved.

Sir, this matter is free from that very restriction.

(vi) the motion shall not deal with any matter which is under adjudication by a Court of Law having jurisdiction in any part of India.

Sir, we are discussing the matter of inhuman torture that has been committed to a public leader by police force in Borjhar Airport. We are going to deal with the matter concerning the law. We are going to deal with the matter of atrocities committed to him while he was proceeding to Delhi yesterday.

(vii) & (viii) the motion shall not raise a question of privilege ; and that it must not relate to a matter which is not primarily the concern of the Government of the State.

Sir, it primarily concerned the Govt. of the State. This Govt. shamelessly harassed a public leader in Borjhar Airport and atrocities committed on him. We have got no objection if smebody committed such atrocities or breaks any law but this matter

has been pre-planned by this Govt. with certain motive behind it. This is just to undermine the prestige and position of the particular leader. Sir, in page 430 of Kaul's Practice and Procdure of Parliament it has been clearly mentioned, "A matter to be urgent must have arisen suddenly in the nature of an emergency". Sir, it is in the nature of an emergency as the things have been focussed through the radio and newspapers and tense situation is prevailing not only here in Gauhati but throughout the State. But this Govt. with political motive they went to the extent of such naked barbarism and nefarious action in dealing with a particular political leader which is unbecoming in the history of any parliamentary democracy. The police force harrassed the man when he was about to emplane. They have taken to custody certain documents which are belonging to the House, that is belonging to you. These people, they have got no right to take over the rights of the House. These people with their political motive, they have got no right to come and encroach upon the performance of the House. That is why it is a very important matter of a very emergent nature. The documents which were produced to the House, in this August House, it has become the property of the House and it is a public document. There fore, Sir, this is a matter which is very important.

Sir, it has again been mentioned at page 431 of Kaul's Practices and Procedure of Parliament as

"Matters arising during the period when the House is not in session should be raised on the first day the House meets. A matter which has been continuing for some time cannot be raised through an adjournment motion, Sir, this matter is not continuing. Suddenly it has come up. Therefore, the intervention of the House is necessary. It is a question of public importance. Again I would like to quote Kaul's Practice and Procedure of Parliament, page 432, "The question of public importance is decided on the merits in each individual case It is always a relative question and in a vast country like India the importance of an incident has to be judged in the background of the entire administration of the country". Sir, this can be judged on this particular direction because it has affected the entire administrative function of the State and the entire administrative function of this House. Therefore, Sir, this is a very definite matter of grave public importance which concerns the security of the people, the security of the State and security of life and property of the people. It has got very valid implication of the future of the State. Therefore, Sir it is a very definite matter of public importance and it has fulfilled all the conditions under Rule 56 and 57. Therefore, I feel that by considering the urgency of the matter you will be very much pleased to allow us to discuss this matter.

Shri Gaurisankar Bhattacharyya :— Sir, I want to speak a

few words about the admissibility of the motion. I shall confine my submission to the interpretation in this particular case of rule 56 and 57 of our Rules and Procedure.

Sir, as you will notice, three factors are necessary primarily to allow such a motion for consideration under Rule 56. These three factors are that the matter must be a definite matter, that it must be not only definite but also urgent and urgent not only for any individual but urgent in a sense of its having public importance. Now, in course of the application of law and order there may be arrests; there may be detentions. There may be sometimes even some excess in such arrests or detentions. It is after all police actions and police actions may not always be measured by golden coins. Sometimes to one it may appear as excess and may not appear as excess to some other. Therefore, I am not so much concerned as to whether police went a little beyond the degree of propriety but I am concerned that the attrocity committed in the matter of a subject which is of extraordinary public importance. Why do I say it is of extraordinary public importance not only it is of public importance but it is of extraordinary public importance ? Why ? Because the very function of democracy is now in attack. Fascism is no longer knocking at the door, fascism is now in action. How it is in action ? When elections are held, these elections are rigged. When ballot papers

are forged and when this forgery is going to be shown to the Prime Minister of the Country that here is a Government which has not only made rigging of the elections but you have made the entire election a mockery, you are running in a fascist manner, there cannot be any matter which is more important than this. This public leader who, if there would not have been any rigging in this Election, would to-day have been a Member of the Parliament, but could not have been a Member of a Parliament only because Government Committed forgery and rigging of election. This gentleman was going to show to the Parliament, to the Prime Minister that see how the administration in Assam has become not only a willing tool but the perpetrator of this forgery and rigging and, it is on this ground that he was caught and it is on this ground that he has been attrociously treated. Police had no business to go into this political nastiness but this police has done this and he has been taken to some unknown destination and given all sorts of indignities and attrocities. This is not the matter of any particular individual it is a matter of the public. If democracy is to be saved in this country, this forgery, this attrocity must be defeated. If we cannot defeat it in these means then there may be a struggle where there will be blood bath, nobody will be able to stop that armed revolution. Not only that one section of the people can come with lathis, not only that this Government

can use police, these very policemen, these very armymen may, at sometime, at the call of some others take the arms on the other direction and there may be armed revolution in this country. Therefore, if we do not nip this tendency of fascism in the bud, if we do not stop this attrocious practice propagated in the name of law and order then we shall be digging the grave of democracy in this country. Sir, what matter can be more urgent then this ? This matter first of all should be discussed before anything is discussed. This Budget discussion and anything else, all this will go to nothingness if democracy faces this sort of a grave and which is gettiing now, today in our country. There is no doubt that this is a very definite matter. The definite matter is that the man who was properly elected as the Member of the Parliament he has been shown as not properly elected by forgery and by rigging and that very man has been arrestd while he was was going to prove the forgery, the rigging in New Delhi. This is a definte matter and this is a matter of verv public importance for mere existence of democracy in this country. I shall not, Sir, dilate on the items which are enumerated under rule 57 because you know that this arrest has taken place only yesterday at 2 P.M. This matter has not been discussed earlier and whether and how far this rigging affected the election that could be found out only by a proper Judicial Inquiry and that Judicial In-

quiry has not been ordered by the Government, and therefore, the matter is not sub-judice. Everybody knows who have got eyes to see they have seen and who have got urge to fel they have felt and those who have got imagination to think they have imagined that the country is in danger and that danger is fascism and that fascism is now being perpetrated by the Ruling Party. Either we defeat this fascism or democracy goes to pieces and there will be armed revolution in this country—nobody will be able to stop it.

শ্ৰীবদন চন্দ্ৰ তালুকদাৰ :—

অধ্যক্ষ মহোদয়, যিটো সভা স্থগিত প্ৰস্তাব এই সদনত দাঙি ধৰা হৈছে এইটো এটা গুৰুতৰ বিষয় আৰু গুৰুত্বৰ বিষয় এই কাৰণেই যে দুৰনীতি পৰায়ণ হৈ দুৰনীতিৰ বলেৰে যদি শ্ৰীগোস্বামীক পৰাভূত কৰা নহল হেতেন তেনেহলে শ্ৰীগোস্বামীয়ে আজি লোক সভাৰ এজন সদস্য হোৱাতো এটা অনিবাৰ্য্য কথা আছিল। এনে ধৰণৰ এজন নেতাক যি ধৰণে যোৱা কালি গেপ্তাৰ কৰা হৈছে ই সচাঁকৈয়ে অসাধাৰণ কথা। এই নেতাজনে আগতে জনাইছে যে বেলট পেপাৰ বিলাক কেনেকৈ ফোৰ্জড্ কৰা হৈছে তাক জনাবলৈ নতুন দিল্লীলৈ যাব আৰু সকলোবোৰ তথ্যপাতি লৈ যাব আৰু সেই মৰ্ম্মে তেওঁ আকাশীজানৰ টিকেট সংগ্ৰহ কৰিছিল। কিন্তু এটা ষড়যন্ত্ৰৰ মাজেৰে তেওঁক যাবলৈ বন্ধ কৰি গেপ্তাৰ কৰিছে। তথ্যপাতি লগত ৰখা-টোৱেই যদি গেপ্তাৰৰ কাৰণ হয় তেন্তে তাৰ আগতে বদন তালুক-দাৰক গ্ৰেপ্তাৰ কৰিব লাগিছিল, বিশ্ব গোস্বামীক নহয়। এও যে তথ্য পাতি লৈ দিল্লীলৈ যাব সেই কথা আগ দিনাই কাগজত প্ৰকাশ পাইছিল...he was going to meet J. P. and show him what has happened in the election. This is intentional and this is mala fide...

Mr. Speaker :- The motion is about inhuman attrocity···

Shri Badan Chandra Talukdar :— Sir, when he was about to board the plane bound for Delhi he was arrested and this arrest was done in a way which is done while arresting an ordinary criminal. He was arrested there and even his family members were not informed about this arrest. The news of his arrest was made to be known through the news bulletin of the All India Radio. Sir, he has been treated by the police in such a way that when we enquired of the police they did not divulge that he was there though he was kept in a lock up there in the Gauhati Sadar Police Station. Therefore, my humble submission is that the matter is an urgent and definite matter and it is free from all restrictions and this matter may kindly be allowed to be discussed in this House.

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :—

অধ্যক্ষমহোদয়, মই মাত্ৰ এটা কথা কম। এই সভা স্থগিত প্ৰস্তাৱত যি বিলাক যুক্তি বকরা ডাঙৰীয়া আৰু অন্যান্য সকলে দাঙি ধৰিছে, সেই খিনি যোৱা সোমবাৰে এই সদনত দাঙি ধৰি আলোচনা কৰিব বিচাৰিছিলো তেতিয়া মহোদয় আপুনিয়েই কৈছিল যে এই নিৰ্বাচন সংক্ৰান্ত সকলো বিষয় কেন্দ্ৰিয় চৰকাৰৰ অধিনত আৰু সেই কাৰণেই ইয়াত আলোচনা কৰাটো নিষ্প্ৰয়োজন। সিদিনাও সেই একে জাল বেলট পেপাৰ দেখুৱা হৈছিল। আৰু বিষয়টো কেন্দ্ৰিয় চৰকাৰৰ অধিনত বুলি জানিয়েই আমাৰ শ্ৰীগৌৰীশংকৰ ভট্টাচাৰ্য্যৰ ভাষাত কবলৈ হলে আৰু মইও দোহাৰী কও যে বিগত বৰপেটা নিৰ্ব্বাচন যদি দুৰ্নীতি গ্ৰস্ত নহল হেতেন তেনেহলে যোৱাকালি গ্ৰেপ্তাৰ

হোৱা নেতা জনেই সৰ্ব্ব সম্মতি ক্ৰমে সংসদ সদস্য হলহেতেন। সেই পৰ্য্যায়ৰ নেতা জনে নিৰ্ব্বাচন দুৰ্নীতি সংক্ৰান্ত সকলো তথ্য পাতি লগত লৈ কেন্দ্ৰীয় চৰকাৰ আৰু চিফ ইলেকচন কমিচনাৰক জনাবলৈকে গৈছিল। তেওঁক এই কামত বাধা প্ৰদান কৰিবলৈ বৰজাৰ বিমান কোঠত হঠাতে পুলিছে গেপ্তাৰ কৰিছে। মহোদয় তেওঁৰ হাতত লাঠি বা বন্দুক বা বোমা নাছিল। যি কাৰণে তেওঁক গেপ্তাৰ কৰিব লাগিছিল। তেওঁৰ দিল্লীলৈ যাত্ৰাটো আপোনাৰ দিয়া কলিঙৰ সাপেক্ষ আছিল। আতাইতকৈ পৰিতাপৰ কথা যে তেওঁ এজন এজমা বেমাৰি আৰু তেওঁৰ ঔষধ পৰ্য্যন্ত চিজ কৰা হৈছে। গতিকে এইটো এটা সাংঘাটিক পৰিস্থিতি আপোনাৰ অনুমতি পাম বুলিয়েই আশ ৰাখিলো।

Shri Charan Narzary:— Sir, I want to raise a point. Sir, a man of the status of Mr. Biswa Goswami has been arrested at the Borjhar Airport and if that has been done on the ground of law and order, we do not have anything to say. But the point is, why inhuman atrocities should be committed on a person of his status ? The question is, if these things are allowed to go on inbriddled, where do we stand ? Where is the democracy; where is the fundamental right to individual liberty so loudly proclaimed by the Indian Constitution ? Sir, this is not an individual matter. It concerns all of us. So in the face of growing fascist and terrorist tendency of this Gevernment, democracy is dead here and functioning of democracy is imposible. We, being the representatives of the people, are liable to answer to the people. The people should know and the world should know it. This is a proper

matter of urgent public importance, involving the question of public peace and law and order. Because, centering round a single issue of this nature any situation is likely to erupt in this part of the country. Sir, as you know, the entire country is being engulfed in a revolutionary fire because of the failure of the Government in different spheres of our social life. The matter is definite and it is a matter of great public importance. It is not subjudice also. Since we do not have any separate scope to discuss this particular matter in the floor of the House, we should be allowed to discuss the matter here freely and frankly and let the world know about the ghastly incident.

শ্ৰীনগেন বৰুৱা :—

মহোদয়, শ্ৰীগোস্বামীৰ ওপৰত যিখিনি পুলিচ এট্ৰোচিটি চলিছে তাৰ ওপৰত মই এটা কথা কওঁ তেওঁৰ ওপৰত কেবল শাৰীৰিক অত্যাচাৰেই নহয় মানষিক অত্যাচাৰও চলাইছে। গ্ৰেপ্তাৰ কৰাৰ পাচত গুৱাহাটীলৈ অনা হৈছে তাত তেওঁক কৈছে যে আপোনাক যাৰলৈ দিয়া হব। কিন্তু সেই সিদ্ধান্ত হৈ নুঠিল তেওঁ যেতিয়া দিল্লীলৈ যাব বুলি জনাইছিল সেই বিষয়েও পুলিচে কোনো খবৰ দিয়া নাছিল। আৰু তাৰ পৰিবৰ্ত্তে নানান ধৰণৰ শাৰীৰিক আৰু মানষিক যন্ত্ৰনা দিছে। যদি এজন নেতাক এইদৰে ব্যৱহাৰ কৰে এইটো কেবল অসহনীয় নহয় এই ক্ষেত্ৰত ন্যায় সংগত ভাবে এজন দায়ীত্বশীল নেতাক তেওঁৰ নাগৰিক স্বত্তৰ পৰাও বঞ্চিত কৰা হৈছে। এই ক্ষেত্ৰত বিষয়টো আলোচনা কৰাৰ অনুমতি আপুনি দিব বুলি আশা কৰিলো।

শ্ৰীকবীৰ ৰায় প্ৰধানী :—

মহোদয়, শ্ৰীবিশ্ব গোস্বামীক গ্ৰেপ্তাৰ কৰি অসমত এটা সাংঘাটিক গুৰুত্ব পূৰ্ণ আলোড়নৰ সৃষ্টি কৰিছে। বৰপেতাৰ নিৰ্ব্বাচন অলপতে হৈ গৈছে। আৰু দুৰ্নীতি পূৰ্ণ ইলেকচন নহলে এই নেতা গৰাকীয়ে আজি সংসদৰ সদস্যৰূপে ঠিয় হ'লহেতেন। তেওঁক দুৰনীতি কৰিয়েই নিৰ্ব্বাচনত হৰুৱা কথা মানুহে জানে। নিৰ্ব্বাচনত হাৰিলে সকলোৱে দুখ পায়। জিকিলে আনন্দ হয়। দুৰনীতিৰে এইলোক জনক হৰুৱা হৈছে। সেই কাৰণে অসমৰ ৰাইজে অত্যন্ত দুখ পাই আছে। গতিকে পৰিস্থিতিক কিছু সাম্য কৰাৰ অৰ্থে বিষয় টো আলোচনা কৰাৰ সুবিধা দিব লাগে। জয়প্ৰকাশ নাৰায়নেকো গ্ৰেপ্তাৰ কৰিব পাৰিলেহেতেন কিন্তু কৰা নাই। যাতে এই পৰিস্থিতি আৰু উত্তপ্ত নহয় তাৰে সুবিধা দিব লাগে।

Shri S. Ahmad Ali (Minister) :— Sir, while pressing very strongly by the hon'ble members in the Opposition Benches justifying certain grounds and reasons for admitting the notice to be discussed through an adjournment motion in the House, they have raised many points beyond the contents of this notice. As for example, Sir, they have referred to the bye-election of Barpeta. They have referred to some alleged affairs of rigging; they have referred that ballot papers have been forged and that Shri Goswami was proceeding to Delhi with these ballot papers to show to Parliament. All these facts I do not like to mention because the whole case is sub-judice. These matters may be discussed at the appropriate stage when placed to the appropriate authority.

Regarding rigging and whether these ballot papers are forged or genuine all this will come up for discussion if an election petition is filed before proper authority. Without election petition there is no other relief from any quarter, and not only this House even Parliament has no jurisdiction to entertain such matters for discussion regarding the alleged rigging and also about the forgery of ballot papers. The proper authority and forum will be through an election petion in the court of low.

Now the point raised in the notice is that serious situation arises out of inhuman atrocitie committed by the Police on Mr. Biswa Goswami, the General Secretary, Socialist Party at Borjhar at 2 p. m. I strongly oppose and object to that. No atrocities has been committed on him; no such atrocious, ill behaviour has been done to him.

This is an usual feature in every Aerodrome that there should be security search of all passangers. When Shri Biswa Goswami was going to emplane for Delhi he had also to undergo security search and while the security search was going on, some secret document—i.e. Ballot papers I must say that it is a secret document was found in his possession. Then naturally the security men handed over the document and Shri Goswami to the Police. The Police was there and arrested Shri Goswami under prescribed sections of the law. The case is now under investigation and sub-judice. My point is that

we do not agree that the police personnel or any person has committed any atrocity or meted out inhuman treatment or ill behaviour to Mr. Goswami. In this connection Sir I quote a ruling from page 430 of Mr. Kaul's Practice and Procedure. It says—"An adjournment motion does not lie when facts are in dispute, or before they are available. When the Government dispute the facts stated in the notice of the adjournment motion, the Speaker accepts the Government version of facts." Sir, we dispute the facts regarding the alleged atrocities committed on Mr. Goswami. So, according to this ruling an adjournment motion cannot be allowed. The only point raised in the notice is the situation arising out of inhuman atrocities committed by the Police. But we have no information as to any situation whatsoever has arisen in the state due to this arrest. So, Sir, this adjournment motion should not be allowed

শ্ৰীসোনেশ্বৰ বৰা :—

অধ্যক্ষ মহোদয়, আমাৰ আইন মন্ত্ৰী ডাঙৰীয়াই কৈছে যে, এটা ইলেকচনত যদি দুৰ্নীতি হয় তেতিয়া হলে ইলেকচন পিটিচন কৰিব পাৰে আৰু অধ্যক্ষ মহোদয়, আপুনি জানে যে, শ্ৰীবিশ্ব গোস্বামীয়ে যোৱা ২০ তাৰিখে হোৱা বৰপেটা উপনিৰ্ব্বাচনৰ প্ৰাৰ্থী আছিল আৰু সেই প্ৰাৰ্থী জনেই আটাইতকৈ আৱশ্যকীয় মানুহ যিজনে কেচ কৰিব পাৰে। আৰু কেচ কৰিলে সকলো তথ্যপাতি চাই চিফ ইলেকটৰেল অফিচাৰে আৰু চুপ্ৰিম কৰ্টে ৰায় দিব পাৰে। গতিকে যি যুক্তিৰ ওপৰত আইন মন্ত্ৰী ডাঙৰীয়াই এদজৰমেন মচন আলোচনা হব নোৱাৰে বুলি কৈছে সেই কথাৰ ওপৰত ভিত্তি কৰিয়েই মই কব খোজো যে,

শ্ৰীবিশ্ব গোস্বামীয়ে ইলেকচন কমিচনাৰক লগ পাব বুলি আগতেই এই কথা লিখি জনাইছে আৰু এতিয়া তেখেতে প্লেনৰ টিকতো পাইছে। তেনেস্থলত এইটো অপৰাধৰ কথা কেনেকৈ হব পাৰে ? ভাৰতৰ সকলো মানুহৰেই যিকোনো এডোখৰ ঠাইলৈ যোৱাত বাধা নাই। আৰু বাধা দিবৰ অধিকাৰ অসম চৰকাৰৰ নাই। কিন্তু আজি সেই মানুহজনক গ্ৰেপ্তাৰ কৰি সকলো কাগজপত্ৰ চিজ কৰাৰ বাহিৰেও তেওঁৰ লগত থকা এজমা বেমাৰৰ প্ৰেচক্ৰিপচনখনো চিজ কৰা হৈছে। এইটো এটা কম অমানুষিকতাৰ কথা হৈছেনে ? এই চৰকাৰৰ শাসনৰ তলতেই মানবতা বিহিন কাম আৰু কিবা হব পাৰেনে ? এই নেতা জনৰ প্ৰতি এইধৰণে অমানৱতা দেখুৱা হোৱা নাইনে ? আমাৰ অকল এম, এল, এ সকলেই নহয় আমাৰ অসমৰ জনসাধাৰণ আজি বিক্ষোদ্ধ হৈ উঠিছে। যদি আজি এই বিষয়টো আমাক সদনত আলোচনা কৰিবলৈ নিদিয়ে, আৰু ইয়াৰ একো মীমাংসা কৰা নহয় তেনেহলে ইয়াৰ পিচত গোটেই অসম জুৰি কি ধৰণৰ বিক্ষোভ হব পাৰে সেই কথা সময়ে প্ৰমান কৰিব। আমি জানো গোটেই অসমৰ ছাত্ৰ শক্তি, ডেকা শক্তি, আৰু জনসাধাৰন ইয়াৰ বাবে উতলি আছে আৰু ইয়াৰ বাবে কিবা হলে অসম চৰকাৰৰ হয়তো সকলো পুলিচ ব্যৱহাৰ কৰিবলগীয়াও হব পাৰে। গতিকে অধ্যক্ষ মহোদয়, মই অনুৰোধ কৰো যাতে এই বিষয়টো আলোচনা কৰিবলৈ অনুমতি দিয়ে আৰু কিবা এটা মীমাংসা কৰিব পাৰি।

Shri DULAL CHANDRA BARUA:—The argument put forward by the Minister Incharge of Parliamentary Affairs, is no argument and he has put forward the argument for argument's sake : He has said about the jurisdiction of the election matters. If we do not have any jurisdiction the Government has also no jurisdiction to deal with election matters. He has stated a wrong thing about security checking and finding of this document Sir, this document did not remain

a secret document because it was exhibited here yesterday and therefore it has become a public document

Mr. Speaker :—The point here is about the situation arising out of the atrocities.

SHRI DULAL CHANDRA BARUA :— I was confining myself to that but the Minister for Parliamentary Affairs said that this cannot be dealt with by the State Government because the State Government has no jurisdiction. He also said that it was a secret document but it is not a secret document and it was exhibited here and he was carrying that document.

Shri Jagannath Singh :— How can the stolen property be exhibited here ?

Shri Dulal Chandra Barua :— It is for the Speaker to decide. The property was not stolen by anybody else but by the party in power. They have done it. So, this not a secret document.

Shri Sarat Chandra Sinha :—Mr. Speaker, Sir, let the document be produced here and we will enquire as to how this has come.

(The Hon. Member Shri Dulal Chandra Barua handed over the paper to the hon. Speaker)

Mr. Speaker :— The discussion is closed. Give me some time and I will think about the matter and give my ruling.
Shri Jagannath Singh :— Who has exhibited it ?
(Some Opposition Members :— We have exhibited it)
(There was uproar in the House)

## STATEMENT BY MINISTER

Mr. Speaker :— Shri Khound, Minister of Transport, wanted to make a statement giving additional information regarding St. Q. No. 176 dated 21.2.75.

Shri Indreswar Khound (Minister, Transport):—

Mr. Speaker, Sir, with regard to S. Q No. 176 dated 21.2.75 I want to give the following additional information to the House.

1. " The Government of India was moved by our Letter dated 14th November, 1974, to cancel the dealership of M/s P.K. Himmatsingka & Co., Gauhati.

2. The Politiical Department was moved by the Transport Department on 16.1.75 to refer the matter to the C.B.I."

## CALLING ATTENTION

Smti. Renuka Devi Barkataki :— Mr. Speaker, Sir, under Rule 54 of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly I beg to call the attention of Minister, Supply, to the news item appearing in the Dainik Asom, dated 5th January, 1975 under the caption "গুৱাহাটীৰ শোচনীয় খাদ্য পৰিস্থিতি সম্পৰ্কে স্মাৰক পত্ৰ"

শ্ৰীগজেন তাঁতী ( মন্ত্ৰী ) :—

যোৱা ৫ ইং জানুৱাৰী তাৰিখে "দৈনিক অসম" বাতৰি কাকতত প্ৰকাশিত "গুৱাহাটীৰ শোচনীয় খাদ্য পৰিস্থিতি সম্পৰ্কে স্মাৰক পত্ৰ" শীৰ্ষক বাতৰিটোৰ প্ৰতি চৰকাৰৰ দৃষ্টি আকৰ্ষণ হৈছে।

বাতৰিটোত কোৱা হৈছে যে জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত গুৱাহাটীৰ পৌৰ নিগমৰ কেইবাজনে কাউন্সিলাৰে যোগান মন্ত্ৰীক লগ ধৰি স্মাৰক পত্ৰ দিয়ে। স্মাৰক পত্ৰত খাদ্য কমিটী বোৰত কাউন্সিলাৰ সকলক অন্তৰ্ভুক্ত কৰা সম্পৰ্কে উল্লেখ কৰে। বাতৰিটোত পুণৰ কোৱা হৈছে যে গুৱাহাটীৰ সুলভ মুল্যৰ দোকানত চাউল যোগান নিদিয়াৰ কাৰণে দেখা দিয়া পৰিস্থিতি মুকলি বজাৰত চাউলৰ চৰা দাম আৰু গুৱাহাটীৰ উত্তৰ পাৰৰ পৰা চাউল অনা বন্ধ কৰা আদি বিষয় সমূহ কাউন্সিলাৰ সকলে মন্ত্ৰীগৰাকীৰ দৃষ্টি আকৰ্ষণ কৰে। ইয়াৰ উপৰিও বাতৰিটোত উল্লেখ কৰা হৈছে যে কাউন্সিলাৰ সকলৰ সজাতি দলটোৱে পৌৰ আৰু আইন বিভাগৰ মন্ত্ৰী চৈয়দ আহমদ আলিক সাক্ষাৎ কৰে আৰু পৌৰ নিগমৰ শোচনীয় আৰ্থিক পৰিস্থিতিৰ বিষয়ে অৱগত কৰে।

উক্ত বাতৰিটোৰ সংক্ৰান্তত তলত দিয়া ধৰণে এটা থুলমূল বিৱৰণ দাঙি ধৰা হ'ল।

জানুৱাৰী মাহৰ প্ৰথম সপ্তাহত যোগান মন্ত্ৰীয়ে গুৱাহাটীৰ পৌৰ নিগমৰ কাউঞ্চিলাৰ সকলৰ পৰা এখন স্মাৰক পত্ৰ পোৱা কথাটো সচাঁ। স্মাৰক পত্ৰত উল্লেখ কৰা অত্যাৱশ্যকীয় সামগ্ৰীৰ সংগ্ৰহ আৰু বিতৰণ সমিতি বোৰত কাউন্সিলাৰসকলক অন্তৰ্ভুক্ত কৰা বিষয়টো চৰকাৰৰ বিবেচনাধীন হৈ আছে।

গুৱাহাটীৰ সুলভ মূল্যৰ দোকানবিলাকত চাউল যোগান নধৰা কথাটো দৰাচলতে সচাঁ নহয়। গুৱাহাটীত যোৱা নবেম্বৰ মাহত ১২,৭০২ কুইন্টল, ডিচেম্বৰ মাহত ৯,০০০ কুইন্টল আৰু জানুৱাৰী মাহত

৭৯৯৫ কুইণ্টল চাউল সুলভ মূল্যৰ দোকানৰ জৰিয়তে বিতৰণ কৰা হৈছে। ডিচেম্বৰ, জানুৱাৰী মাহত মুকলি বজাৰত যথেষ্ট পৰিমানে চাউল ওলায়, সেইবাবে এই সময়ত সুলভ মূল্যৰ দোকানৰ যোগেদি কিছু কম পৰিমানে চাউলৰ যোগান ধৰা হয়। কিন্তু এই সময়ত যথেষ্ট পৰিমানে আটাৰ যোগান ধৰা হয়। বৰ্ত্তমান ক্ৰমান্বয়ে এই চাউলৰ যোগান বৃদ্ধি কৰিবলৈ চেষ্টা কৰা হৈছে। যোৱা জানুৱাৰী মাহত মুকলি বজাৰত চাউলৰ দাম প্ৰতি কিলোত ২৮০ৰ পৰা ৩·০০ টকালৈ বিক্ৰী হৈছিল।

ধান সংগ্ৰহৰ সুবিধাৰ কাৰণে আৰু ধান চাউলৰ অবৈধ চালান আদিত বাধা দিবলৈ গোটেই প্ৰদেশ খনক ১২টা এলেকাত (Zone) ভাগ কৰা হৈছে। কামৰূপ জিলাৰ সংক্ৰান্তত উল্লেখ কৰিব পাৰি যে কামৰূপ জিলাৰ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ অঞ্চলসমূহ এটা এলেকা (Zone) ভুক্ত কৰা হৈছে। কামৰূপ জিলা আৰু গোৱালপাৰা মহ-কুমাৰ ব্ৰহ্মপুত্ৰৰ দক্ষিণপাৰ অঞ্চলসমূহ লগ লগাই আন এটা এলেকা ( Zone ) কৰা হৈছে। এনে এটা এলেকাৰ ভিতৰত যি কোনো ঠাইৰ পৰা আঢ়ৈ কুইন্টল ধান চাউল সৰবৰাহ হব পাৰে। কিন্তু এটা এলেকাৰ পৰা আন এটা এলেকালৈ ধান চাউল সৰবৰাহ কৰাত বাধা আৰোপ কৰা হৈছে। অবৈধভাবে যাতে ধান চাউল সৰবৰাহ হব নোৱাৰে তাৰ বাবে ঠায়ে ঠায়ে তালাচী চকী স্থাপন কৰা হৈছে। উল্লেখ কৰিব পাৰি যে কামৰূপ জিলাৰ উত্তৰ পাৰৰ অঞ্চলটো এপেক্স মাৰ্কেটিং আৰু দক্ষিণ পাৰৰ অঞ্চলটো খাদ্য নিগমৰ সংগ্ৰহ এলেকাত পৰে। সংগ্ৰহ কাৰ্য্যকৰী আৰু সফল কৰিবৰ বাবে আৰু সৰহ সংখ্যক ধান সংগ্ৰহ কৰি গ্ৰাহকক যোগান ধৰিবৰ বাবেই এনে ব্যৱস্থা লোৱাৰ প্ৰয়োজন হৈছে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— অধ্যক্ষ মহোদয়, এটা কথাৰ মই ক্লিয়াৰেন্স বিচাৰিছো যে গুৱাহাটীৰ পৌৰসভাৰ সদস্যসকলে গুৱাহাটী এলেকাত মাহেকত বা দুই মাহ আঢ়ৈ মাহ ধৰি চাউল যোগান দিব নোৱাৰা কাৰণে কোটা বঢ়াই দিবলৈ চৰকাৰৰ ওচৰত স্মাৰক পত্ৰ দিছিল

নেকি ? আৰু সেই সংক্ৰান্তত কোটা বঢ়াই দিবলৈ চৰকাৰৰ ফালৰ পৰা কি সিদ্ধান্ত লৈছে ?

শ্ৰীগজেন তাঁতী :— জানুৱাৰী ডিচেম্বৰ মাহতকৈ এতিয়া বঢ়াই দিয়া হৈছে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— মই পোনপটীয়া ভাৱে সুধিছো, গুৱাহাটীৰ চাউলৰ অভাৱৰ যিটো পৰিস্থিতি সেই পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত কোটা বঢ়াই দিয়াৰ সিদ্ধান্ত লৈছে নেকি ?

শ্ৰীগজেন তাঁতী :— জানুৱাৰী মাহত চাউল দিয়া হৈছিল ৭৯৯৫·৫০ কুইণ্টল, আটা ৮১০০ কুইণ্টল, ময়দা ৪৮৯৩, কুইণ্টল চুজি ৩৯৫ কুইণ্টল আৰু ফেব্ৰুৱাৰী মাহত দিয়া হৈছিল চাউল—২২৫০০ কুইণ্টল, আটা—১২০০০ কুইণ্টল, ময়দা—৪০০০ কুইণ্টল আৰু চুজি ৩০০ কুইণ্টল।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— ইয়াত সদন বহি থকা অৱস্থাতে গুৱাহাটীৰ পল্টন বজাৰ, ফেন্সি বজাৰ আৰু অন্যান্য ঠাইতো মুকলি বজাৰত চাউল বিক্ৰি হৈছে সেইটো মন্ত্ৰী ডাঙৰীয়াই জানে নে নাজানে ?

শ্ৰীগজেন তাঁতী :—মুকলি বজাৰত চাউল বিক্ৰি হৈ আছে।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— কামৰূপ জিলাৰ দক্ষিণ পাৰৰ অৱস্থা সংকট-জনক হৈছে আৰু সেই বিলাক ডেফিচিট এৰিয়া বুলি কলেও ভুল কোৱা নহয়। এনে অৱস্থাত গুৱাহাটীৰ মুকলি বজাৰত কুইণ্টলে কুইণ্টলে চাউল বিক্ৰী হৈ থকা কথাটো কেনেকৈ হবলৈ পালে ?

শ্ৰীগজেন তাঁতী :— যিহেতু অন্য ঠাইৰ পৰা আহিব নোৱাৰা ব্যৱস্থা কৰা নাই।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— মোৰ প্ৰশ্ন হ'ল পোনপটীয়া যে গুৱাহাটীৰ বজাৰত ৩·৫০ টকা বা ৩·৬০ টকাকৈ চাউল বিক্ৰী হৈ আছে সেই চাউল বিলাক গুৱাহাটীৰ বজাৰলৈ কোন কোন জোনৰ পৰা বেপাৰী সকলে আনিছে সেই কথাটো মন্ত্ৰী মহোদয়ে জানেনে ?

শ্ৰীগজেন তাঁতী :— অনুসন্ধান কৰা নাই।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— অনুসন্ধান কৰি বিধান সভা চলি থকা অৱস্থাতে জনাব নে ?

শ্ৰীগজেন তাঁতী :—অনুসন্ধান কৰিম।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— কেতিয়া কৰিব ?

শ্ৰীগজেন তাঁতী :— সময় লাগিব।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :—কেতিয়া এইটো জনাব ?

শ্ৰীগজেন তাঁতী :— অনুসন্ধান কৰি যেতিয়া ৰিপোৰ্ট পোৱা যায় তেতিয়াই জনাব পাৰিম।

ড: কোষেশ্বৰ বৰা :— কালিৰ কথা এটাৰ প্ৰসঙ্গত গৃহমন্ত্ৰীয়ে বোৰ্ডাৰ এৰিয়াত ট্ৰাক চেক কৰাৰ কথা কৈছিল সেই সম্পৰ্কত তেখেতৰ সহায়ক হব বুলি মই এটা কথা কব খুজিছো যে বোৰ্ডাৰ এৰিয়াৰ লগত অহা যোৱা কৰা এই ট্ৰাকবোৰ ভালকৈ চেক্ কৰিলে নিশ্চয় ধৰা পৰিব

শ্ৰীগজেন তাঁতী :— মাননীয় সদস্যৰ কথাটো চোৱা হব।

শ্ৰীমতী ৰেণুকা দেৱী বৰকটকী :— সময় কিমান লাগিব ?

শ্ৰীগজেন তাঁতী :— এমাহ মানৰ ভিতৰত হব।

## MATTER UNDER RULE 301

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— মাননীয় অধ্যক্ষ মহোদয়, মই বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা বিধিৰ ৩০১ নং নিয়ম অনুসৰি ১৯৭৫ চনৰ

২৮ জানুৱাৰী তাৰিখে দৈনিক জনভূমি কাকতত প্ৰকাশিত "খাবলৈ নাপাই মাজুলীত অধিক লোকৰ মৃত্যু' পৰিস্থিতি উন্নত হোৱা নাই, এই শীৰ্ষক বাতৰিটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো। ইয়াত লিখিছে যোৱা ১৭ জানুৱাৰী তাৰিখে কমলাবাৰী গাওঁ পঞ্চায়তৰ অন্তৰ্গত টিয়ালাৰৰ শ্ৰীপীতেশ্বৰ শইকীয়া নামৰ এজন প্ৰায় ৪৮ বছৰীয়া লোকৰ অনাহাৰৰ ফলত মৃত্যু হয়। তেওঁ দুৰ্ভিক্ষৰ ফলতেই মৃত্যু হোৱা সত্য বুলি তেওঁৰ পৰিয়ালৰ এচৰচুবুৰীয়া আৰু কমলাবাৰী গাওঁ পঞ্চায়তৰ স্থানীয় সদস্য শ্ৰীদীন দত্তই এই সংবাদদাতাক লিখিতভাৱে জানিবলৈ দিয়ে। তেওঁ বহুদিন ধৰি ভিক্ষাবৃত্তি অৱলম্বন কৰি জীৱন-ধাৰণ কৰিছিল কিন্তু এতিয়া মাজুলীত দিনৰ দিনটো ভিক্ষা কৰিও এজন মানুহে এদিনৰ আহাৰ যোগাৰ কৰিব নোৱাৰা সময়ত অনাহাৰে এই মানুহজনে ভিক্ষা কৰিয়েই তেওঁৰ পৰিবাৰ আৰু চাৰিটা লৰা ছোৱালীক পোহপাল দিব লগীয়া হোৱাত নিজে নাখাই নবই অৱশেষত মৃত্যুকেই আকোৱালী লবলগীয়া হয়। এই প্ৰসঙ্গত উল্লেখযোগ্য যে মৃত শইকীয়াৰ পত্নী শ্ৰীচেনেহী শইকীয়া তেওঁৰ ১২ বছৰীয়া জীয়েক শ্ৰীচন্দ্ৰা শইকীয়াৰ সৈতে যোৱা কিছুদিন ধৰি লক্ষীমপুৰত ধান কাটি ঘৰলৈ ঘূৰি আহোতে হেনো ধান কাটি পোৱা ১০ কিলোমান চাউল লগত লৈ আহিছিল। কিন্তু সেই চাউল কেইটাও প্ৰহৰী আৰু পুলিচে বাটতে জব্দ কৰি থোৱাত চকুলো টুকি টুকি শুদা হাতেৰে তেওঁ ঘৰ ওলাইছিলহি। উক্ত স্বৰ্গীয় শইকীয়াৰ মৃত্যু সম্পৰ্কে অনুসন্ধান কৰিবলৈ যাওঁতে শ্ৰীচেনেহী শইকীয়াই উচুপি উচুপি কোৱা সেই কাহিনী শুনা দুৰ্ভাগ্য এই সংবাদদাতাৰো ঘটিছিল।

উপাধ্যক্ষ মহোদয়, এই ধৰণৰ করুণ কাহিনী মাজুলীত ঘটি আছে। ইয়াত যি করুণ কাহিনী দাঙি ধৰা হৈছে সেই করুণ কাহিনী শুনি যি কোনো মানুহৰেই মন করুণভাৱে ভৰিব। চৰকাৰৰ ফালৰ পৰা যি ধৰণৰ সাহায্য আগবঢ়াবলৈ চেষ্টা কৰিছিল বা আগবঢ়াইছে বুলি জনাইছে সেইটো আচলতে সিমান খিনি হোৱা নাই আৰু সেই কাৰণেই মানুহৰ দুৰ্ভিক্ষ হৈ অনাহাৰত বা খাবলৈ নাপাই মৃত্যু হৈছে।

উপাধ্যক্ষ মহোদয়, এই অৱস্থাৰ প্ৰথম কাৰণ হৈছে মাজুলী

অঞ্চলত যি খেতি হৈছিল সেই খেতি সম্পূৰ্ণ ভাৱে নষ্ট হৈ গৈছে। তাৰ উপৰি মাজুলীৰ মানুহে লক্ষীমপুৰৰ লগত কলহ আদি বিক্ৰী কৰি বেপাৰ বাণিজ্য কৰি খোৱা চাউল মুঠি আনি আছিল কিন্তু যোগান বিভাগৰ সিদ্ধান্ত অনুসৰি মাজুলীক যোৰহাটৰ লগত একে খাদ্য গোটতে পেলাই থোৱাৰ কাৰণে মাজুলীৰ মানুহে উত্তৰ লক্ষীমপুৰৰ পৰা চাউল আদি আনিব নোৱাৰা হৈছে আৰু ইয়াৰ ফলতেই হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছে। এই সম্পৰ্কত যিটো বাতৰি পৰিবেশন কৰিছে সেই বাতৰি পঢ়ি নিশ্চয় কাৰোবাৰ যদি অন্তৰত অকমানো কৰুণা আছে তেন্তে নিশ্চয় সহানুভূতি দেখুৱাব লাগিব। জীয়েক আৰু পৰিবাৰে উত্তৰ লক্ষীমপুৰত ধান কাটি অনা চাউল দহ কেজিও পুলিচে জব্দ কৰি নিয়া বুলি কৈছে। মুখ্যমন্ত্ৰী পাথৰ নহয় বা এই চৰকাৰো পাথৰ নহয় যদিহে এই কথাৰ কাৰুণ্য হৃদয়ঙ্গম কৰিব পাৰে। কিয়নো পাথৰ নহলে নিশ্চয় এই কাৰুণ্যতা অনুভৱ কৰিব পাৰিব। কাৰোবাৰ অন্তৰত যদি অকমাণো দয়া মৰম আছে তেন্তে নিশ্চয় এই কথা বুজি পাব। উপাৰ্জন কৰি অনা চাউলখিনিকো খাবলৈ নিদি লৈযোৱাটো নিশ্চয় অতি দুখৰ কথা। আইনৰ আচিলাতে সেই চাউলখিনিকে লৈ যোৱা হৈছে। ঘাঁহ-বন, কচু পচলা খাই মানুহ মৃত্যু মুখত পৰিছে আৰু স্থানীয় বিধান সভাৰ সদস্যইও সেই কথা চৰকাৰৰ দৃষ্টি গোচৰ কৰিছে আৰু তেখেত নিশ্চয় মোৰ লগত একমত হব যে মাজুলীত যিমান খিনি সহায় আগবঢ়াব লাগিছিল সিমানখিনি সহায় আগবঢ়োৱা হোৱা নাই। এইটো কথা অনস্বীকাৰ্য্য যে যদি এতিয়াও মাজুলীত যিমান খিনি সাহায্যৰ দৰকাৰ সেইখিনি চৰকাৰৰ ফালৰ পৰা যদি দিয়া নহয় তেনেহলে এতিয়াও মাজুলীত মৰিয়েই থাকিব। গতিকে মই চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো যেন মানুহে অখাদ্য খাই মৃত্যুমুখত পৰিবলগীয়া নহয় তাৰ এটা ব্যৱস্থা অতি সোনকালে কৰে। ইয়াৰ লগতে মই এই কথাও জানিবলৈ বিচাৰিছো যে অখাদ্য খাই মৃত্যুমুখত পৰা বুলি পৰিবেশন কৰা এই বাতৰিৰ সত্যতা সম্বন্ধে কিবা অনুসন্ধান কৰিছিল নেকি ? অনাহাৰত মৰা বুলি কৈছে যে ডাক্তৰৰ দ্বাৰা পৰীক্ষা কৰা হৈছিল নে নাই ? গাওঁবুঢ়া আৰু পঞ্চায়তৰ বিষয়া সকলে অনাহাৰত মৰা বুলি কোৱা নাই বুলিয়েই সেই বুলি ধৰি

লব নালাগিব । গাওঁবুঢ়া আৰু গাওঁপঞ্চায়তৰ বিষয়াই অনাহাৰত মৰা বুলি কলেও সেই কথা অনুসন্ধান কৰি চাব লাগিব । যদি অনাহাৰত মৰা বুলি কলে নৈতিকতাৰ ফালৰ পৰা সহানুভূতিশীল দৃষ্টি ভঙ্গীৰে নাচাই কেৱল হাঁহি থাকে তেনেহলে এই চৰকাৰৰ এই শাসনৰ গাদীত বহি থাকিবৰ কোনো নৈতিক অধিকাৰ নাই । মানুহ খাবলৈ নাপাই মৰিছে অথচ ৰাইজক আৰু সদনক ভুৱা দিবলৈ যদি চৰকাৰে কুণ্ঠাবোধ নকৰে তেনেহলে এই চৰকাৰৰ গাদীত বহি থাকিবৰ কোনো অধিকাৰ নাই ।

উপাধ্যক্ষ মহোদয়, গতিকে মাজুলীৰ ৰাইজৰ আচলতে কি অৱস্থা হৈছে সেইটো অনুসন্ধান কৰি ডাক্টৰৰ ৰিপোৰ্ট আদি সংগ্ৰহ কৰি এতিয়া বৰ্ত্তমান পৰিস্থিতিৰ পৰা মানুহক মৃত্যুমুখৰ পৰা ৰক্ষা কৰিবলৈ চৰকাৰে কি ব্যৱস্থা কৰিছে জানিব বিচাৰিছো আৰু সেই উদ্দেশ্যেৰেই এই কথাটো সদনত উত্থাপন কৰিছোঁ ।

Shri Mal Chandra Pegu :— Sir I don't know regarding the starvation death. But that the people are economically hard hit in Majuli is a fact They cannot be given food by the Govt. as much as they want. Actually no Govt. can give food as much as one wants. Sir, the difficulty now being faced by the Majuli people has been lessened to a great extent by the Govt. by allowing those people to bring rice from North Lakhimpur who have cultivation there. But the people who have no cultivation there are not allowed to bring paddy from North Lakhimpur. The other day when I was at North Lakhimpur I contacted the D. C. and the D. C. told me that the Govt. had stopped bringing paddy or rice from North Lakhimpur by those persons who have no cultivation there. So

Sir, I request the Govt. to allow those persons who have got no cultivation there to bring paddy to the extent of one quintal without any permit till the next Ahu harvesting season is over. Moreover, there are some people who cannot go to North Lakhimpur to bring paddy shall have to be given some gratuitous relief and rice should be distributed through the fair price shops and through Gaon Panchayats level Co-operative Societies. If that is not done, I am afaird the people will have to face starvation death. I request the Govt. to give sufficient gratuitous relief and also to allow the people to bring paddy from North Latkhimpur. I would also request the Govt. to hold an enquiry into this matter as to whether the news published regarding the starvation death is correct or not.

শ্ৰীপৰমানন্দ গগৈ ৰাজহ মন্ত্ৰীঃ— মাননীয় উপাধ্যক্ষ মহোদয়, দৈনিক জনমভূমি খবৰ কাগজত যি সংবাদ ওলাইছিল সেই সম্পৰ্কত চৰকাৰৰ দৃষ্টি আকৰ্ষিত হৈছে। এই অনুসন্ধান কৰি কোৱা হৈছে যে খাদ্য অভাবত কাৰো মৃত্যু হোৱা নাই। কিন্তু মাজুলীৰ ৰাইজৰ যথেষ্ট কষ্ট হৈছে। ক্ৰমাগত ভাবে পাচটা বানপানীয়ে মাজুলীৰ ৰাইজক সম্পূৰ্ণ জুকলা কৰিছে।

শ্ৰীতুলাল বৰুৱা ঃ— মন্ত্ৰী মহোদয়ে কৈছে যে ষ্টাৰভেচন দেথ হোৱা নাই। এই সম্পৰ্কত আমি তথ্যপাতি দিছো যে ষ্টাৰভেচন দেথ হৈছে। এই কথাটো চৰকাৰৰ ফালৰ পৰা অনুসন্ধান কৰি কৈছেনে ?

শ্ৰীপৰমানন্দ গগৈ ঃ— মাজুলীৰ বহুতো মাটি নৈয়ে ভাঙিছে, কষ্ট হৈছে। মাজুলীত নৈয়ে ভঙাৰ কাৰণে গৃহহীন হোৱা লোক সকলক দক্ষিণ পাৰে আনি বহুৱাবৰ কাৰণে চেষ্টা কৰা হৈছে। মাজুলীৰ প্ৰতি চৰকাৰে যি ব্যৱহাৰ কৰিছে সেইটো চৰকাৰৰ যিমান দূৰ আৰ্থিক ক্ষমতা

আছে সিমান দুৰ কৰিছে, কিন্তু কোনো কথাতে কাৰ্পণ্য কৰা নাই। মাজুলীক দিয়া সাহায্য চৰকাৰ আৰু ৰাজ্য খৰৰ যি সাহায্য সমিতি তাৰ যোগেদি যিবিলাক দিয়া হৈছে সেই বিলাকৰ এটা বিবৰণ দাঙি ধৰিব খুজিছো। গ্ৰেচুইটাচ ৰিলিফ চাৰি হাজাৰ, খোৱা পানীৰ ব্যৱস্থাৰ কাৰণে ১৮ হাজাৰ টকা দিয়া হৈছে, বীজৰ বাবদ অনুদান দিয়া হৈছে ৬৪ হাজাৰ টকা, টেষ্ট ৰিলিফ কামৰ কাৰণে দিয়া হৈছে এক লাখ পশ্চাচ হাজাৰ টকা, মুঠতে ছয় লাখ ৭৪ হাজাৰ ৪৫৫ টকা নগদ দিয়া হৈছে। ইয়াৰ উপৰিও বিভিন্ন সময়ত গ্ৰেচুইটি, খাদ্য সম্ভাৰ বস্ত্ৰ ৰাজ্যিক সাহায্য সমিতি আৰু চৰকাৰৰ পৰা পঠোৱা হৈছে। সম্পূৰ্ণ আহু খেতি তাত নষ্ট হয়। বহু ক্ষেত্ৰত শালি খেতি কৰিব নোৱাৰিলে বান হোৱা ঠাইত পানী ওলাই যোৱা নাছিল। ৰবী শস্যত জোৰ দিয়া হৈছে, মোৰ সম্পূৰ্ণ মনত নাই। চৰকাৰী হিচাবত যিমান খেতি মাটি দুৰবস্থাৰ কবলত পৰিছে তাৰ অৰ্দ্ধেক মাটিত ৰবী শস্য কৰা হৈছে। শালি খেতি অনিষ্ট এলেকাত সাহায্য দিবৰ কাৰণে চেষ্টা কৰি থকা হৈছে। বানপানী আৰু গৰাখহনীয়াত উতুৱাই নিয়া ঘৰ ভঙা লোকৰ সংখ্যা আগষ্ট মাহত প্ৰায় পাইছিলো চাৰিশ। কিন্তু তাত এটা অদ্ভুত নোহোৱা ঘটনা ঘটিল যে নদীৰ খহনীয়া প্ৰায় নবেম্বৰ মাহলৈকে চলিছিল। ফলত চাৰে চাৰিশ মানুহৰ ঠাইত প্ৰায় নশ গৃহহীন পৰিয়াল হল। চাৰিশ পৰিয়ালক পুণৰ সংস্থাপন কৰা হৈছে বাকী ৫শ পৰিয়ালক পুনৰ সংস্থাপন কৰিবৰ কাৰণে বন্দবস্ত কৰা হৈছে। শিৱসাগৰ জিলাত এই লোক সকলক যি বৰ্তমান আমাৰ চিলিং আইনৰ দ্বাৰা মাটি পোৱা হৈছে, অধিগ্ৰহণ কৰা হৈছে তাত বহুৱাবৰ কাৰণে যত্ন কৰা হৈছে আৰু তাত বহুওৱা হৈছে। এই খাদ্য অভাৱত মৃত্যু হোৱা সম্পৰ্কত অনুসন্ধান কৰিছিল। যি তাৰিখৰ কথা শ্ৰীবৰুৱা ডাঙৰীয়াই উত্থাপন কৰিছে সেই তাৰিখৰ সম্পৰ্কত দিটেইলচ্ খবৰ পোৱা নাই। তাৰ আগতেও খাদ্যৰ অভাৱত মৃত্যু হৈছে বুলি দৈনিক জনমভূমিত ২৪ নবেম্বৰত ৯ নবেম্বৰত, ২২ নবেম্বৰত, ১০ জানুৱাৰীত ওলাইছিল ২৬ জন লোকৰ মৃত্যু ঘটিছে। এই ২৬ জন লোকৰ বিস্তৃত বিবৰণ মোৰ হাতত আছে। এই বিবৰণৰ পৰা দেখা যায় তাত বহুতো

লোক ব্যাধিত মৃত্য হৈছে খাদ্য অভাবত মৃত্যু হোৱা নাই। এইটো স্বীকাৰ কৰিব লাগিব খাদ্যৰ নাটনি, অৰ্থনৈতিক দুৰবস্থা তাত দেখা দিছে। ২৮ জানুৱাৰীত যি থুলমুল খবৰ আহিছে তাত খাদ্য অভাবত মৃত্যু হোৱা নাই। তথাপি জিলা কতৃপক্ষক খুজি পঠাইছো। নাম সহ মিলাই চা'ব। সেই খবৰ আহিলে সদনক নিশ্চয় জনাম।

## বাজেটৰ ওপৰত সাধাৰণ আলোচনা

Shri Mal Chandra Pegu :— Sir, yesterday I spoke about the 'demand day to be observed' by the All Assam Tribal Sangha on 30th March, 1975. Their demands are -(1) employment, (2) allotment of land in the Tribal Belt and Block (3) Education. (4) appointment of a member of the Assam Public Service Commission from STs (5) land (6) formation of a Board and cell (7) rehabilitation and (8) eviction. Now I will discuss them one by one. Sir, only 5.4 per cent out of the total reserved posts of 10 per cent has been filled up till now and the rest 4.6 per cent is till to be filled up. This back log of 4.6 per cent should be filled up within this year, 1975 according to the demand by the Assam Tribal Sangha. Now, how this back log can be removed within this year ? Some suggestions that are put forward by me are as follows :

1) For the posts lying vacant during this year, 1975 in any offfice either in the district

office or in the heads of the offices or in the A. C. S. posts or in the Secretariat or in the educational institutions or in the industries and such other public undertakings should be served for the Scheduled tribes and in the advertisement it should be categorically stated that the posts are reserved for the Scheduled tribes. When the Central Government and the other neighbouring States, like Nagaland, Arunachal, Meghalaya can do it, why not in our State ? In the case of posts of Central Government, it is seen that such and such posts are reserved for the Scheduled tribes, but our Govt. do not do it. It should be done till the back log is filled up. Sir, there is no difficulty in making such reservation for the Scheduled tribes. If this is not done it will be difficult on the part of the Govt. to fill up the back log. As for example, if in a particular office one post is lying vacant and if there is no scheduled tribe officer or office assistant in that particular office the post should be reserved for the Scheduled Tribes candidates. If that is not done, a S T. candidate will never secure the post since he or she is to compete the other candidates. Preference is given to the S. T. candidates only when they Compete the other candidates i.e. they will have to come to the level of other candidates. In other words other things being equal preference is given to the S. T. candidates. If the posts are not reserved, the back log of the S. T. will never be fulfilled rather it will accumulate.

Unlesss in the very advertisement for filling up of the vacancy it is mentioned that, that particular post is reserved for scheduled tribes back log can never be fulfilled and I can definitely say it will not be fulfilled. Now, coming to the demand of the Assam Tribal Sangh regarding encroachment by other non-tribal people in tribal blocks and belts I want to say why and for whom these tribal belts were created. This has been clearly laid down in the book 'Assam Land Revenue Manual, Volume I, page 4—It reads like this :—"Large areas in the Plains districts are inhabited by plains tribal people. Simple in nature these people were living in primitive conditions, and due to lack of education and material advantages, they could not look after their own interests. A large number of outsiders mostly from East Bengal began to pour in large numbers into Assam from the beginning of the present century. They began to spread into the areas occupied by these tribal people. The tribal people being naturally shy and unable to live in peace with these new comers began to recede into the interior. To protect these people from the onslaught of these land hungry outsiders, imaginary lines were drawn deviding the areas occcupied by the tribals from the areas occupied by these outsiders. This was known as the Line System which, however, did not work satisfactorily. Later on, colonisation schemes and development schemes were taken up. But these also did not give the necessary

protection to these tribal people and their lands were passing into the hands of the outsiders and they were gradually driven into the still interior places. In order to give them necessary protection, therefore, the Tribal Belts and Blocks were constituted. The provisions for these Belts and Blocks are contained in the newly added Chapter X of the Regulation. The principle followed in constituting them is that the majority of the population in these areas must be tribals and that there should be sufficient waste lands available in that areas. When these conditions are fulfilled in a continuous stretch of land, a Belt is constituted ; otherwise Blocks are constituted."

Sir, this is the purpose for which tribal belts and blocks were created but the purposes for which the tribal belts and blocks were created have become frustrated due to permission being given to non-tribal people for occupying land falling within the tribal belts and blocks. Sir, I am of the same opinion with Shri Bhattacharyya that a large number of people having no allegiance to our Country in general and our State in particular have occupied large tracts of land falling within the tribal belts and blocks in Dibrugarh and Lakhimpur districts. Sir, mention may be made here of the Tirap Tribal Belt. There are about 4 lakh bighas of cultivable lands within that belt and a major portion of the 4 lakh bighas of land are now under the occupation of people coming from Nepal who have no

allegiance to our State. I do not object to Napalese being given land but those nepali people who were not there prior to the creation of the Tribal belts and Blocks should not be given settlement here.

শ্ৰীসোণেশ্বৰ বৰা :— উপাধ্যক্ষ মহোদয়, মাননীয় সদস্য জনে লিখি অনা বক্তৃতাটো আপোনাক দি দিলেই হয়। আমাৰ বিধিমতে যদি কোনো এজন সদস্যই বক্তৃতা নিদি লিখি দিব খোজে তেন্তে স্পীকাৰক দিব লাগে।

মিঃ ডেপুটি স্পীকাৰ :— আপুনি পঢ়িব নোৱাৰে ৰেফাৰ কৰিবহে পাৰে।

Shri Mal Chandra Pegu :— I am only referring.

Mr. Deputy Speaker :— It should not be a long one.

Shri Mal Chandra Pegu— Now, of the 4 lakh bighas of land only 18 thousand bighas have been given allotment and rest of the area has not been settled till now and thus about 3 lakh bighas are now under occupation of unauthorised persons from Nepal who have come recently. Of course the names of the Nepali cultivators had been chalked out of the list of the persons eligible to secure land within Tribal Belts and Blocks some time in 1958 and those persons who were within the tribal belts and blocks upto 1958 are to get settlement. The difficulties in that not only those Nepali cultivator graziers who were within Tribal Belts and Block prior to 1958 have been accupying land within Tritap Tribal Belt but also these Nepali people coming recently

by Train have been accupying land within Tirap Tribal Belt. Whereas Tribal people are roaming about in search of land the land meant for them has been kept encroached upon by others.

So I request the Govt. to see so that these unauthorised persons, who have no allegiance not only to our country but also to our state should be driven out from the said area and the land vacated by them should be given to the tribals who are eligible to get land there. Not only that the Tribal Belts and Blocks have been kept encroached upon by other people other than the people coming from northern part of our country who are not eligible to get settlement within the tribal belts and blocks. Sir this matter had been referred to our Govt. on several occasions but till now no fruitful action has been taken and I hope, Govt. will kindly see that these unauthorised persons are removed and the lands for whom it is meant are given settlement.

Now, Sir, coming to settlement of land within Greater Gauhati area, I beg to say that Greater Gauhati was within the tribal Belt and Block and at the time when this Tribal Belt and Block were taken up from Greater Gauhati, an agreement was reached. Agreement was to that effect that 50% of the available govt waste land would be given settlement to deserving tribal people. But till to-day no settlement has been given to the tribal people according

to that agreement. The Revenue Department also took a list of the eligible tribal person and the list was accordingly submitted but till now the list has not been finalised. The list was submitted long back but till to-day the list has not been horoured and the tribal people are not happy with the activities of the Revenue Department. Same is the case with North Lakhimpur town. An agreement was reached to give settlement of 50·/. of Govt. waste land with the Scheduled Caste or Scheduled Tribe people who are deserving people. I do not know whether any Govt. land falling within North Lakhimpur town or suburb has been given settlement to any Scheduled Caste or Seheduled Tribe people. I would request the Govt. kindly to let us know the action taken by them in this matter.

Now, Sir, regarding the demand No. 3 put forward by the Assam Tribal Sangha as to the Ad-hoc grants to be given to all the Secondary Schools and Colleges situated in the tribal areas, it may be mentioned here that even colleges situated within the tribal belts and blocks which have received grants from the University have not given any Ad-hoc grant by the Govt. because of the fact that the colleges are not recognised. Sir, so far as I know there is no such rule by which the college cannot be given adhoc grant after receiving permission from the University. Sir, what does the word recognition mean ? Govt. say that the college is not recognised. Then what does

the Govt. mean to say as to word recogniton. It means identification. Then who will have to identify that there is a college. It is the University which will have to identify the College. Then when the University has recognised the establishment of a college by giving permission, then there is no difficulty for considering the case of the colleges situated in the tribal areas. Sir, for sanctioning Adhoc grants such are the cases of the colleges situated within the tribal areas and same is the case of secondary schools located in Tribal areas. The secondary schools situated in Tribal areas should not be placed on the same footing with those of the schools situated in other advanced areas and if that is done, I think great injustice will be done to the Tribal people. If the schools and colleges of the tribal areas are treated on equal footing with the schools and colleges of the advanced areas, the tribal people will be never able to march together with the other advanced people and they will never be brought to their same level. So I request the Govt. to pay special attention to the schools and colleges located in Tribal areas in the matter of according Adhoc grants.

As regards payment of scholarship money I would like to say that the students of the post-matric and pre—matric are not getting their scholarship money when it is needed and the purpose for which the stipends are awarded becomes meaningless. The

scholarship money is paid after lapse of 6 or 7 months and sometimes even after one year. If such be the case then it becomes fruitless on the part of the Govt. to spend so much of money for giving scholarship to the Scheduled caste and Scheduled tribe studendts. So I request the Govt. to see so that scholarship money is paid to the students in time. This is one of the demands of the Tribal Sangha and I think this demand can very easily be met by the Govt.

As regards reservation of seats in the educational Institution Sir, we have got reservation for the Scheduled Caste and Scheduled Tribes for various parts but in the matter of admission into Govt. educational institutions right from M E. upto post Graduate level, there is no reservation. As a result of this the Scheduled caste and the Scheduled tribe students cannot secure higher education. So I request the Govt. to see so that reservation quota should be provided to these people for prosecution of their studies. The present Educational Directorate has completely failed to take care of the education of the Scheduled castes and Scheduled tribles people. As a result the number of illiteracy amongst the S. C. and S. T people has been increasing day after day. To get rid of this I suggest that there should be a separate Educational Directorate for the S. C. and S. T. to look after the educational interest of the S. C. and S. T. Sir, it will be too much on my part to say that the conditions of the educational

institutions situated in the S C. and S T. areas are most deplorable.

Mr. Deputy Speaker :— How long you will continue ?

Shri Mal Ch. Pegu :— I will continue for some time. Kindly allow me to continue after lunch.

Mr. Deputy Speaker :— I cannot agree, I cannot give you more time. There are long list from your side. There are 22 members of the Treasury Bench. I must accommodate them also. You finish just now.

Shri Mal Ch. Pegu :— Sir, the Chief Minister in his Budget speech has mentioned about establishment of Ashram type of M E. School. I would request him to see so that Ashram type of M. E. Schools are located in the backward areas. I am confident that the S. C. and S T. people will he able to march together with the rest of the advanced section of the people if such Ashram type Schools are established in the backward regions of the state.

Mr. Deputy Sepaker :— I cannot give you any moretime. House stands adjourned till 2-30 p. m.

( The Assembly resumed its sitting at 2 P. M. with Mr. Speaker in the Chair )

Mr. Speaker : Shri Ambarish Lahari— absent. Shri Prabin Kr. Choudhury.

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰী :— অধ্যক্ষ মহোদয় জয় জয়তে মই মুখ্য মন্ত্ৰী ডাঙৰীয়াক

ধন্যবাদ জ্ঞাপন কৰিছো যেহেতু তেখেতে সদনত ৰাহি বাজেট দাঙি ধৰিছে। আমি ভাবিছিলো সংসদতো কৰ লগাইছে আৰু আমাৰ ইয়াতো কৰ লগাব কিন্তু ইয়াত কৰ লগোৱা নাই। তাৰ বাবেও তেখেতক ধন্যবাদ দিছো। ইয়াৰ আগৰ বছৰ খেতি ভাল হৈছিল আৰু সেই বাবে ১৭ লাখ কুইণ্টল ধান সংগ্ৰহ হৈছিল। এইবাৰ বেচি ধান সংগ্ৰহ নহব কাৰণ খেতি বৰ ভাল হোৱা নাই। তথাপি ১২ লাখ কুইণ্টল ধান সংগ্ৰহ হল। মই বিশেষ ভাবে ক্ৰেডিট দিব খুজিছো গৃহ মন্ত্ৰীকহে কাৰণ বাহিৰলৈ ওলাই যোৱা ধান তেখেতে আৰক্ষী বাহিনীৰ দ্বাৰা বন্ধ কৰিছে। অৱশ্যে কিছুমান খেতিয়কক অত্যাচাৰ কৰিছে বুলি আপত্তি আহিছে কাৰণ প্ৰত্যেক বিভাগতে ব্লেকটিপ থাকে। আশাকৰো ভবিষ্যতে সেইবোৰত চকু দিব।

অধ্যক্ষ মহোদয় যোৱা বাৰ বানপানীত ধুবুৰী মাজুলী আৰু দক্ষিণ কামৰূপত ক্ষতি হল। দুঃখৰ বিষয় সকলোৱে ধুবুৰী আৰু মাজুলীৰ কথাহে কয় কিন্তু দক্ষিণ কামৰূপৰ কথা নকয়। দক্ষিণ কামৰূপৰ বানপানীত গোটেই অঞ্চল দুমাহ পানীৰ তলত থাকিল মই নিজে কলচী নদীৰ মুখ খুলি দিবলৈ মন্ত্ৰীক কলো কিন্তু খুলি নিদিলে। যেতিয়া স্বাস্থ্য মন্ত্ৰী শ্ৰীগিৰীন্দ্ৰ নাথ চৌধুৰী আৰু বিৰোধী সদস্যা শ্ৰীমতী ৰেণুকা দেবী বৰকটকীয়ে কলে তেতিয়া নদীৰ মুখ খুলি দিলে। মই কংগ্ৰেছী সদস্যই কোৱাত নকৰিলে কিন্তু মন্ত্ৰী আৰু বিৰোধী সদস্যই কোৱাতহে কৰিলে। এইটো পৰিতাপৰ কথা নহয় নে?

অধ্যক্ষ মহোদয় ১৯৬৭ চনতে এই কলচী নদীৰ মুখ বন্ধ কৰিছিল আৰু তাৰ ফলত মোৰ সমষ্টিত বানপানী হল। সেই বানপানীয়ে গড়কাপ্তানী দলং এখন উটাই নিলে। সেই নদীৰ মুখ বন্ধ নকৰা হলে হয়তো দলঙো নেভাঙিলেহেতেন আৰু উতপাদনো বেচি হলহেতেন। তাত এখন স্লুইচ গেট দিব লাগে।

মাননীয় অধ্যক্ষ মহোদয়, মই আমাৰ দক্ষিণ কামৰূপৰ কথাটি কব খুজিছো। আমাৰ কিছুমান শিক্ষকক ট্ৰেইনিং দিয়া

হয়। তাত যিটো দেখা গৈছে যে, এটা সমষ্টিৰ মানুহকেইহে ট্ৰেইনিঙলৈ পথাইছে। অন্য কোনো সমষ্টিৰ মানুহক তালৈ পথোৱা নাই। ভৱিষ্যতে যাতে অন্যান্য সমষ্টি বিলাকেও এই সুবিধা পায় তাৰ কাৰণে মই আমাৰ মাননীয় শিক্ষা মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছোঁ।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— কাৰ কথা কৈছে ?

শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰী :— আমাৰ শিক্ষা মন্ত্ৰীমহোদয়ৰ সমষ্টিৰ কথাকে কৈছোঁ। অধ্যক্ষ মহোদয়, ছয়গাওঁ সমষ্টিত ৰোহিণী চৌধুৰী হাইস্কুল বুলি এখন হাইস্কুল আছে। তাত মেনেজিং কমিটি গঠন কৰাহল। শিক্ষা বিভাগৰ ফালৰ পৰা এটা নিয়ম আছে যে, কোনো শিক্ষকেই মেনেজিং কমিটিৰ মেম্বাৰ হব নোৱাৰে। কিন্তু তাত দেখা গৈছে যে, স্কুলত কামকৰি থকা শিক্ষক এজনকে তাৰ মেনেজিং কমিটিত সোমোৱাই লোৱা হৈছে। সেই শিক্ষক জনে এজনী ছোৱালীৰ জীৱন নষ্টকৰি দিছে। এনে এজন মানুহকে চৰকাৰে 'নমিনেষন' দিয়াটো বৰ পৰিতাপৰ কথা।

অধ্যক্ষ মহোদয়, আৰু এটা কথা। সেই একেখন স্কুলতে এজন এচিষ্টেণ্ট হেড মাষ্টৰ লব লাগে। ইন্সপেক্টৰৰ পৰা হুকুম আহিল যে, এই বোৰ 'চিলেকচন' নোহোৱা পৰ্য্যন্ত তাত বৰ্ত্তমান কাম কৰি থকা জনেই তাত শিক্ষক হৈ থাকিব লাগে। কিন্তু কেইদিনমানৰ পিছত হুকুম গল যে, 'আন-চিলেক্টেড' মানুহ এজনকে তাত নিয়োগ কৰিব লাগে। যেতিয়াই এইটো হল তেতিয়া শিক্ষা অধিকৰ্ত্তাৰ ওচৰত আপিল কৰা হল। ডি, পি, আইয়েও হুকুম দিলে যে, চিলেক্টেড কেন্দীডেট নোহোৱালৈকে তেখেতেই থাকিব। কিন্তু বৰ আচৰিত কথা যে, সেই ফাইল মন্ত্ৰী মহোদয়ে লৈ আহিছে। শুনিবলৈ পোৱা মতে 'চিলেকচন' ইতিমধ্যেই হৈ গৈছে কিন্তু সেইটো এতিয়াও ঘোষণা কৰা হোৱা নাই। সংশ্লিষ্ট ফাইল মন্ত্ৰী মহোদয়ে লৈ আহিছে।

শ্ৰীহৰেন্দ্ৰ নাথ তালুকদাৰ (মঃ) :— অকল এই বিষয়ে মন্ত্ৰীক কলেই নহব লগে লগে নিয়ম বিলাকো জানি লব লাগে ।

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰী :— ইয়াৰ ৰিপ্লাই বোৰো তেখেতেই দিব । গতিকে এই বিলাক কথা যাতে হব নোৱাৰে তাৰ কাৰণে আমাৰ মাননীয় মূখ্যমন্ত্ৰীৰ ওচৰত দাঙি ধৰিছোঁ ।

তাৰোপৰি, এতিয়া অধ্যক্ষ মহোদয়, আমাৰ যিটো বান্ধ বন্ধা হৈছে তাত বহুতো গাওঁ বাহিৰত থৈ 'এলাইনমেণ্ট' কৰি বন্ধা হৈছে । তাত বিশ্বস্ত সূত্ৰে জনামতে এজন মানুহৰ ঘৰ ৰাখিবৰ কাৰণে এই 'এলাইনমেণ্ট' বেলেগে লৈ গল । আমাৰ দেশৰ মানুহৰ উন্নতি হব লাগে । কেৱল মাত্ৰ এটা ঘৰ ৰাখিবৰ কাৰণেই 'এলাইনমেণ্ট' বান্ধ কৰি দিয়াটো বৰ পৰিতাপৰ কথা । সেইকাৰণেই মই আমাৰ চৰকাৰক অনুৰোধ কৰিছোঁ এই এলাইনমেণ্টটো কি ধৰণে কৰিলে ভাল হব পাৰে সেই মতে কৰিব লাগে ।

তাৰ পিছত অধ্যক্ষ মহোদয়, মই অলপ গড়কাপ্তানী বিভাগৰ বিষয়ে কম । ১৯৭৩-৭৪ চনত এক, ডি, আৰত প্ৰায় চাৰি পাচ লাখমান টকাৰ কাম হল । কিন্তু তাৰ টকা পইছা থিকাদাৰ সকলে হলে আজিলৈকে পোৱা নাই । কাবুলিৰ পৰা ধাৰ কৰি কৰি সেই থিকাৰ কাম চলাইছে । কিন্তু সেই টকা আজিও নোপোৱাৰ ফলত শেষত কাবুলিৰ টকাৰ সূত বাঢ়ি বাঢ়ি গৈ থিকাত খটুউৱা টকাৰ মূলটোও নৰবগৈ । এই কথাটো আমাৰ মাননীয় মন্ত্ৰী মহোদয়ক কোৱা হৈছিল । তেতিয়া সেইমতে মন্ত্ৰী মহোদয়ে পাচ হাজাৰলৈকে যিমান পাৰি সোনকালে থিকাদাৰক টকা দিবলৈ কৈছিল । কিন্তু আজিলৈকে সেই টকাও দিয়া হোৱা নাই । টকা নহলে কাম কেনেকৈ কৰিব পাৰে । এই বিলাক কথা চিন্তা কৰি যিমান পাৰি সোনকালে এই বিলাক টকা পইছাৰ লেনদেন মাৰি দিবলৈ মই আমাৰ মন্ত্ৰী মহোদয়ক টানি অনুৰোধ জনাইছোঁ ।

অধ্যক্ষ মহোদয়, ২কোত গড়কাপ্তানী বিভাগৰ এজন 'চেকশ্বনেল

অফিচাৰ আছে । সেই লোকজনে এচ, ডি, অৰ তাত তেখেতৰ গাড়ীখন থওঁতে তেতিয়া এচ, ডি, অই কলে যে, আপুনি মোৰ তাত গাড়ী খন নেৰাখিব কিয়নো কেতিয়াবা বদনামত পৰিব লগীয়া হব। তেতিয়া সেই 'চেকশ্বনেল অফিচাৰ জনে কলে যে, মন্ত্রী হেনো তেওঁৰ হাতত আছে । অধ্যক্ষ মহোদয়, এই জন এনেকুৱা মানুহ যে, বকোৰ গড়কাপ্তানী বিভাগৰ অন্তৰ্গত উক্ত চাব্ ডিভিচনৰ হাহিম আৰু তাৰ আনুসঙ্গিক এটাৰ ৰাস্তাৰ নামত শ্ৰীদয়ানন্দ মজুমদাৰ নামৰ এজন লোকক কাম নোহোৱাকৈয়ে ১১ শ ৭২ টকাৰ এখন বিল পেমেণ্ট কৰি দিলে । এইটোৱেই হৈছে সেই এচ, অ জনৰ কথা । মন্ত্রী মহোদয়ক এইটো কলো। মন্ত্রী মহোদয়ে তেওঁক বদলিৰ আদেশ দিলে। ধেমাজীলৈ তেওঁক বদলি কৰা হল । ইতিমধ্যে আমাৰ বিভাগীয় মন্ত্রী মহোদয়, তেখেতৰ চিকিত্সাৰ কাৰণে বিলাতলৈ যাব লগা হোৱাৰ আচিলাতে এই লোকজনে তুমাহলৈকে তেখেতৰ 'চাৰ্জ' নিদিলে । এই ক্ষেত্রতে আমাৰ স্বাস্থ্য বিভাগৰ মন্ত্রীক ধন্যবাদ দিব-লগীয়া যে, বদলি কৰাৰ কাৰণে নোযোৱাকৈ থকাত তেখেতে এজনক 'চাছপেণ্ড' কৰিছিল । কিন্তু এই মানুহ জনে তুমাহৰ ফাকি দি দি তাতে থাকি গল ।

শ্ৰীমহম্মদ ইদ্রিছ (মঃ) ঃ— কিন্তু তুমাহৰ পিছত সেই মানুহ জনে চাৰ্জ দিলেনে নাই এই কথাটো বক্তাজনে জানেনে নেজানে ?

শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰী ঃ— হলেও তুমাহৰ পিছত 'চাৰ্জ' দিছে ।

যিটো চাব ডিভিজনৰ কাৰণে বদলি কৰা হৈছিল তাৰ কাৰণে এচ, ডি অই কৰিব পাৰে মন্ত্রী নালাগে । এওঁ লোকক কলে এই দৰে মন্তব্য দিয়ে যে মন্ত্রী আমাৰ পকেটত । সেই কাৰণে মই অনুৰোধ কৰো যাতে সেই মানুহ জনক সেই ঠাইৰ পৰা বদলি কৰি তুৰত দিয়া হয় । মহোদয়, মুখ্যমন্ত্রীৰ বাজেট বক্তৃতাত উল্লেখ কৰিছে যে বেঙ্ক বিলাক ৰাষ্ট্রীয়কৰণ কৰি আমাৰ দুখীয়া ৰাইজক উপৎাদন বঢ়োৱা কাৰণে কৰা হৈছে । বেংক ৰাষ্ট্রীয়কৰণৰ অন্যতম প্ৰধান লক্ষ্য আছিল

সমাজৰ অৰ্থনৈতিক ভাবে দুৰ্ব্বল লোকক উৎপাদনৰ উদ্দেশ্যে ঋণ দিয়াৰ ব্যৱস্থা কৰা। এই লক্ষ্যত উপনীত হোৱাৰ উদ্দেশ্য চৰকাৰে গাওঁ পঞ্চায়ত পৰ্য্যায়ৰ সমবায় সমিতি সমূহ বিভিন্ন বেংকৰ লগত সংযোগ কৰিছে আৰু এই সমিতি সমূহৰ জৰিয়তে ৰবি আৰু আগতীয়া আহুখেতিৰ কাৰণে ঋণ দিয়াৰ ব্যৱস্থাও হাতত লৈছে। এই ক্ষেত্ৰত মই কব খোজো যে মোৰ সমষ্টিতে তপমাৰি গাওঁ পঞ্চায়তৰ ৰাইজে বীজৰ কাৰণে ঋণ পাবলৈ আবেদন কৰিলে। আমাৰ চোচাইটি খনে তদন্ত কৰি দেৰশ মানুহক বিজৰ কাৰণে ঋণ পাব পাৰে বুলি কোৱাৰ পাচত প্ৰথমতে ৪০ টকা গায়েপতি দিব লাগে বুলি কৈ তাৰ পাচত ২০ টকাকৈ পৰিলে। সেই মৰ্ম্মে এচডিচিৰ পৰাও ৰিপোৰ্ট আহিল। কিন্তু সেই ঋণ এপেক্স বেংকে এতিয়ালৈকে দিয়া নাই। বিভাগীয় মন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰা হ'ল, কোৱা হ'ল যে আমাৰ ৩০ হাজাৰ টকা আছে তাৰ পৰা লোন দিব লাগে। তাৰ পৰা তেখেতে অৰডাৰ দিলে যে ১০ হেজাৰ টকা দিব লাগে। কিন্তু সেই ঋণ ৰাইজক এতিয়ালৈকে দিয়া হোৱা নাই। গতিকে দুখীয়া খেতিয়কক কি ঋণ আগবঢ়াইছে তাৰ এইটো এটা নমুনা। গতিকে মই কও যে উত্-পাদনৰ কাৰণে খেতিয়ক সকলে সময় মতে বীজ বা বিধান নাপায়। মহোদয়, এই কাৰণে খেতিয়কসকলৰ কি দুৰ্গতি হৈছে ইয়াৰ পৰা আপুনি অনুমান কৰিব নোৱাৰে। গতিকে এই ব্যৱস্থা বিলাক যাতে সময় মতে কৰা হয় তাৰ ব্যৱস্থা লব লাগে। মহোদয়, কিছুমানে কৈছে টোগলক বেয়া মানুহ আছিল, কিন্তু মই কও টোগলকে পাগলামি কৰি দিল্লীৰ পৰা ৰাজধানী অপসাৰণ কৰা নাছিল কিন্তু সভাসদ সকলৰ উপদ্ৰপতেই সেইটো কৰিব লগা হৈছিল। আমাৰ মূখ্যমন্ত্ৰীৰ অবস্থাও তদৰূপ। কিন্তু তেওঁ ভাল মানুহ বুলিয়েই চলি থাকিবলৈ সমৰ্থ হৈছে।

( ধ্বনী : হৈছে হৈছে ইলেকচনৰ কাৰণে টিকেট লাগে । )

মহোদয়, আমাৰ নিবনুৱা সমস্যা সমাধানৰ কাৰণে আমাৰ চৰকাৰৰ তৰফৰ পৰা বহুতো আচনি লৈছে। ডেকা নিবনুৱা সকল আত্মনিয়োগ কৰিবৰ কাৰণে হোলাৰ মিল দিছে। মোৰ সমষ্টিতেই

এজন শিক্ষিত নিবনুৱাক এটা হোলাৰ মিল দিছে। কিন্তু সেই হোলাৰ মিলটো চলালে ডেক্কা জনক দিনতেই উপদ্রপ কৰে গৈ। যদি এনে অবস্থাতেই কাম চলে তেনেহলে আমাৰ নিবনুৱা সমস্যানো কেনেকৈ পুৰণ হব। এই হোলাৰ মেচিন চলোৱাৰ পিচত অকল যে ধান বনা কামেই হৈছিল তেনে নহয় আমাৰ গৰু গাই বিলাকৰ খোৱাব বস্তুও যোগাৰ হৈছিল। কিন্তু আজি পুনৰ এই মিলটো নোহোৱাৰ কাৰণে নিবনুৱা সমস্যাটো উতকত হৈছে গৰুৰ দানাও নোহোৱা হৈছে। গতিকে গাওঁত যিসকল নিবনুৱা আছে তেওঁলোকক এনে এটা নীতিত বান্ধি দিব লাগে যে তেওঁলোকে নিৰ্ব্বিঘ্নে হোলাৰ মিল চলাব পাৰে।

মহোদয় বৰপেটাৰ উপনিৰ্ব্বাচনত মইও গৈছিলো। মই যাওতে এইটো কোৱা হৈছিল যে তাত ৰিগিং হৈছিল। কিন্তু মই যিটো জানিলো, সেই ঠাইত ৰিগিং হোৱাৰ কোনো প্ৰয়োজনেই নাছিল সেই ঠাইৰ মানুহ বিলাকে একমাত্ৰ কংগ্ৰেচকেই জানে। তেওঁলোকে কয় কংগ্ৰেছে বেয়া কৰিব পাৰে—কংগ্ৰেছেই আমাৰ ৰজা তেওঁলোকেই আমাক খুৱাইছে গতিকে তেওঁলোকে ভুল কৰিলে শুধৰাই লব লাগিব। গতিকে তাত ৰিগিং হোৱাৰ কোনো প্ৰযোজন নাছিল। গতিকে যি আলুগুটি চৰৰ কথা কৈছিলে সেই আলুগুটি চৰলৈকে মই গৈছিলো। বৰা ডাঙৰীয়াই এই আলুগুটি চৰৰ কথাত কৈছে যে তাত পুলিং বুথ নাছিল।

শ্ৰীসোনেশ্বৰ বৰা :—মই পুলিং বুথ থকা নথকাত জোৰ দিয়া নাই, আলুগু চৰত বানপানী হোৱাৰ পাচত তাত মানুহ বিলাকৰ বাসস্থান নাছিল। ভোট দিবলৈ যোৱা বিলাক বাক কংগ্ৰেছী আছিল কিন্তু লবলৈ যোৱা বিলাকো কংগ্ৰেছী আছিল নেকি ?

শ্ৰীপ্ৰবীন কুমাৰ চৌধুৰী :— মহোদয়, ভোট যিখিনি পাইছে সেই খিনি কংগ্ৰেছেই পাইছে। আগতে যেনিবা ফকৰুদ্দিন চাহাবে ৩১ হাজাৰত লিড কৰিছিল এইবাৰ যেনিবা ১৭ হাজাৰত লিড কৰিছিল। গতিকে বেলট পেপাৰ বাকচত ভৰোৱা কথাটো সত্য নহয়। আমাৰ কংগ্ৰেছে

যি ঠাইত ভোট নাই পোৱা অৰ্থাৎ কাগজত দিছে, সেইটো পাটাচাৰকুচিহে তাত কংগ্ৰেছৰ ভোট উঠাই নাই।

তাৰ পাচত মই মুখ্য মন্ত্ৰীক এটা অনুৰোধ কৰো যে মোৰ সমষ্টিত গড়কাপ্তানী বিভাগত যিবিলাক কাম হৈছে সেইবিলাক কাম স্থানীয় মানুহক দিয়া নাই । ইয়াৰ হয়তো এটা কাৰণ আছে যে বৰ্ত্তমান মোৰ সমষ্টিটো অনুসূচিত সম্প্ৰদায়ৰ সমষ্টি ভুক্ত হৈছে গতিকে হয়তো এইটোকেই ভাবিছে যে প্ৰবিন চৌধুৰী এতিয়া তাত নাই। গতিকে মানুহক কাম দিয়াৰো দৰ্কাৰ নাই কিন্তু সেইটো ঠিক নহব। মই যি দুবছৰলৈ আছো সেই সময় খিনিৰ ভিতৰত তাৰ স্থানীয় মানুহক কাম দিব লাগিব। এতিয়া তাৰ কাম পলাশবাৰীৰ পৰা ঠিকাদাৰ নি চলোৱা হৈছে কিন্তু সেইটো ঠিক নহব। মোৰ বোধৰে পলাশবাৰীত যদি ৰাস্তা হয় তাৰ স্থানীয় মানুহক দিব লাগে। সোনতুলিত যদি ৰাস্তা হয় তেতিয়া হলে সোনতুলিত দিব লাগে। আমাৰ স্থানীয় মানুহে মাটি কটাৰ কাম নকৰে। সেই বিলাক কাম ইমিগ্ৰেণ্ট সকলে কৰিব নাইবা বিহাৰৰ পৰা বনুৱা আহিহে কৰিব । বৰ্ত্তমান আমাৰ স্থানীয় লোক সকলে খাবলৈ নাপায় আৰু লাহে লাহে তেওঁলোকৰ অৱস্থা বেয়া হৈ যাব । যোৱা বছৰ মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ পৰা খাদ্য সামগ্ৰী আনি বচাবলে চেষ্টা কৰিছিল কিন্তু এনেকৈ ৰিলিফ দি মানুহক ৰক্ষা কৰিব নোৱাৰি । সেই কাৰণে যাতে তেওঁলোক কিছু স্বাবলম্বী হব পাৰে তাৰ বিষয়ে মুখ্যমন্ত্ৰীয়ে চিন্তা কৰিব বুলি আশা কৰিলো। আৰু এটা কথা কও আমাৰ মন্ত্ৰী সকলৰ বিৰোদ্ধে বহুতৰ পৰা বহুতৰ কথাই শুনো যিবিলাক কথা আমি শুনিবলৈ নিবিচাৰো । মুখ্য মন্ত্ৰীয়ে তদন্ত কৰি সত্যতাটো মানুহৰ আগত দাঙি ধৰিব লাগে। যদি সচাকৈয়ে দোষী হয় তাৰ উচিত ব্যৱস্থা লোৱা উচিত । যদি সেই অভিযোগ বিলাক সচাঁ নহয় তেতিয়া হলেও ৰাইজক জনাব লাগে।

শ্ৰীদুলাল চন্দ্ৰ বৰুৱা :— মহোদয় মই চৌধুৰী ডাঙৰীয়াৰ পৰা এটা স্পষ্টীকৰণ বিছাৰো যে তেখেতে যে নিৰ্ব্বাচন সংক্ৰান্তৰ কথা কৈছে। নিৰ্ব্বাচনৰ দিনা তেখেতে সেই চৰোৱা অঞ্চলটোত উপস্থিত আছিল নে ?

( উত্তৰ : নাই )

শ্ৰীপ্ৰমোদ চন্দ্ৰ গগৈ :— মাননীয় অধ্যক্ষ মহোদয়, ১৯৭৫-৭৬ চনৰ বাজেট উৎথাপন কৰি বিত্তমন্ত্ৰী ডাঙৰীয়াই যি ভাষণ দিলে, আৰু তাত ৰাজ্যখনৰ যিটো ছবি দাঙি ধৰিলে, তাত এহাতে যেনেকৈ অন্য বছৰৰ বাজেটত ঘাটি পোৱা নাই. আনহাতে এই বাজেটৰ যোগেদি ৰাজ্যখনৰ উন্নয়ন-মূলক কামৰ ফলাফলৰ আশাপ্ৰদ নহয়। অধ্যক্ষ ডাঙৰীয়া, বিত্ত মন্ত্ৰী মহোদয়ে বাজেট বক্তৃতাত ভালেখিনি কথা উল্লেখ কৰিছে। তাৰ ভিতৰতে আজি আমাৰ ৰাজ্যখনৰ বিশেষকৈ যিবিলাক নিত্য প্ৰয়োজনীয় বস্তুৰ দাম বাঢ়িছে. ভাৰতবৰ্ষৰ অন্যান্য প্ৰদেশৰ লগত তুলনা কৰি তেখেতে দেখুৱাবলৈ চেষ্টা কৰিছে অন্য প্ৰদেশৰ তুলনাত আমাৰ প্ৰদেশত যোৱা সময় চোৱাৰ খাদ্যবস্তুৰ দাম বৃদ্ধি কিছু পৰিমাণে কমিছে। অৱশ্যে আমি এই কথা চাব লাগিব যে, আজ আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক যিটো পৰিবেশ সেই পৰিবেশৰ পৰিবৰ্ত্তন কৰিব নোৱাৰিলে আমাৰ ৰাজ্য চৰকাৰেই হওক বা অন্যান্য উন্নয়নমূলক কামৰ ক্ষেত্ৰতেই হওক আৰ্থিক অৱস্থাৰ পৰিবৰ্ত্তন কৰাটো বৰ কঠিন হব। কাৰণ আমি এই কথা লক্ষ্য কৰিছো যে, আমাৰ যোৱা সময় চোৱাত আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক জীৱনত আৰু বিশেষকৈ উৎপাদনৰ ক্ষেত্ৰত যিটো গতি সেইটো মন্থৰ গতি। বিত্তমন্ত্ৰী মহোদয়ে বক্তৃতাত এই কথা উল্লেখ কৰিছে যে, যোৱা ২ বছৰ ধৰি আমাৰ ৰাজ্যখনৰ উতপাদন সন্তোষজনক। ১৯৭১ ৭২ চনৰ পৰা ১৯৭৩ ৭৪ চনলৈকে খাদ্য উৎপাদন কম বেছি ৰকমে বৈ গৈছে। আৰু এই খাদ্য উৎপাদন একেধৰণে থকাৰ যদিও প্ৰাকৃতিক দুৰ্যোগ এটা কাৰণ, কিন্তু আমাৰ ৰাজ্যখনৰ কৃষি ব্যৱস্থা আৰু কৃষিৰ ক্ষেত্ৰত উল্লেখযোগ্য পৰিবৰ্ত্তন আনিব নোৱাৰাৰ কাৰণে যোৱা বছৰে খাদ্যউৎপাদন কম বেছি পৰিমাণে একে ধৰণে বৈ গৈছে। কাৰণ ৰাজ্যপালৰ ভাষণত আমি এটা কথা লক্ষ্য কৰিছো যে, আৰু এইটো কথা স্বীকাৰ কৰা হৈছে যে, আমাৰ ৰাজ্যখনৰ ভূমিসংস্কাৰৰ ক্ষেত্ৰত যি কেইখন আইন কৰা হল সেই আইন কেইখন কাৰ্য্যকৰী কৰাত সন্তোষজনক হোৱা নাই। প্ৰজাস্বত্ব

আইন ১৯৭১ চনত পাচ কৰা হল আৰু ১৯৭৪ চনত চেপ্তেম্বৰ মাহত মাত্ৰ ১ লাখ ৪৭ হাজাৰ ১১৯ জন লোকৰ নাম তালিকা ভুক্ত কৰা হৈছে। এই সময় ছোৱাৰ ভিতৰত যিমান লোকৰ নাম ৰায়ত হিচাবে তালিকা ভুক্ত কৰা হৈছে। ইয়াৰ বাহিৰেও যিবিলাক চাহ বাগানৰ মালিক আৰু মাটিৰ মালিক তেওঁলোকে বলপূৰ্বক ভাবে উচ্ছেদ কৰিছে আৰু কৰিব। মহোদয়, ১৯৭৫ চনতে এই প্ৰজাস্বত্ব আইনৰ তালিকা ভুক্ত লোক সকলৰ কাম সম্পূৰ্ণ কৰাৰ কথা উল্লেখ কৰা হৈছে। কিন্তু এই কথা সন্দেহ হয় যে ১৯৭৫ চনৰ শেষ ভাগলৈকে যিবিলাক ৰায়তে বিভিন্ন মাটি, চাহ বাগানৰ মাটি আদি অধিকাৰ কৰি আছে সেই সকলৰ ভিতৰত বহুতো লোকক উচ্ছেদ কৰা হল। অসমত চিলিং আইন পাচ কৰা হল আৰু এই আইনৰ বলত ৩ লাখ ৫৪ হাজাৰ ৮৬৫ বিঘা মাটি চৰকাৰে অধিগ্ৰহন কৰিছে এতিয়ালৈকে ইয়াৰ কিমান মাটি বিতৰণ কৰা হ'ল? যি মাটি চৰকাৰে এই চিলিং আইনৰ জৰিয়তে নিজৰ হাতলৈ আনিছে, সেই মাটিখিনি যোৱা সময় চোৱাৰ ভিতৰত বিতৰণ কৰিব নোৱাৰা কোনো কাৰণ থাকিব নোৱাৰে। এতিয়ালৈকে চৰকাৰৰ হিচাবমতে ৩ লাখ ৫৪ হাজাৰ ৮৬৫ বিঘা মাটিৰ ভিতৰত মাত্ৰ ৩২ হাজাৰ ১২৫ বিঘা মাটি বণ্টন কৰা হৈছে।

অধ্যক্ষ মহোদয়, গতিকে ৰাজ্যখনৰ কৃষিউৎপাদনৰ ক্ষেত্ৰত, ভূমিসংস্কাৰৰ আইন বিলাক কাৰ্য্যকৰী কৰৰ ক্ষেত্ৰত যিখিনি তৎপৰতা অৱলম্বন কৰিব লাগিছিল সেইখিনি নোহোৱাৰ কাৰণে আমাৰ প্ৰদেশত খাদ্য উৎপাদনৰ অৱস্থা কম বেছি পৰিমানে একে হৈ থকাৰ অন্য এটা কাৰণ। বছৰে বছৰে আমাৰ প্ৰদেশত থকা অৱস্থাৰ পৰিবৰ্ত্তন কৰাৰ কাৰণে বিশেষকৈ আমাৰ ৰাজ্যখনৰ মুল অৰ্থনৈতিক ভিত্তিত কৃষি আৰু কৃষি ব্যৱস্থা পৰিবৰ্ত্তন কৰাৰ কাৰণে জলসিঞ্চন ব্যৱস্থা অতি ব্যাপক ভাৱে হোৱাতো নিতান্ত প্ৰয়োজন। কিন্তু এতিয়ালৈকে আমাৰ ৰাজ্যখনত কিমানবিলাক গাওঁত জলসিঞ্চনৰ ব্যস্থা কৰা হৈছে? অসম ৰাজ্যখনত ২৫ হাজাৰ গাওঁৰ ভিতৰত সভৰ ১/২ হাজাৰ গাৱঁতহে এতিয়া লৈকে জলসিঞ্চনৰ ব্যৱস্থা কৰিব পাৰিছে। আৰু সেই ব্যৱস্থা বিলাকো একে বাৰে সন্তোষজনক বুলি কব নোৱাৰি। কাৰণ এই কথা বহুত সময়ত

কোৱা হয় যে আজি অন্যান্য প্ৰদেশত যেনে পঞ্জাব, হাৰিয়ানা, অন্ধ্ৰ, মাদ্ৰাজ আদি প্ৰদেশত কৃষি উৎপাদন বৃদ্ধি কৰাৰ ক্ষেত্ৰত জলসিঞ্চন ব্যৱস্থাই এটা উল্লেখযোগ্য ভূমিকা পালন কৰিছিল । আৰু অহা সময়ছোৱাত সেই ভূমিকা পালন কৰিব । সেই ক্ষেত্ৰত এই ৰাজ্যখনত যিখিনি ব্যৱস্থা জলসিঞ্চনৰ ক্ষেত্ৰত লোৱা প্ৰয়োজন আছিল সেই ক্ষেত্ৰত চৰকাৰৰ বিফলতা নিতান্তই কঠোৰ সমালোচনাৰ যোগ্য। অৱশ্যে যোৱা বছৰ কিছু গাওত জলসিঞ্চনৰ ব্যস্থা নোহোৱা নহয়, আৰু এইবছৰ হয়তো আৰু ২। ৪ খন গাওঁৰ সংখ্যা বাঢ়িছে, সেইটো অস্বীকাৰ কৰিব নোৱাঁৰো । মই যোৱা গোটেই সময়চোৱাতে ৰাজ্যখনত যি পৰিমানে জলসিঞ্চনৰ ব্যৱস্থা সম্প্ৰসাৰিত কৰিব লাগিছিল বা কৰাব সম্ভৱনা আছিল তাক কৰেনে নাই সেইটো কথা চৰকাৰে বিবেচনা কৰি চাব লাগিব । কাৰণ এইটো পৰিবৰ্ত্তন কৰিব নোৱাৰিলে ৰাজ্যখনৰ কৃষিৰ ক্ষেত্ৰত উৎপাদন বঢ়াৰ ক্ষেত্ৰত মন্থৰ গতিয়েই থাকি যাব ।

মহোদয়, আমাৰ প্ৰদেশৰ সম্পদৰ কথা আলোচনা কৰা হৈছে। আমি জানো যে, আমাৰ ৰাজ্যত এনে কিছুমান মূল্যবান সম্পদ আছে, যিবিলাক সম্পদত আমি ভাৰতৰ ভিতৰতে সমৃদ্ধিশালী । সেই সেই সম্পদৰাজিৰ ওপৰত নিৰ্ভৰ কৰিয়েই আমি ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থা বিৰাট পৰিবৰ্ত্তন কৰা যে সম্ভৱপৰ হব সেই কথা সকলোৱে স্বীকাৰ কৰিব । আজি গোটেই ভাৰতবৰ্ষতে যিমান চাহপাত উৎপাদন হয়, তাৰ শতকৰা ৫২ ভাগ চাহপাতেই আমাৰ ৰাজ্যত হয় । ভাৰতত যিমান খাৰুৱা তেল উৎপাদন হয় তাৰ শতকৰা ৫০ ভাগ অসম ৰাজ্যতে হয় । আৰু গোটেই ভাৰতবৰ্ষত যিমান গেচ উৎপাদন হয় তাৰ ৫১ ভাগ আমাৰ ৰাজ্যতে হয় । গতিকে সেই সম্পদবিলাকৰ ফালৰ পৰা আমাৰ ৰাজ্যখন সমৃদ্ধিশালী । কিন্তু এই কথাও আমি দেখিবলৈ পাছে যে, যোৱা সময় ছোৱাৰ ভিতৰত আমাৰ ৰাজ্যখনৰ জনমুৰি আয় যি ভাৱে বাঢ়িব লাগিছিল সেইদৰে বঢ়া নাই । চৰকাৰী হিচাব মতে ১৯৫১—৫৪ চনৰ পৰা ১৯৬৯—৭২ চনৰ ভিতৰত ভাৰতবৰ্ষৰ জনমুৰি আয় বাঢ়িছে শতকৰা ১৩৹ । অসম ৰাজ্যত বাঢ়িছে

৫০ পইচা। ইয়াৰ কাৰণ হৈছে আমাৰ অৰ্থনৈতিক জীৱনৰ যি ভাবে ৰাজ্যখনৰ অৰ্থনৈতিক পৰিকল্পনা কৰিব লাগিছিল সেই পৰিকল্পনা আমাৰ ৰাজ্যখনে এতিয়ালৈকে লবপৰা নাই।

উপাধ্যক্ষ ডাঙৰীয়া. এই কথা লক্ষ্য ৰাখিব লাগিব যে আমাৰ ৰাজ্যখনৰ অৰ্থনৈতিক জীৱনৰ ক্ষেত্ৰত ভাৰতবৰ্ষৰ সাম্ৰাজ্যবাদী শক্তি বিলাকৰে প্ৰভাৱ যথেষ্ট। আজি অসম চাহ সম্পদত চহকী বুলি কোৱা হৈছে আৰু এতিয়া এই চাহ সম্পদৰ বাবে শতকৰা ৪০ ভাগেই বিদেশী পুজি। আমাৰ বনসম্পদ সমৃদ্ধিশালী বুলি দাবী কৰা। আৰু আমাৰ ৰাজ্যৰ বনসম্পদ, তেল সম্পদ, চাহ সম্পদৰ ওপৰত যি বিদেশী পুজিৰ প্ৰভাৱ পৰিছে সেইটো নাইকীয়া কৰা নিতান্ত প্ৰয়োজন। যোৱা বছৰ ৰাজ্যখনৰ উন্নয়নমূলক কামৰ ক্ষেত্ৰত অগ্ৰগতি সম্পৰ্কে বিত্তমন্ত্ৰী মহোদয়ে বক্তৃতাত উল্লেখ কৰিছে যে, যোৱা বছৰ অৰ্থাত চলিত বছৰৰ মাৰ্চলৈ উন্নয়নমূলক কামবিলাক কৰিবলৈ যোৱাত চৰকাৰে বাজেটত ১১ কোটি টকা লৈছে। এই উন্নয়নমূলক কামবিলাকত ৩ কোটি টকা কমাই দি এই ঘাটি পূৰণ কৰা হল। আনহাতে কৰ কাটল সংগ্ৰহ কৰি উন্নতি কৰা আৰু অপচয় বন্ধ কৰাটো সন্তোষজনক কথা। যদি বাজেটৰ ঘাটি পূৰাব বিচৰা হয়, ইয়াৰ ফলত দেশখনৰ বা ৰাজ্যখনৰ অৰ্থনৈতিক জীৱনত ভয়াবহ পৰিণতি আহি পৰাটো অতি স্বাভবিক। অহা বছৰৰ কাৰণে বাজেটত ঘাটি হোৱা নাই। এইটো বৰ সন্তোষৰ কথা। কিন্তু এটা কথা আমি লক্ষ্য কৰিব লাগিব যে, উন্নয়ন মূলক কামবিলাকৰ ক্ষেত্ৰত কি পৰিমাণে অগ্ৰগতি হোৱা সম্ভাৱনা আছে। আমাৰ উন্নয়নমূলক কামবিলাক স্থগিত ৰাখি বা সেই কাম বিলাক বন্ধ কৰি যদি আমাৰ ঘাটিবিলাক পূৰাব বিচাৰে তেনেহলে ৰাজ্যখনৰ অৰ্থনৈতিক জীৱনত এটা স্থিতাবস্থা অহাটো আৱশ্যক। মহোদয়, যোৱা বছৰ বানপানীৰ ফলত যি মথাউৰি নষ্ট হয়, সেই মথাউৰি বিলাক নিৰ্মাণ কৰোতে চৰকাৰে ১৯৭৩ চনতে কোৱাহৈছে যে তাৰ কাৰণে ৪ কোটি টকা লাগিব। ১৯৭৪ চনত যিবিলাক মথাউৰি ভাঙিল সেই মথাউৰি নষ্টহোৱাৰ ফলত জনসাধাৰণৰ বহুতো খেতি নষ্ট হল। এই বিলাক মেৰামতি কৰিবলৈ ১২ কোটি টকা লাগিব। অহা বছৰ বানপানীৰ

ফলত ৰাজ্যখনৰ আৰু বেছি ক্ষতি হোৱাটো অতি স্বাভাবিক কথা। ১৯৭৪ চনত অসমত বানপানী ধুবুৰি আৰু মাজুলিত হৈছিল কিন্তু এইবাৰ হয়তো আৰু বেছি ঠাইত বানপানী হব। গতিকে উন্নয়নমূলক কামবিলাক কৰিবলৈ হলে আমাৰ দেশত পৰিবৰ্ত্তনৰ দৰ্কাৰ হৈ পৰিছে।

উপাধ্যক্ষ মহোদয়, উন্নয়নমূলক কাম বিলাকৰ ক্ষেত্ৰত যদি এটা স্থিতাৱস্থা অনা হয় তেতিয়াহলেহে ৰাজ্যখনৰ অৰ্থনৈতিক অৱস্থাৰ লগতে ৰাজনৈতিক পৰিস্থিতিৰ যি এটা ভয়াবহ অৱস্থাৰ সৃষ্টি হৈছে সেই অৱস্থাৰ শাম কাটিব বুলি আশা কৰা যায়। উন্নয়ন মূলক কামৰ স্থিতাৱস্থা নহলে অৰ্থনৈতিক ভয়াবহ অৱস্থা সৃষ্টি হোৱাটো স্বাভাৱিক। যি পৰিমাণে ৰাজ্য চৰকাৰে উন্নয়নমূলক কামৰ কাৰণে স্থিতাৱস্থা অনাৰ ব্যৱস্থা কৰিব লাগিছিল সেই পৰিমাণে ব্যৱস্থা নকৰাৰ ফলতেই ৰাজ্য খনৰ যিবিলাক বিচ্ছিন্নকামী আন্দোলন আৰু বিভেদকামী আন্দোলন সেই আন্দোলন বিলাক শক্তিশালী হোৱাৰ লগতে তেনে আন্দোলন বিলাকে মূৰ দাঙি উঠিব পাৰিছে। বিশেষকৈ ৰাজ্য খনৰ শতকৰা পয়সত্তৰ ভাগ লোক দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আৰু সেই অৱস্থাত অৰ্থনৈতিক উন্নয়নমূলক কামবিলাকৰ স্থিতাৱস্থা ৰাখি কাম নকৰিলে অৱস্থা সচাকৈয়ে ভয়াবহ হব তাত সন্দেহ নাই। সেই কাৰণে ৰাজ্যচৰকাৰৰ ওচৰত অনুৰোধ কৰিব বিচাৰিছো যে উন্নয়নমূলক কাম কৰাৰ কাৰণে অধিকতৰ মনোযোগ আৰু পূজী নিয়োগ কৰা দৰকাৰ। আন এটা কথা হৈছে যে আমাৰ ৰাজ্যিক চৰকাৰে কৰ্ম্মচাৰী সকলক মৰগীয়া বানচ দিয়াৰ ক্ষেত্ৰত বাজেটত দুটা কথা পৰস্পৰ বিৰোধী বুলি দেখুৱাবৰ চেষ্টা কৰা হৈছে যে ৰাজ্যিক চৰকাৰী কৰ্ম্মচাৰীসকলৰ কথা বিবেচনা কৰিব নে জনসাধাৰণৰ কথাই বিবেচনা কৰিব ? এই কথা মনলৈ আহিলে এইটো কথাঠিক যে ৰাজ্যিক কৰ্ম্মচাৰী বুলিলে সেই লোক সকল জনসাধাৰণৰ মাজৰ পৰা আঁতৰি নাযায়। যি জনসাধাৰণৰ শতকৰা পয়সত্তৰ ভাগ লোক দাৰিদ্ৰতাৰ সীমাৰেখাৰ তলত আছে সেই সকলৰ ভিতৰতেই ৰাজ্যিক চৰকাৰী কৰ্ম্মচাৰী সকলো পৰে। যদিহে ৰাজ্যিক কৰ্ম্মচাৰী সকলক মৰগীয়া বানচ দিবলৈ ব্যৱস্থা নকৰে তেনেহলে

বজাৰত বস্তুৰ দাম বৃদ্ধি হোৱা হেতুকে মৰগীয়া বানচ দিব লগীয়া হল কাৰণেই বজাৰৰ বস্তুৰ দাম নিৰ্দ্ধাৰিত মূল্যত দিয়াৰ ব্যৱস্থা কৰিব লাগিব । অৱশ্যে এইটো কথা ঠিক যে ৰাজ্যিক চৰকাৰে মৰগীয়া বানচ নিদিয়াকৈ থাকিব নোৱাৰে বিয়েনা অন্যান্য ৰাজ্যিক চৰকাৰসমূহে যেতিয়া কেন্দ্ৰীয় চৰকাৰৰ আহিত সেই ৰাজ্যৰ কৰ্ম্মচাৰী-সমূহক মৰগীয়া বানচ দিব তেতিয়া আমাৰ ইয়াতো অসম ৰাজ্যিক চৰকাৰে কৰ্ম্মচাৰী সমূহক মৰগীয়া বানচ নিদিয়াকৈ থাকিব নোৱাৰিব । আন আন প্ৰদেশসমূহে সীমাবদ্ধতাৰ ভিতৰত থাকি মৰগীয়া বানচ দিয়াৰ কথা ঠিক কৰিছে বুলি বিত্তমন্ত্ৰী মহোদয়েও বাজেট বক্তৃতাত স্বীকাৰ কৰিছে । গতিকে অন্যান্য প্ৰদেশে যি অনুহাত মৰগীয়া বানচ দিব পাৰিছে সেই সময়ত আমাৰ ইয়াতো ৰাজ্যিক চৰকাৰী কৰ্ম্মচাৰী সকলক মৰগীয়া বানচ নিদিয়াতো সঠিক হব নোৱাৰে । সেই কাৰণে এই বিষয়টো পুনৰ বিবেচনা কৰি আৰু আগৰ যি নীতিৰ ভিত্তিত ৰাজ্যিক চৰকাৰে পে কমিচন কৰোঁতে যি কথা চিন্তা কৰিছিল সেই মতে কেন্দ্ৰীয় চৰকাৰৰ আহিত মৰগীয়া বানচ দিয়াৰ কথা চিন্তা কৰিব লাগে যদিও সাময়িক ভাৱে এই ব্যৱস্থা বন্ধ ৰাখিছে কিন্তু এই ব্যৱস্থা আজিয়েই হওক বা কালিলৈ হওক কৰাটো নিতান্ত উচিত হব ।

উপাধ্যক্ষ ডাঙৰীয়া সেই কাৰণে যাতে আমাৰ ইয়াত কোনো পৰিস্থিতিৰ সৃষ্টি হোৱাৰ আগতে ৰাজ্যিক চৰকাৰে সহানুভূতি সহকাৰে ৰাজ্যিক কৰ্ম্মচাৰী সকলক মৰগীয়া বানচ দিয়াৰ ব্যৱস্থা কৰে সেইটো আশা কৰিলোঁ ।

উপাধ্যক্ষ মহোদয় বিত্তমন্ত্ৰীৰ বাজেট বক্তৃতাত ৰাজ্যিক চৰকাৰে অপচয় বন্ধ কৰিবলৈ কৰা বিছুমান ব্যৱস্থাৰ কথা কৈছে । অপচয় বন্ধ কৰিবলৈ চেষ্টা কৰিছে এইটো সন্তোষৰ কথা কিন্তু আমাৰ ৰাজ্যিক চৰকাৰে ৰাজহুৱা ধনৰ অপচয় কিভাৱে কৰিছে সেই কথা এইবাৰৰ অডিট ৰিপোৰ্টৰ পৰা দেখুৱাই দিব খুজিছোঁ । সেই ৰিপোৰ্টৰ পৰা আমি গম পাইছো যে গোটেই ৰাজ্য খনতে

কেবাকোটিও টকা অপচয় হৈছে। অথচ প্ৰত্যেক বছৰেই এনেদৰে অডিত ৰিপোৰ্টত উল্লেখ কৰা কথা বাজেট বক্তৃতাত আলোচনা কৰা হয় কিন্তু এই অডিট ৰিপোৰ্ট মতে চৰকাৰৰ ফালৰ পৰা ব্যৱস্থা লোৱা হয় নে নহয় এইটো কথা নাজানো। ৰিপোৰ্টৰ ভিতৰৰ কেইটামান কথা মই উল্লেখ কৰিব খুজিছো। এই ৰিপোৰ্টত বান নিয়ন্ত্ৰণ বিভাগৰ সম্পৰ্কে বহুত কথাই দিয়া হৈছে তাৰ ভিতৰত উপাধ্যক্ষ মহোদয়,

Allotment and reallotment of work at the end of the working season or during the rainy season with unrealistic completion dates by different authorities indicate lack of proper planning. Compared with the rate of Rs. 8·50 per cubic metre allowed in March, 1971 reallotment of work at higher rates would result in extra expenditure of Rs. 8·70 lakhs.

শিৱসাগৰ ই-এণ্ড-ডি ডিভিজনৰ এইটো কথা উল্লেখ কৰিছে। এইটো শিৱসাগৰৰ মোৰ সমষ্টিতে পৰে। এইটো মথাউৰিৰ সংক্ৰান্তত অডিট ৰিপোৰ্টত উল্লেখ কৰিছে যে লাখ লাখ টকা সেই বিষয়া সকলৰ অদূৰদৰ্শিতাৰ কাৰণে অপচয় হল।

এই মথাউৰিৰ কাৰণে বান নিয়ন্ত্ৰণ বিভাগৰ কৰ্ম্মচাৰীৰ গাফিলতিৰ কাৰণে আৰু অদূৰদৰ্শিতাৰ কাৰণে আঠ লাখ সোতৰ হাজাৰ টকা খৰচ কৰা হৈছে। কিন্তু এই কামৰ কাৰণে যিবিলাক কৰ্ম্মচাৰী জগৰীয়া আছিল সেই সকলৰ বিৰুদ্ধে কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই। অডিট ৰিপোৰ্টত কৰ্ম্মচাৰী কেইজনক জগৰীয়া বুলি পোৱাৰ পিচতো কিবা ব্যৱস্থা ৰাজ্যিক চৰকাৰৰ ফালৰ পৰা ললেনে নাই আমি নাজানো। গতিকে মই দাবী কৰো যে যিবিলাক কৰ্ম্মচাৰী জগৰীয়া বুলি অডিট ৰিপোৰ্টত উল্লেখ কৰিছে সেই সংক্ৰান্তত অনুসন্ধান কৰি সেই সকলৰ বিৰুদ্ধে যথাযুক্ত ব্যৱস্থা লব লাগে।

উপাধ্যক্ষ মহোদয়, গুৱাহাটী ডেভলাপমেণ্ট অথৰিটিৰ মাটি কিনা সম্পৰ্কত ৰিপোৰ্টত ভালেমান কথা উল্লেখ কৰিছে আৰু দেখা যায় যে গুৱাহাটী ডেভলাপমেণ্ট অথৰিটিয়ে মাটি কিনা সংক্ৰান্তত যিমান খিনি টকাৰ অপচয় কৰিছে সেই অপচয়খিনি বন্ধ কৰাৰ কাৰণে ৰাজ্যিক চৰকাৰৰ সম্ভৱপৰ আছিল কিন্তু কিছুমান কিনা-বেচা কৰাৰ ক্ষেত্ৰত যিবিলাক আপত্তি কৰা হল সেই বিলাকৰ প্ৰতিয়ালৈ কোনো ব্যৱস্থা ৰাজ্যিক চৰকাৰে লোৱা নাই। তাৰ ভিতৰত এটা কেচৰ কথা মই অলপ পঢ়ি দিছো।

The authority paid Rs. O. 65 lakhs ( October 64 ) as advance to a party for the purchase of 51 bighas of land in Gauhati. The transfer of land scheduled to be completed by October, 1964 has not been completed so far ( July 74 ). In August 1972 the party intimated the authority that the advance paid had been forfeited owing to an alleged breach of agreement on the part of the Authority. The Authority stated ( August 1974 ) that the matter was under correspondence with the party.

গতিকে এনেকুৱা বহুতো দৃষ্টান্ত দিয়া হৈছে যিবিলাক গুৱাহাটী ডেভলাপমেণ্ট অথৰিটিয়ে মাটি কিনিবলৈ যাওঁতে লাখ লাখ টকা অপচয় কৰিছে। কিন্তু কেচবোৰ তদন্ত আৰু ইয়াৰ কাৰণে যিবিলাক কৰ্মচাৰী জগৰীয়া সেই বিলাকক উপযুক্ত ব্যৱস্থা লোৱা দৰকাৰ। মই আৰু এটা কথা কব বিচাৰিছোঁ যে শিক্ষাৰ ক্ষেত্ৰত যিবিলাক আশুৱাহ আমি পাবলিকেচন বৰ্ড সম্পৰ্কে দেখা পাইছোঁ আৰু সেই সম্পৰ্কে উদাহৰণ দিবলৈ গৈ ৰিপৰ্টৰ ১৫৯ পেজত উল্লেখ কৰিছে।

Publication Board—Other topics of interest printing of 15 books was entrusted to a Firm at Calcutta during

1962-65 without calling tenders. Of these, 5 books have not been printed and the manuscripts are stated to have been lost by the Firm. The advance of Rs. 0·22 lakhs paid for these 5 books is still to be recovered from the Firm.

আৰু ইয়াৰ সংক্ৰান্তত বৰ্ডে বৰ্ত্তমাণ পাবলিকেচন বৰ্ডৰ যি জন সম্পাদক তেতিয়া আছিল, তেওঁকেই এই বৰ্ডে নিয়োগ কৰা কমিটিয়ে এই বৰ্ডৰ প্ৰাক্তন সম্পাদক জনক এই বিলাক কথাৰ কাৰণে জগৰীয়া কৰিছে । কিন্তু আজিলৈকে এই কথা আমি নেজানো যে সেই প্ৰাক্তন সম্পাদক জনৰ ওপৰত ৰাজ্যিক চৰকাৰে কিবা ব্যৱস্থা হাতত লৈছে । যদিও বাস্তবিকাকতত শুনা পোৱা মতে বৰ্ডে তেওঁৰ ওপৰত ব্যৱস্থা লব বুলি কৈছে । কিন্তু আজিলৈকে নীতিগত কোনো ব্যৱস্থা লোৱা নহল । তেওঁ এজন নিৰ্ব্বাচিত সদস্য হব পাৰে । কিন্তু যদি চৰকাৰী কৰ্মচাৰী হৈ ৰাজহুৱা ধনৰ অপচয় কৰে সেইজন ৰাজনৈতিক কৰ্ম্মচাৰী হলেও তেওঁৰ ওপৰত শাস্তি মূলক ব্যৱস্থা লোৱাটো ৰাজ্যিক চৰকাৰৰ নিতান্ত উচিত আছিল । আৰু মই সেইজনৰ ওপৰত ৰাজ্যিক চৰকাৰে তত্‌কালীন ব্যৱস্থা লোৱাটো বিচাৰোঁ । উপাধ্যক্ষ মহোদয়, এনেকুৱা বহুতো দৃষ্টান্ত আছে, যোৱা বছৰ অডিত ৰিপৰ্টত আমি দেখাপোৱা মতে তাতে যিখিনি কথা উল্লেখ আছে সেইখিনি এইদৰে

"The amount under observation for want of vouchers and payees' receipts is Rs 34,21. 94 Lakhs. In the absence of the vouchers and payees' receipts it has not been possible for audit to satisfy itself about the correctness and authenticity of the expenditures"

গতিকে এইবিলাকৰ সম্পৰ্কত যদিও আমি বাজেট বক্তৃতাত

অডিট ৰিপৰ্টৰ সম্পৰ্কে আলোচনা কৰিছোঁ। আৰু আশা কৰিছোঁ যাতে ৰাজ্যিক চৰকাৰে এই বিলাকৰ ওপৰত কাৰ্য্যকৰী ব্যৱস্থা গ্ৰহণ কৰিব। কিন্তু আজিলৈকে যিবিলাক বিভাগ বা কৰ্ম্মচাৰীক জগৰীয়া কৰা হৈছে ৰাজ্যিক চৰকাৰে তেওঁলোকৰ ওপৰত কিবা শাস্তি মূলক ব্যৱস্থা লোৱা হৈছে এই কথা জনা নেযায়। এইবাৰ আমি দাবী কৰিছোঁ যে ভৱিষ্যতে যদি এনেকুৱা ৰাজহুৱা ধনৰ অপচয় কৰাৰ কাৰণে যিবিলাকক জগৰীয়া কৰা হয়, তেওঁলোকৰ ওপৰত চৰকাৰৰ পক্ষৰ পৰা শাস্তি মূলক ব্যৱস্থা লোৱা হওক। উপাধ্যক্ষ মহোদয়, কালি বাজেটৰ ওপৰত বক্তৃতা দিবলৈ যাওঁতে মাননীয় সদস্য সোনেশ্বৰ বৰাই আমাৰ পাৰ্টিৰ সম্পৰ্কে এটা কথা কৈছিল। তেখেত কৈছিল যে কমিউনিষ্ট পাৰ্টিয়ে ধান সংগ্ৰহ নীতি সমৰ্থন কৰিছে। কিন্তু গোলাঘাটৰ গাওঁ পঞ্চায়তত যিবিলাক কমিউনিষ্ট পাৰ্টিৰ সদস্য আছে বা কাউন্সিলাৰ আছে সেই বিলাকত ধান সংগ্ৰহ হোৱা নাই। যদি এইটোত মই প্ৰতিবাদ নকৰোঁ তেন্তে কোনোবাই ভাবিব পাৰে যে কমিউনিষ্ট পাৰ্টিয়ে দুমুখীয়া নীতি গ্ৰহণ কৰিছে। কিন্তু আমাৰ পক্ষৰ পৰা মই কব বিচাৰোঁ যে অসমত বহুত বিলাক সমবায় আছে যিবিলাকৰ সভাপতি কমিউনিষ্ট পাৰ্টিৰ সদস্য। সেই সকলো বিলাকৰ হিচাব অৱশ্যে মোৰ মনত নাই। কিন্তু এইটো কব পাৰো যে শিৱসাগৰত যি কেইজন আমাৰ পাৰ্টিৰ সদস্য আছে তেওঁলোকৰ ধান সংগ্ৰহৰ হিচাব নিতান্ত বেয়া নহয়। আৰু বিশেষকৈ উত্তৰ লক্ষীমপুৰ জনত আমাৰ পাৰ্টিৰ বহুতো সদস্য আছে। তেওঁলোকৰ বিশেষকৈ মিং মাং গাওঁ পঞ্চায়তৰ ফালৰ পৰা পঁচিচ হেজাৰ কুইণ্টেল ধান সংগ্ৰহ কৰা হৈছে। অৱশ্যে মাননীয় বৰা ডাঙৰীয়াক মই ব্যক্তিগত ভাবে কোনো দোষ নিদিওঁ। কাৰণ পৃথিবীৰ ইতিহাসত যিবিলাক চচিয়েলিষ্ট পাৰ্টি আছিল আৰু এই এতিয়াও যিবিলাক চচিয়েলিষ্ট পাৰ্টি আছে তেওঁলোকে কমিউনিষ্ট পাৰ্টিক আক্ৰমণ কৰাটো অস্বাভাবিক নহয়। এইটো এটা ব্যতিক্ৰম নহয়। মই ইতিহাসৰ কথা কৈ বক্তব্য দীঘলীয়া নকৰোঁ। উপাধ্যক্ষ মহোদয়, যেতিয়া জাৰ্মেনিত হিতলাৰ ক্ষমতালৈ আহিছিল তেতিয়া জাৰ্মেনিত দুটা পাৰ্টি আছিল।

এটা চচিয়েলিষ্ট আৰু আনটো কমিউনিষ্ট পার্টি। হিতলাৰে মূল আক্ৰমণৰ লক্ষ স্থিৰ কৰিলে যে কমিউনিষ্ট পার্টি আৰু চচিয়েলিষ্ট পার্টিয় হিতলাৰৰ লগত সহযোগ কৰিলে। কিন্তু হিতলাৰ যেতিয়া ক্ষমতালৈ আহিল তেতিয়া কমিউনিষ্ট সকলক জেল আদি দিয়াৰহে ব্যৱস্থা কৰিলে। কিন্তু তাৰ পিছত দেখা গল চচিয়েলিষ্ট পার্টিৰ লোক সকলকো জেলত দিবলৈ ধৰিলে। তেওঁলোকে পুনৰ নিজৰ বিৰোধে, এসময়ত কমিউনিষ্ট পার্টিৰ বিৰোধে হিতলাৰৰ লগত পক্ষ লৈছিল ৰাজনৈতিক পৰিবৰ্ত্তনৰ পিচত যুদ্ধৰ সময়ত, হিটলাৰৰ লগত যিবিলাক কমিউনিষ্ট বাচি থাকিল সেই বিলাকেও আন্দোলনত যোগ দিব লগীয়া হল। আজি ভাৰতবৰ্ষৰ বাৰ্তাৰ কাকতত দেখিছো জনসংঘই কৈছে যে মূল শত্ৰু হৈছে কংগ্ৰেছ আৰু কমিউনিষ্ট পার্টিৰ ঐক্য। সেইটো মোহন ধাৰীয়াইও কৈছিল তাৰ কাৰণে মন্ত্ৰী সভাৰ পৰা বাদ পৰিব লগীয়া হল। এইটো শ্লোগান দিছিল কাৰণেই তেওঁ বাদ পৰিল। কিন্তু এইটো কথা মই কমিউনিষ্ট পার্টিৰ ফালৰ পৰা স্পষ্ট ভাৱে কব খুজিছো যে তেখেতসকলে ভাবিছে যে জয়প্ৰকাশ নাৰায়ণ এদিন ক্ষমতালৈ আহিব আৰু তেতিয়া সমাজতন্ত্ৰ প্ৰতিষ্ঠা হব। কিন্তু মই ভবিষ্যতবাণী কৰিব নোৱাৰো তেখেত আহিব নে নাহে, অৱশ্যে এইটো কথাও ঠিক যে অহাৰ সম্ভাৱনাও কম। যদিও ক্ষমতাত আহে তেতিয়া জয়প্ৰকাশ নাৰায়ণক অৱলম্বন কৰি ভাৰতবৰ্ষত যিবিলাক শক্তিয়ে ক্ষমতা লাভ কৰিব সেইবিলাকে ভাৰতবৰ্ষত সমাজতন্ত্ৰবাদ প্ৰতিষ্ঠা কৰিব নোৱাৰিব, প্ৰকৃত গণতন্ত্ৰবাদ থাকিবলৈ নিদিব।

উপাধ্যক্ষ মহোদয়, এইবাৰৰ ব্লিটৰ্জ পেপাৰত লিখিছে, তেখেতে লিখিছে যে হিষ্টৰি ওৱাৰ্ণচ জৱহৰলাল নেহৰু, এণ্ড, ইণ্ডিয়া ওৱাৰ্ণচ ইন্দিৰা। তেখেতে জৱহৰলাল নেহৰুৰ উপলব্ধিৰ কথাও লিখিছিল আৰু তেখেতে তাত কৈছিল যে ঃ

"History warns India, Nehru warns Indira......

"Although the period of Hitlar was so-called

socialist, it is nothing to do with socialism Hitlar was the sole upholder of socialism. But his party was anti-communist, anti-socialist and opposed to Trade Unions."

গতিকে ভাৰতত জয়প্ৰকাশ নাৰায়ণৰ জাতীয় আন্দোলনৰ ওপৰত ঐতিহ্য আছে সেইটো অস্বীকাৰ নকৰো। কিন্তু আজি যি সকলে কামউনিষ্ট পাৰ্টিক আক্ৰমণ কৰে বা সমালোচনা কৰে তেওঁ- লোকক এই প্ৰশ্ন মই কৰিব বিচাৰো যে ভাৰতত সমাজতন্ত্ৰৰ পথত আগবাঢ়িবলৈ হলে যি বিলাক সামাজিক শক্তি তেওঁলোকক ভাগ দিব লাগিব। আজি গোটেই ভাৰতত সামন্তবাদৰ প্ৰভাৱ নাইকিয়া কৰিবৰ কাৰণে, একচেটীয়া পুজিপতিৰ ক্ষমতা নাইকিয়া কৰিবৰ কাৰণে জয় প্ৰকাশ নাৰায়ণে যদি নেতৃত্ব লয় সেই আন্দোলনক সমৰ্থন কৰিব, আমিও সমৰ্থন কৰিম। কিন্তু ভাৰতত যি বিলাক শক্তিয়ে এটা এটাকৈ দুৰ্নীতি কৰি অনাটনৰ সৃষ্টি কৰিছে সেই শক্তি বিলাকৰ বিৰোদ্ধে আন্দোলনে ব্যৱস্থা লৈছে নে নাই এই কথা মাননীয় সদস্য সকলে বিবেচনা কৰি চাব। আজি এটা কথা বলুতে কয় যে অসমখন ভাৰতৰ উপনিবেশ। তথ্য পাতিৰ পৰা দেখা যায় এই কথাটো সচা যে ভাৰতৰ অন্যান্য প্ৰদেশৰ তুলনাত অসম ৰাজ্যই অৰ্থনৈতিক অগ্ৰগতিৰ ক্ষেত্ৰত যিমান পৰিমাণে বৰঙণি পাব লাগিছিল সেইখিনি ক্ষেত্ৰত বহু- খিনি গাফিলতি আছে। এই কথাৰ লগত দ্বিমত হয়তো কাৰো নাই। যদি কও যে অসমখন ভাৰতৰ কলনি হল তেতিয়া স্বাভাবিকতে তাত পলিটিকেল সিদ্ধান্ত হব যে অসমখন ভাৰতৰ পৰা বিচিন্ন হোৱাটো। আজি ভাৰতবৰ্ষত যিবিলাক একচেটীয়া পুজিপতিয়ে আমাৰ প্ৰদেশখন অৰ্থনৈতিক অগ্ৰগতিৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰি আছে, যি বিলাকে আমাৰ দেশৰ অৰ্থনীতি নিয়ন্ত্ৰন কৰে সেই একচেটীয়া পুজিপতি নাইকিয়া কৰাৰ মাজেদিহে আমাৰ প্ৰদেশৰ অৰ্থনৈতিক অগ্ৰগতি আগবাঢ় যোৱাটো সম্ভৱপৰ। কৰকাটল সম্প্ৰসাৰণৰ ক্ষেত্ৰত মই এটা কথা উল্লখ কৰিব বিচাৰিছো যে ৰাজ কমিটিৰ পৰামৰ্শ যি বিলাক কৰ কাটল লগোৱা সম্পুৰ্কত দিছিল সেই বিলাক কেন্দ্ৰীয় চৰকাৰে গ্ৰহন কৰিব লাগিছিল

আৰু সেই ভাবে কৃষিৰ ওপৰত নতুন ভাবে কৰ নিদ্ধাৰণ কৰা দৰ্কাৰ। মই আগতে ভূমিসংস্কাৰ আইন কাৰ্য্যকৰী কৰা সম্পৰ্কত আগতে কৈছো। ইয়াৰ লগতে আৰু এটা কথা উল্লেখ কৰিব বিচাৰো যে আমাৰ এই ৰাজ্যিক চৰকাৰৰ বিভিন্ন মন্ত্ৰী সকলৰ ওপৰত বিভিন্ন সময়ত অভিযোগ বিলাক উত্থাপিত হয়—আজি মাননীয় সদস্য শ্ৰীপ্ৰবীণ কুমাৰ চৌধুৰীয়ে নাম কোৱা নাই কোনোবা এজন মন্ত্ৰীৰ বিৰোদ্ধে অভিযোগ উত্থাপন কৰিছে এই সদনত। সেই কাৰণে ৰাজ্যপালৰ ভাষণৰ বিতৰ্কৰ সময়ত মই চৰকাৰক অনুৰোধ কৰিছিলো যে অসম ৰাজ্যৰ যি বিলাক মন্ত্ৰীৰ বিৰোদ্ধে অভিযোগ উত্থাপিত হৈছে, দুৰ্নীতিৰ অভিযোগ উঠিছে সেই অভিযোগ বিলাকৰ তদন্ত হোৱাৰো নিতান্ত দৰকাৰ। পশ্চিমবঙ্গ চৰকাৰে যেনেকৈ ৱাঞ্চু কমিচন নিয়োগ কৰিছিল মন্ত্ৰীৰ উত্থাপিত অভিযোগ তদন্ত কৰিবৰ কাৰণে অসম চৰকাৰেও তেনেকুৱা এটা কমিচন নিয়োগ কৰাটো নিতান্ত দৰকাৰ। সেই কমিচনৰ হাতত যি বিলাক মন্ত্ৰীৰ বিৰোদ্ধে অভিযোগ উঠিছে সেই অভিযোগ বিলাক তদন্ত কৰাৰ কাৰণে তেনেকুৱা এটা কমিচন গঠন কৰি সেই কমিচনক দায়িত্ব দিব লাগে, এই দুৰ্নীতিৰ অভিযোগ বিলাক যদি খণ্ডন কৰা নহয় তেনেহলে তাৰ ফলত ৰাজ্যখনৰ স্বাভাৱিকতে ৰাজনৈতিক জীৱন উন্নত হোৱাটো দূৰত থাওক প্ৰশাসনীয় ব্যৱস্থা উন্নত কৰাটো সম্ভাপৰ নহয়। কাৰণ যি বিলাক মন্ত্ৰীক দুৰ্নীতিপৰায়ণ বুলি ৰাইজে কয়, যিবিলাক দুৰ্নীতি পৰায়ণ বুলি কৰ্ম্মচাৰী বিলাকে সন্দেহ কৰে সেই মন্ত্ৰী বিলাকৰ তলত প্ৰশাসন কেতিয়াও ভাল হব নোৱাৰে। সেই কাৰণে মুখ্যমন্ত্ৰী ডাঙৰীয়াক এই কথাটো পুনৰ অনুৰোধ কৰিছো যিহেতু তেনেকুৱা ব্যৱস্থা কেন্দ্ৰীয় চৰকাৰে কৰিছে, বহুবিলাক ৰাজ্য চৰকাৰে কৰিছে অসম চৰকাৰেও তেনেকুৱা কমিচন এটা নিয়োগ কৰি মন্ত্ৰীৰ বিৰোদ্ধে যি বিলাক দুৰ্নীতিৰ অভিযোগ উঠিছে সেই দুৰ্নীতি বিলাক তদন্ত কৰিব লাগে আৰু এই অভিযোগ বিলাক সম্পৰ্কত এটা সোনকালে নিস্পত্তি কৰাৰ কাৰণে মই দাবী কৰি সামৰণি মাৰিলো।

শ্ৰীক্ষিৰোদ শইকীয়া :— মাননীয় উপাধ্যক্ষ মহোদয়, বিত্তমন্ত্ৰী ডাঙৰীয়াই ১৯৭৫-৭৬ চনৰ কাৰণে যি খন বাজেট দাঙি ধৰিছে অতি যত্ন সহকাৰে

ভাক পঢ়ি চাইছো। বিত্তমন্ত্ৰীয়ে ৰাহি বাজেট দাঙি ধৰাত সুখী হোৱা নাই। এটা কাৰণত সুখী হৈছো নিৰ্ভীক ভাবে, নিঃসংকোচ ভাবে আমাৰ ৰাজ্যৰ দোষ ত্ৰুটিবোৰ দাঙি ধৰাৰ কাৰণে। এই কাৰণেই সুখী হব পৰা নাই যে এখন অনগ্ৰসৰ ৰাজ্যত উন্নয়ন মূলক কাম দেখাৰ আছে তাত এখন ৰাহি বাজেট কেনেকৈ হব পাৰে? অৰ্থনৈতিক দিশৰ পৰা আৰু সকলো ফালৰ পৰা চিন্তা কৰি চাইছো মই, হয়তো ভালদৰে বিশ্লেষন কৰিব পৰা নাই। অৰ্থনৈতিক দিশৰ পৰা এই ৰাহি হোৱাটো বাঞ্ছনীয় নহয়। সেই কাৰণে কৈছো ৰাহি বাজেটত মই সুখী হব পৰা নাই। কিন্তু বিত্তমন্ত্ৰীয়ে অতি চতুৰ অভিনয় কৌশলেৰে আমাৰ বাজেট দাঙি ধৰিছে। হৰিণ পহুৰ চালেৰে নাহৰ ফুটুকী বাঘক ঢাকি দিয়া হৈছে। সময় আহিব, যি সময়ত সেই চাল বাগৰি যাব। ( The Leopard cannot change its spots ) ওপৰে ওপৰে চাই গলে কোনো কৰ লগোৱা নাই. ৰাইজৰ ওপৰত হেচা নপৰে! কিন্তু মই দেখিছো কৰ নলগোৱাকৈ কৰ লগোৱা হৈছে। পৰিবহনৰ ভাড়া বাঢ়িব। ডিব্ৰুগড়ৰ পৰা গুৱাহাটীলৈ আহোতে বেচি টকা দিব লাগিব। বিজুলী শক্তিত ১১ কোটি টকা কৰ বাজেটত লগোৱাত আপত্তি নাই। কৰ নলগালে ৰাজ্যখনে সম্পদ পাব ক'ৰ পৰা? আমি দুখীয়া মানুহৰ পৰা ৬০ টকা মোনত ধান সংগ্ৰহ কৰিছো। তাৰ কাৰণে ৰাজ্যিক চৰকাৰৰ কটকটিয়া বান্ধোন আছে। তাতো মোৰ আক্ষেপ নাথাকিলেহেতেন যদিহে ধনী খেতিয়ক সকলৰ পৰা বাধ্যতামূলক ভাবে ধান সংগ্ৰহ কৰিব পাৰিলেহেতেন। দুখীয়া ৰাইজলৈ চাই বিত্তমন্ত্ৰীয়ে ইয়াৰ ব্যৱস্থা কৰিব। তেখেতে আৱৰ্তণিতে মূল্যসূচীৰ কথা কৈছে। মই কৈছো অতি চতুৰ ভাবে বিত্তমন্ত্ৰীয়ে দাঙি ধৰিছে। ১৯৭৩ চনৰ মূল্য সূচী ৩২ ভাগৰ পৰা নামি ২৭ ভাগ হল। ১৯৭৪ চনৰ অক্টোবৰ মাহৰ পৰা মাৰ্চৰ ২৭ তাৰিখলৈ ২৭ ভাগৰ পৰা ২২ ভাগলৈ গৈছে। কেন্দ্ৰীয় বিত্তমন্ত্ৰীয়েও কৈছে অক্টোবৰৰ পৰা মাৰ্চলৈ ৫.৪ ভাগ কমি গৈছে। আমাৰ দেশত অৰ্থনৈতিক অস্থিৰতা আহিছে। আমাৰ ইয়াত তললৈ নমা নাই ওপৰলৈ উঠা নাই 'বেচেচন' অৱস্থাত আছে। আমাৰ অনগ্ৰসৰ ৰাজ্য খন যদি উন্নতিৰ পথত আগবঢ়াই নিবলৈ হলে কিছুমান সম্পদ আহৰণ কৰিব লাগিব। পৰিবহনত

আমি গম নোপোৱাকৈ ভাৰত ৰাখি কৰ লৈছে, বিজুলীত লগাইছে; লগোৱাত আপত্তি নাই। আমাৰ জলসিঞ্চন, কৃষি আদি আছে। এই বিলাকত বিজুলী শক্তিৰ প্ৰয়োগৰ কথা আহিব। আমাৰ ৰাজ্যিক চৰকাৰে অপৰিশোধিত তেলৰ বাবত বিক্ৰি কৰ পায় মাত্ৰ তিনি কোটি টকা। বাৰাউনীলৈ লৈ যোৱা তেলত ৰেচোতে পায় বছৰি পাচ কোটি টকা আৰু পৰিবহন 'কষ্ট' হব দুই কোটি টকা। গতিকে তিনি কোটিৰ ওপৰিও সাত কোটি টকা অসমে বিক্ৰিকৰ হিচাবে পোৱাৰ স্থল আছে। আমাৰ যি বিলাক গেচ উৎপাদন হৈছে সেই বিলাক অবাবত নষ্ট হৈ আছে। ১৯৭৪ চনত ৰাচিয়াৰ অভিজ্ঞ আহি কৈছে আমাৰ গেচ অবাবত গুচ গৈছে। জাপানী সকলেও কৈছে গেচ অবাবত নষ্ট হৈছে। আমি আঠশ কোটি 'কিউবিকমিটাৰ' অবাবত নষ্ট কৰিলোৱেই। তাৰ মূল্য ২৫ কোটি টকা হব। আমি ১৫ কোটি টকা পুৰিছো। অতি সামান্য হিচাবেও ধৰিলে অৰ্থাৎ ৮৮ পইচাকৈ প্ৰতি কিউবিক মিটাৰত বছৰি ৭০ লাখ কিউবিক মিটাৰত বছৰি ২ কোটি টকা যাব। এই কথাটোৰ প্ৰতি বিত্তমন্ত্ৰী মহোদয়ে সুক্ষ্ম ভাবে বিচাৰ কৰি চাব।

আন এটা কথা কব বিচাৰিছো আৰব দেশত তেলৰ চাহিদা বা দাম পাচ গুণ বাঢ়িছে। গতিকে কেন্দ্ৰীয় চৰকাৰে পাচ গুণ তেলৰ দাম দিব লাগিব। ৪·৫ মিলিয়ন টন উৎপন্ন হয় আৰু তাৰ মূল্য ৮শ কোটি টকা বিদেশী মুদ্ৰা বছৰি আহে। গতিকে আমাৰ ইয়ালৈ বেচি টকা অহাৰ কথা চিন্তা কৰিব লাগিব। কৃষিত অধিক জোৰ দিয়াত মই সুখী হৈছো। আমাৰ কৃষি প্ৰধান দেশত কৃষিত জোৰ নিদিয়াৰ কাৰণে আমাৰ আজি আৰ্থিক দুৰবস্থা। আমি কৃষিত ভাল ব্যৱস্থা কৰিব পৰা নাই। বীজ দিব পৰা নাই। দৈনিক জন-ভূমিত পাইছো আলুৰ বীজ মোনত ১৩৫ টকা। উচ্চ উৎপাদন ক্ষম বীজ অধিক উৎপাদনৰ বাবে সংৰক্ষণ কৰিব পৰা নাই। আমাৰ যি বিলাক বীজ পাম আছে সেই বিলাক কাৰ্য্যক্ষম হৈ উঠা নাই। সেই কাৰণে অন্তত: প্ৰত্যেক জিলাত এখোন বীজ পাম কৰিলে আমি ৰাইজক বীজ দিব পাৰিম। জলসিঞ্চনৰ ক্ষেত্ৰত ১৯৭৪-৭৫ চনত চাৰি কোটি

টকা দেখুওৱা হৈছে আৰু ১৯৭৫-৭৬ চনৰ কাৰণে নকোটি টকা দেখুওৱা হৈছে। আমি যদি জলসিঞ্চনৰ ভাল ব্যৱস্থা কৰিব পাৰো নিশ্চয় ভাল ফল পাম। বাননিয়ন্ত্ৰণৰ ক্ষেত্ৰত মোৰ অলপ কব লগীয়া আছে। ইয়াত দেখুৱাইছে বৰপেটা, ধুবুৰী, মাজুলী অঞ্চল বানত বিধ্বস্ত হৈছে। ইয়াত মোৰ অকনো আক্ষেপ কৰিব লগীয়া নাই। এটা কথা বৈ গৈছে; শদিয়া অঞ্চলৰ কথা উল্লেখ কৰা নাই। শদীয়াৰ কুণ্ডিল নগৰ নাই, কৰ মানুহ কলৈ গল কোনেও কব নোৱাৰে।

গতিকে এইটো ভাবি লব পাৰো নেকি যে শদিয়াত একো হোৱা নাই। এই ধৰণে সকলো কথা অনুধাৱন নকৰিলে ৰাইজৰ মাজত বিচিন্ন মনোভাব অহাৰ আশংকা আছে। আজি ইমান বছৰে চিএৰি থকা ব্ৰহ্মপুত্ৰ বান নিয়ন্ত্ৰণ হৈ উঠা নাই। ৰাজ্যিক চৰকাৰৰ ব্ৰহ্মপুত্ৰ নিয়ন্ত্ৰণ কৰাৰ কোনো আচনি নাই আৰু সম্ভৱপৰ নহয়। আমি এতিয়া তুধোৰ মুধোৰ অবস্থাত আছো ৰাজ্য খন কোনে পথে যাব? আমাৰ সকলো ফালৰ পৰা বান আহিছে ৰাইজে কি কৰিব কলৈ যাব কি কৰিব? অসম চৰকাৰে প্ৰায় বিশ কোটি টকাৰ আচনি কৰাত মই স্বাগতম জনাইছো বাননিয়ন্ত্ৰণ মন্ত্ৰীক।

শিক্ষা বিষয়ত দুই এটা কথা নকলে কথা আধৰুৱা হৈ ৰব বুলি মই ভাবো। যোৱা বছৰ শিক্ষা বিভাগত বহু লোকক সংস্থান দিছে।

২০ লাখ টকা ১২ শ খন স্কুলৰ ঘৰ বান্ধিবৰ বাবে ব্যৱস্থা কৰা হৈছিল। সাধাৰণতে এইটো কথা দেখা যায় যে প্ৰায়বিলাক স্কুল গাৱঁত অৱস্থিত; শেষত আমি এতিয়া গাৱঁলৈ উভতি যাবলৈ বিচাৰিছো। সেই কাৰণে মই এই প্ৰসঙ্গতে আমাৰ শিক্ষা মন্ত্ৰী মহোদয়ক মোৰ আন্তৰিক ওলগ জনাইছো।

উপাধ্যক্ষ মহোদয়, আজি বস্তুৰ চৰা দাম হৈছে এই কথা বিত্ত মন্ত্ৰীয়ে স্বীকাৰ কৰিছে। আমি ভাবিছিলো আমাৰ বিত্ত মন্ত্ৰীয়ে এখন তুলনামুলক ছবি দাঙি ধৰিব। কিন্তু তেনে এখন ছবি

আমি নাপালো। যোৱা বছৰত দাইলৰ দাম শতকৰা ৮৮ ভাগ বৃদ্ধি পাইছে আৰু মাছৰ দাম শতকৰা ৪৩ ভাগলৈ বৃদ্ধি পালে।

যদি যি কোনো উপায়েৰে আমাৰ ৰাজ্য খনৰ মানুহবোৰৰ জীৱন ধাৰণৰ মানদণ্ড উন্নত কৰিব পৰা নাযায় আৰু এই ধৰণেৰে দাম বঢ়াত প্ৰতিৰোধ নকৰে তেন্তে এনে এটা সময় আমালৈ আহিব যিটো সময়ত আমি নিঃ চিন্ন হৈ যাম।

উপাধ্যক্ষ মহোদয়, মই অতি সংক্ষেপে কব বিচাৰিছো যে আমাৰ অৰ্থনৈতিক দিশটো আজি আমি চালি জাৰি চাবৰ সময় আহিছে। আমাৰ পৰামৰ্শ খিনিয়ে যদি আমাৰ বিত্তমন্ত্ৰীক কিবা প্ৰকাৰে কিছু-পৰিমাণে সহায় কৰে তেন্তে আমি সুখী হম। এই খিনি কৈয়েই মই বহিছো।

শ্ৰীনুৰুল ইচলাম:— মাননীয় উপাধ্যক্ষ মহোদয়, আজি পোন প্ৰথমতে মই আমাৰ মুখ্য মন্ত্ৰী মহোদয়ক মোৰ আন্তৰিক অভিনন্দন জনাইছো এই কাৰণেই যে বৰ্ত্তমান দেশৰ যি পৰিস্থিতি সেই পৰিস্থিতিৰ মাজতো তেখেতে সদনত এখন ৰাহি বাজেট দাঙি ধৰিছে। বাজেট সম্বন্ধে যোৱা কেইদিনত বহু ধৰণৰ আলোচনা, সমালোচনা হৈছে, তাৰ ভিতৰত এটা অতি লাগতিয়াল কথা বিৰোধী দলৰ মাননীয় সদস্য সকলে দাঙি ধৰিছে সেইটো হল এই যে আমাৰ চৰকাৰৰ দ্বাৰা ঘোষিত নীতি—দৰিদ্ৰতা—দূৰীকৰণ চৰকাৰে কাৰ্য্যকৰী কৰিব পৰা নাই। মই পোন প্ৰথমতে সেই সম্বন্ধে দুআষাৰমান কব খুজিছো। আজি এই দেশৰ অৰ্থনীতি নিৰ্ভৰ কৰিছে এই দেশৰ খেতি আৰু খেতিৰ ওপৰত। কৃষিৰ উন্নতি কৰিবলৈ যাওঁতে প্ৰথমতে দৃষ্টি দিয়া হৈছিল যি সকল খেতিয়ক আছে সেই সকলৰ ওপৰত। যদি খেতিয়কক প্ৰজা স্বত্ব অধিকাৰ দিয়া নাযায় আৰু জমিৰ ওপৰত মালিকানা স্বত্ব দিয়া নাযায়, তেতিয়া হলে আমি কৃষিৰ উন্নতি কৰিব নোৱাৰিম। চৰকাৰে সংবিধান সংশোধন কৰি মধ্য চৰ্ত্ত লোপ কৰিলে, জমিৰ মালিকানা চত্ত লোপ কৰিলে। এইদৰে মধ্যচত্ত আৰু মালিকানা স্বত্ত লোপ

কৰি যি জমি পালে সেই জমিৰ ওপৰত প্ৰজাক প্ৰজা স্বত্ত অধিকাৰ দিলে । তাৰ পিচতো দেখা গল কৃষিৰউন্নতি সাধন নহয় । তাৰ পিচত আকৌ সংবিধান সংশোধন কৰি চিলিং আইন আনিলে । এই চিলিং আইনৰ দ্বাৰা ভূমিহীন খেতিয়কক জমি দি কৃষিৰ উন্নতি কৰিবলৈ বিচৰা হল । ১৯৫৬ চনতে এই চিলিং আইন আনিলে আৰু ইয়াৰ জড়িয়তে বহু জমি খেতিয়ক বিলাকক দিলে । ইয়াৰ আগতে মাননীয় সদস্য গগৈ ডাঙৰীয়াই কৈছিল যে যিমান জমি পালে তাৰে মাত্ৰ ৩২ হেজাৰ ১২৫ বিঘা মাটি দিয়া হল । কিন্তু কিমান খেতিয়কক দিয়া হল সেই কথা তেখেতে নকলে । আৰু বাকী মাটি খিনি কি কাৰণে খেতিয়কক দিব পৰা নহল সেই কথাও তেখেতে নকলে । বাকী মাটি খিনিত যি সকল খেতিয়ক আগৰ পৰা বহি আছিল সেই সকল খেতিয়কক দিয়াৰ বাবে জোৰা কৰা হৈছে । এই চিলিং আইনেও ভূমিহীন মানুহক মাটি দিব নোৱাৰিলে । তাৰ পিচত ১৯৭২ চনত আকৌ সেই চিলিং আইন সংশোধন কৰি মাটিৰ সীমা প্ৰতি পৰিয়ালে ৭৫ বিঘা ৰাখিব পৰা আইন নিৰ্দ্ধাৰণ কৰিলে । এইটো কৰাৰ দুবছৰৰ পিচত আকৌ প্ৰতিটো পৰিয়ালক ৫০ বিঘা মাটি ৰাখিব পৰা ব্যৱস্থা কৰিলে । কিন্তু সেইটো আজিও কাৰ্য্যতঃ কাৰ্য্যকৰী হোৱা নাই । আইন কৰাৰ লগে লগে কাৰ্য্যকৰী কৰাত বহুত সুবিধা আৰু অসুবিধা আহি আহি পৰে । এই কথা তেখেত সকলে জানে আৰু লগতে এইটো কথাও জানে যে খেতিয়কৰ উন্নতিৰ কাৰণে সকলোবোৰ আইন চৰকাৰে কৰিছে । ভূমিহীন খেতিয়কক মাটি দিয়াৰ কাৰণে চৰকাৰে কৃষি নিগম আইন পাছ কৰিলে আৰু সেইটো বাস্তৱত ৰূপ দিয়াৰ কাৰণে চৰকাৰে চেষ্টা কৰি আছে । ১৯৭৪ চনত চৰলেণ্ডৰ মাটি পত্তন দিয়াৰ কাৰণে কমিটি গঠণ কৰি দিছিল আৰু লগতে লেণ্ড ইউজাৰচ কমিটি গঠণ কৰি প্ৰতি চাব ডিভিজনত দিছিল যাৰ জড়িয়তে চেটেলমেন্ট দি নিয়মীয়াকৈ জমি দিয়াৰ ব্যৱস্থা কৰিব পৰা হব । জমি এলটমেন্টৰ বাবে এখন কমিটি গঠণ কৰাৰ কাম আমি হাতত লৈছো । বিৰোধী দলৰ সদস্য সকলে প্ৰশাসনীয় দুৰবস্থাৰ কথা কৈছে । কিন্তু এইটো কথা ঠিক যে আমি

যিবিলাক নীতি কৰিছো সেইবিলাক একোটা উদ্দেশ্যমূলক ভাবে কৰা হৈছে । এই খিনিতে এটা প্ৰশ্ন উঠে যে আমাৰ দেশৰ দৰিদ্ৰতা দূৰ কৰাৰ কাৰণে আমাৰ বিৰোধী দলৰ সদস্য সকলে কিমান বৰঙণি আগবঢ়াইছে ? এইটো ভাবি চোৱাৰ সময় আজি আমাৰ আহিছে। কংগ্ৰেছ চৰকাৰে আজি দেশত এটা অৰ্থনৈতিক বিপ্লৱ আনিব বিচাৰিছে । ৰাজনৈতিক স্বাধীনতাৰ ৩০ বছৰৰ পিচত মহাত্মা গান্ধীৰ কথা ভাবি চালে বুজিব পাৰি যে সেই দিনা দেশৰ ৰাজনৈতিক স্বাধীনতাৰ কাৰণে মহাত্মা গান্ধীৰ এটা কথাত আমাৰ আত্মীয় প্ৰিয়জন সকলক বৃটিচৰ বুলেটৰ আগত আগবঢ়াই দিব পাৰিছিলো । কিন্তু আজি আমাৰ জাতীয় উন্নতিৰ কাৰণে, অৰ্থনৈতিক স্বাধীনতাৰ আৰু মুক্তিৰ কাৰণে জাতীয় চৰকাৰে আইন কৰি দিয়া স্বত্বেও কিয় আমি তাক সমৰ্থন কৰিব পৰা নাই ? কিয় তাৰ প্ৰতি আমি সহায় আৰু সহযোগীতা আগ বঢ়াব পৰা নাই ? উপাধ্যক্ষ ডাঙৰীয়া আমি আজি জাতীয় চৰিত্ৰ হেৰুৱাইছো ।

মাননীয় উপাধ্যক্ষ মহোদয়, আজি আমাৰ ৰাজ্যখনৰ শতকৰা ৭০ ভাগ মানুহেই খেতিৰ ওপৰত নিৰ্ভৰ-শীল । যোৱা বছৰ আমাৰ ৰাজ্যত যিটো বানপানী হৈ গল এনেকুৱা ধৰণৰ বানপানী অসমত আগেয়ে আমি কেতিয়াও দেখা নাই । একে Season ত বহু বাৰ বানপানী আহিছিল, এই বানপানীৰ ফলত খেতিবাতিৰ যি বিস্তৰ ক্ষতিসাধন হল সি বৰ্ণনাৰো অতীত তাৰোপৰি মানুহৰ অবৰ্ণনীয় দুৰ-বস্থাৰ কথা নকলেও হব, তেনে অৱস্থাত চৰকাৰৰ তৰফৰ পৰা এই নিপীড়িত জনতাক সহায়-সহযোগ আগবঢ়োৱা হৈছে, অকল সেয়ে নহয় মাননীয় মুখ্য মন্ত্ৰী মহোদয়ৰ প্ৰচেষ্টাত অসমৰ বাহিৰৰ ৰাজ্যৰ পৰাও প্ৰায় ৪০ লাখ টকা আনি এই প্ৰপিড়ীত জনতাৰ মাজত বিতৰণ কৰি দিছিল কিন্তু আজি মানুহৰ অভাৱ-অভিযোগৰ জানো সীমা আছে ? সেই সীমা কেতিয়াও পূৰণ কৰিব নোৱাৰি । গতিকে আৱশ্যক অনুযায়ী যিমান সাহাৰ্য্য আগবঢ়াব লাগিছিল সিমান হয়তো পৰা নাই কিন্তু সেইবুলি বিৰোধী দলে কোৱাৰ দৰে আমাৰ চৰকাৰে

জনসাধাৰণৰ বিৰুদ্ধে কাম কৰি আহিছে সেইটো সত্য নহয়।

উপাধ্যক্ষ মহোদয়, আজি বস্তু-বাহানীৰ দাম বৃদ্ধি হোৱাৰ সম্পৰ্কত যিবিলাক কথাৰ অৱতাৰণা কৰা হৈছে তাৰোপৰি বস্তুৰ নাটনি হোৱা বুলি কৈছে, এইটো অৱশ্যে সাধাৰণ কথা কিয়নো আজি 'ডেভেলাপিং' 'কানট্ৰিত' এনে এটা অৱস্থা হোৱাটো স্বাভাৱিক কিন্তু এইটো যাতে অতিমাত্ৰা নহয় তাৰ বাবে যত্ন পৰ হব লাগে। বস্তু-বাহানীৰ দাম বা নাটনি হোৱাৰ আন এটা প্ৰধান কাৰণ হল আজি যি হিচাবে জনসংখ্যা বাঢ়িছে সেই হিচাবে বস্তু বাহিনীৰ পৰিমান বা উতপাদন বঢ়া নাই। ১৯৪৭ চনত যিটো জনসংখ্যা আছিল আজি সেই হিচাবে জনসংখ্যা প্ৰায় দুগুন বাঢ়িছে কিন্তু আনহাতেদি উত্‌পাদন সেই অনুপাতে বঢ়া নাই বৰঞ্চ কম হৈছে বুলিলেও বঢ়াই কোৱা নহব। জনসংখ্যা আজি বাঢ়িছে জ্যামিট্ৰিকেল প্ৰোপোৰচনত। কিন্তু বস্তু-বাহিনীৰ উত্‌পাদন বাঢ়িছে 'এৰিঠমেট্ৰিকেল প্ৰোপোৰচনত'। গতিকেই আমাৰ ৰাজ্যখন বা দেশখনত বস্তু-বাহানীৰ দাম বৃদ্ধি হৈছে আৰু অনাটন হৈছে। এই অনাটন বা হয়-বস্তুৰ মূল্য বৃদ্ধি কেৱল অসম বা ভাৰতবৰ্ষতেই বৃদ্ধি হোৱা নাই গোটেই পৃথিবীতেই এনে ধৰণৰ মূল্য বৃদ্ধি আৰু অনাটন হৈছে. বিশেষকৈ এচিয়ান কানট্ৰিত এনেধৰণৰ বৃদ্ধি বেচিকৈ হৈছে তাৰোপৰি লেটিন আমেৰিকা দক্ষিন আফ্ৰিকাতো এনে ধৰণৰ বৃদ্ধি নোহোৱা নহয়। গতিকে কেৱল সমালোচনা কৰিব লাগে কাৰণেই আৰু পেপাৰত নাম উঠিব লাগে কাৰণেই যে সমালোচনা কৰি চিঞৰ বাখৰ কৰিব লাগে সেইটো নহয় কাৰন ই কেৱল চৰকাৰৰ প্ৰতি অন্যায় কৰাই নহয় দেশৰ বা সমাজৰ প্ৰতি, অন্যায় কৰা হব। দেশ আৰু জাতিৰ কাৰণে আমিয়ে অকল ভাবিব যে লাগে সেইটো নহয়, ই সকলোৰে কলেকটিভ ৰেচপ্ৰনচিবিলিটি"। আৰু এটা কথা হল এই যে যিবিলাক আচঁনি লোৱা হৈছে বিশেষকৈ অধিক উত্‌পাদন বৃদ্ধি বা বয়-বস্তুৰ মূল্য বৃদ্ধি ৰোধ কৰিবলৈ, তাত কোনো ঠাইত ত্ৰুতি-বিচ্চুতি থাকিবও পাৰে কিন্তু সেই বুলিয়েই এনেবিলাক কথাৰ ওপৰতেই আলোচনা কৰি তাৰ প্ৰকৃত পৰামৰ্শ আগনবঢ়াই সমালোচনা কৰি একো লাভ নাই।

উপাধ্যক্ষ মহোদয়, বিৰোধি পক্ষ্যৰ সদস্য সকল অধৰ্য্য হৈ গৈছে। এডমি-নিচট্ৰেটিভ ৰিফোৰ্ম বৰ্ত্তমান অৱস্থাত এটা আৱশ্যকীয় বস্তু হৈ পৰিছে, ই বৰ্ত্তমান অৱস্থাত অতিব প্ৰয়োজন হৈ পৰিছে। ১৯৪৭ চনত আমাৰ যিটো জনসংখ্যা আছিল সেই জনসংখ্যাৰ পৰিমান আজি দুগুনতকৈ বেচি হল আৰু সেই সময়ত যিমান বিলাক সমস্যা আছিল আজি সেই সমস্যা ১০ গুন বাঢ়িছে, উন্নয়নৰ কাম হাতত লোৱাৰ লগে লগে সমস্যাৰ পৰিমানও বাঢ়ি গৈছে। গতিকে এনে ক্ষেত্ৰত ৰাজ্যখন নতুনকৈ 'ৰিঅৰগেনাইজ' কৰাটো প্ৰয়োজন হৈ পৰিছে। এডমিনিষ্ট্ৰেটিভ ৰিফোৰ্মৰ কথা কবলৈ যাওঁতে মাননীয় বহুকেইজন সদস্যই বহু কথাই কৈ গৈছে, মই এটা পৰিস্কাৰ কথা কব বিচাৰিছোঁ৷ এজন ইংৰাজী লেখকে কৈছিল—

—Poverty deprives men of all virtues ; An empty bag can not stand erect-

আজি আমাৰ যিবিলাক কৰ্ম্মচাৰী আছে তেখেত সকলৰ বাহিৰেও আমাৰ ৰাজ্য খনত ৭০ ভাগ মানুহ দৰীদ্ৰ সীমা ৰেখাৰ তলত আছে, আজি যদি আমি অৰ্থনৈতিক বিপ্লব কাৰ্য্যকৰী বা কৃতকাৰ্য্য কৰি তুলিব খোজো তেতিয়াহলে আমাৰ যিবিলাক কৰ্ম্মচাৰী বা Soldiers, আছে তেওঁলোকৰ 'ইলফেড' কৰি ৰখাতো ঠিক নহব। গতিকে মই ভাবো এনে ক্ষেত্ৰত তেখেত সকলে যিখিনি পাবলগীয়া আছে সেই খিনি যদি আমি দিব পাৰো আৰু তাৰ পাচত আমাৰ পৰিকল্পনা কাৰ্য্যকৰী কৰি তুলিব পাৰো তেতিয়াহলে সেই দৰীদ্ৰ সীমা ৰেখাৰ তলৰ পৰা আমি তেওঁলোককও উঠাই আনিব পাৰিম।

তাৰ পিছত আৰু এটা লাগতিয়াল কথা চিন্তা কৰিবলগীয়া সেইটো হ'ল আমি ইকোনমিক বেকওৱাৰ্দৰ নামত কিয় ৩।৪ টা কৰপোৰেশ্যন কৰিব লাগে, কিয়নো আজি আমাৰ ৰাজ্যত ইকোনমিক বেকওৱাৰ্ড কেৱল অ,বি,চি, চিডোল কাষ্ট বা চিডোল ট্ৰাইবেলৰ মাজতেই সীমাবদ্ধ নহয় ইয়াৰ বাহিৰেও আৰু আন আন বহুতো আছে যি সকল 'ইকনমিকেলি বেকওৱাৰ্ড। গতিকে এই দৰিদ্ৰতা

দুৰীকৰণৰ কাৰণে যি কৰপোৰেশ্যন কৰাৰ কথা ভবা হৈছে সেইমতে তাৰ খন 'কৰপোৰেশ্যনৰ' কথা বাদ দি ১খন কৰপোৰেশ্যন কৰিব লাগে তাত কেৱল দুটা ক্লাচ থাকিব লাগে এটা হ'ল developing people আৰু আনটো হ'ল developed people এই দুটা গোট কৰি 'কৰপোৰেশ্যন' কৰিলে ভাল হব।

আজি কৃষিৰ উন্নতিৰ কাৰণে কেৱল লেণ্ড ৰিফোৰ্ম পলিচি কৰিলেই নহব মই ভাবো অসমৰ মাটিত কিমান পৰিমানৰ খেতিত খেতি কৰিব পাৰি কিমান বানপানীয়ে ক্ষতি সাধন কৰে তাৰ এটা সমীক্ষা বাহিৰ কৰিব লাগে। হিচাব অনুসৰি দেখা যায় যে আমাৰ অসমৰ মাটিত ২ লাখ ৯৩ হাজাৰ হেক্টৰ মাটিত ৰেগুলাৰ ফ্লাদ নহয় আৰু বানপানীৰ তলত নাথাকে, ইয়াৰে ৭২ হাজাৰ হেক্টৰ মাটি কোনো বছৰত বানপানীত ডুবে আৰু কোনো বছৰত নুডুবে আৰু প্ৰায় ৭০ হাজাৰ হেক্টৰ মাটিহে বানপানীৰ উপদ্ৰপৰ পৰা ৰক্ষা নপৰে। গতিকে এই অংশত যদি বছৰত ৩ টা খেতি কৰিবপৰা নাযায় আৰু এগ্ৰোবেচদ ইন্ডাষ্ট্ৰি গঢ়ি তুলি উৎবৃত্ত কৃষি বনুৱাক নিয়োজিত কৰিব পৰা নাযায় তেতিয়াহলে কৃষি বিষয়ত আগবঢ়াটো টান হব।

ৰাজ্যখনৰ বান প্ৰপিড়ীত নোহোৱাকৈ যি বিলাক মাটি আছে সেই মাটি বিলাকত যাতে বছেৰেকত তিনিটাকৈ খেতি কৰিব পাৰে তাৰ কাৰণে বিশেষ ধৰণৰ কৃষি আইন কৰি সকলো প্ৰকাৰৰ সা-সজুলি, বীজ, সাৰ আদি যোগান দিয়াৰ ব্যৱস্থা কৰিব লাগে। অৱশ্যে শুনি বৰ সুখ পাইছোঁ যে, এই লাইনতে বৰ্ত্তমান আমাৰ চৰকাৰৰ চিন্তাধাৰা আৰম্ভ হৈছে।

এইবাৰ আমাৰ ৰাজ্যখনত ঘেহুঁ খেতি বেছ ভাল হৈছে। কিন্তু এই ঘেহুঁ খেতি কৰাৰ ক্ষেত্ৰতো কিছুমান বাস্তৱ অসুবিধা আছে। সেই অসুবিধা বিলাক দূৰীভূত কৰিবৰ কাৰণে বিশেষ ভাৱে ব্যৱস্থা কৰিব লাগিব। অকল চৰকাৰী চাকৰিয়াল সকলক দোষাৰোপ কৰিলেই নহব। মই নিজেও এই ঘেহুঁ খেতিৰ লগত ওতঃ প্ৰোত ভাৱে জড়িত থাকি কিছুমান অভিজ্ঞতা লাভ কৰিছোঁ। সেই অভিজ্ঞতাৰ

পৰাইছে মই কৈছোঁ। খেতিয়কৰ শতকৰা ৬০ ভাগ মানুহে ঋণ নলও বুলি আৰু চৰকাৰে দিয়া কিছুমান সুবিধা নলও বুলি কয়। ঋণ নললেও তাত কোনো বাধা নাই। যিবিলাকে কৃষি ঋণ লৈ খেতি আৰম্ভ কৰে সেই ঋণৰ সুবিধা বিলাক ভোগ কৰে ঋণ নোলোৱা জনেহে। তাৰোপৰি, যিসকল চৰকাৰী কৰ্মচাৰী এই বিষয়ত 'ফিল্ডত থাকে সেই সকলক চৰকাৰে কোনো বিশেষ ধৰণৰ ক্ষমতা দিয়া নাই। যিসকল মানুহে ধাৰ লয়, সেই সকলে সময়ত বীজ নেপায়, সময়ত পানীৰ যোগান নেপায়, সময়ত সা-সজুলি আদিৰ যোগান নেপায় আদি নানান সমস্যাৰ সন্মুখীন হব লগা হয়। কিন্তু যি সকলে ধাৰ নলয় সেইসকলে কৃষিৰ যাৱতীয় সকলো বিলাক সুবিধাই সময়ত ভোগ কৰিবলৈ পায়। যদি এনেকুৱাই হৈ থাকে তেতিয়াহলে, আমাৰ দেশত উন্নত ধৰণৰ খেতি কৰাত এক ডাঙৰ বাধাৰ সৃষ্টি হব।

মাননীয় উপাধ্যক্ষ মহোদয়, দৰিদ্ৰতা দূৰীকৰণৰ কাৰণে গাওঁপঞ্চায়ত লেভেলত কিছুমান চ্ছাইটি কৰিছে। কিন্তু দেখা যায় যে, যি বিলাক মানুহক এই চ্ছাইটিত লৈছে সেই বিলাক মানুহে এই দাৰিদ্ৰ সীমা ৰেখাৰ তলত থকা মানুহ। এইবোৰ মানুহে এই গুৰুদায়ীত্ব পালন কৰিব পৰা নাই। সেইকাৰণে এই চ্ছাইটি বিলাকৰ দ্বাৰা যাতে আমাৰ দুখীয়া মানুহ বোৰৰ কিবা লাভ হব পাৰে বা এই বিলাকৰ দ্বাৰা যাতে দৰিদ্ৰ লোক সকল উপকৃত হবপাৰে সেইবাবে সুস্থভাবে এই চ্ছাইটি বিলাক চলাৰ ব্যৱস্থা কৰিব লাগিব।

উপাধ্যক্ষ মহোদয়, খেতি উন্নত কৰাৰ ক্ষেত্ৰত আমাৰ সদনৰ বহুতো কেইজন সদস্যই জলসিঞ্চনৰ ব্যৱস্থা উন্নত কৰিব লাগে বুলি উল্লেখ কৰিছে। মইও এই কথাটো লগত একমত। অহাবছৰৰ কাৰণে আমাৰ মাননীয় মুখ্যমন্ত্ৰীয়ে ৫০ হেজাৰ হেক্টৰ মাটি জলসিঞ্চন কৰা হব বুলি 'টাৰ্গেট' থিক কৰিছে। ৫০ হেজাৰ নকৰি অহা বছৰৰ ভিতৰত তিনিলাখ হেক্টৰ মাটিত পানী দিয়াৰ ব্যৱস্থা কৰি দিব লাগে। মই আগতেই কৈছোঁ যে, অকল মাটি দিলেই তাৰ দ্বাৰা দেশৰ অৰ্থনৈতিক

অৱস্থাৰ কেতিয়াও পৰিবৰ্ত্তন আনিব নোৱাৰি। কৃষিৰ লগে লগে কৃষিভিত্তিক উদ্যোগৰ ওপৰতো সমানে গুৰুত্ব আৰোপ কৰিব লাগিব। অতিৰিক্ত কৃষকসকলক যদি কৃষিভত্তিক উদ্যোগত নিয়োগ কৰিব পৰা নেযায় তেতিয়াহলে, আমাৰ দেশৰ অৰ্থনৈতিক অৱস্থাৰ পৰিবৰ্ত্তন সাধন কৰাটো সহজসাধ্য নহব। সেইকাৰণেই কওঁ যে, চৰকাৰে যিবিলাক কৃষিভিত্তিক উদ্যোগ যেনে, মৰাপাটৰ কল, চেনিকল আদি স্থাপন কৰিবৰ কাৰণে সিদ্ধান্ত কৰিছে সেইবিলাক খৰকতীয়া কৰিবৰ কাৰণে ব্যৱস্থা লব লাগে।

উপাধ্যক্ষ মহোদয়, আমাৰ চৰকাৰৰ নিজা ঘোষিত নীতি Regional disparity দূৰীকৰণ নীতিৰ লগত মই একমত নহওঁ। কিয়নো বাস্তৱত চৰকাৰে নিজা নীতিকে বাস্তৱ ৰূপ দিয়াত ব্যৰ্থ হৈছে। উদাহৰণ স্বৰূপে ধুবুৰীয়েই ইয়াৰ জলন্ত প্ৰমাণ। ধুবুৰীৰ ভয়াবহ অৰ্থনৈতিক সমস্যাৰ কথা এই পৱিত্ৰ সদনতে বহুতবাৰ আলোচনা কৰি অহা হৈছে। অকল আৰ্থিক 'ৰিলিফ' দিয়েই ধুবুৰীৰ মানুহক বচাব নোৱাৰিব।" ধাৰকৰা তেলেৰে মামৰে ধৰা বাখৰ ব্যক্তিক জীয়াই ৰাখিব নোৱাৰিব। ১৫ হেজাৰ বানবিধস্ত পৰিবাৰ গঢ়া খহনীয়াত গৃহহীন হৈ মথাউৰিত বসবাস কৰি আছে। তেখেত সকলৰ কোনো সংস্থাপনৰ দিহা কৰিব পৰা নাই। অসমৰ অন্যান্য ঠাইত এই বানবিধস্ত মানুহ বিলাকক ৰিহেবিলিটেট কৰিছে কিন্তু কৰা নাই কেৱল ধুবুৰীৰ মানুহখিনিক। কৃষি নিবনুৱাৰ সংখ্যা ধুবুৰীতেই অসমৰ ভিতৰত আটাইকৈ বেছি। কিন্তু তাতেই কৃষিভিত্তিক 'মৰাপাটৰ কল' তাত নিদিলে। 'ষ্টেটিষ্টিকেলি' ধুবুৰীতেই এটা মৰাপাটৰ কল 'যাষ্টিফাইড' হয়। ৰাজনৈতিক মেৰপাক বাদ দি নিৰপেক্ষ দৃষ্টিতেই ধুবুৰীত এটা মৰাপাটৰ কল হব লাগিছিলি। যদি সচাঁকৈয়ে ধুবুৰীত এটা মৰাপাটৰ কল দিয়া নহয় তেতিয়াহলে, ধুবুৰীৰ মানুহৰ অনতিপলমে অৰ্থনৈতিক মৃত্যু হব। সেই কাৰণেই এই বিষয়ে মই চৰকাৰৰ দৃষ্টি বিশেষ ভাৱে আকৰ্ষণ কৰিছোঁ। ইংৰাজীত এটা কথা আছে যে, "এ স্প্যাৰ্ক নেগলেক্টেড বাৰ্ণচ দি হাউচ'। আয়তনত সৰুহলেও ধুবুৰীতো একুৰা সৰ্ব্বগ্ৰাসী জুই জ্বলি

উঠিব পাৰে । গতিকে সময় থাকোতেই এই বিষয়ে চৰকাৰক সকিয়াই দিছোঁ ।

তাৰ পিছত আজি সাত বছৰেও ধুবুৰীত District লাইব্ৰেৰীটো হৈ নুঠিল। ইতিমধ্যে জনামতে বোলে এই লাইব্ৰেৰীটো ইয়াৰ পৰা নি অন্য ঠাইত পাতিবগৈ। কাৰণ অৱশ্যে নেজানোঁ।

উপাধ্যক্ষ মহোদয়, ধুবুৰীত ৯ লাখ জনসংখ্যাৰ মাজত ৯০ জনীয়া ছিটৰ মাত্ৰ এখনহে চিভিল হস্পিটাল আছে। হস্পিটালখনৰ উন্নতি সাধন কৰা দূৰৰ কথা এতিয়া শুনিবলৈ পাইছোঁ যে এই হস্পিটালখনো অন্য ঠাইলৈ স্থানান্তৰিত কৰাৰহে বোলে ব্যৱস্থা কৰিছে। এই বিলাক কাৰণেই মই চৰকাৰৰ নিজা ঘোষিত নীতি 'ৰেজিঅনেল-ডিছপাৰিটি' নীতিৰ লগত একমত হব নোৱাৰোঁ। প্ৰয়োজন হলে, জন-সংখ্যাৰ ওপৰত নিৰ্ভৰ কৰি ধুবুৰীক বেলেগ বেলেগ প্ৰশাসণীয় গোটেৰে সৈতে 'ৰিঅৰ্গেনাইজ' কৰিব লাগিব, বানবিধস্ত ভূমিহীন লোকসকলক পুণৰ সংস্থাপিত কৰিব লাগিব, কৃষিভিত্তিক উদ্যোগ গঢ়িতুলি জন-সাধাৰণৰ অৰ্থনৈতিক অৱস্থাৰ উন্নতি সাধন কৰিব লাগিব ।

নিবনুৱাৰ ক্ষেত্ৰতো যে, চৰকাৰে একেবাৰেই একো কৰা নাই এনেকুৱা নহয়। যোৱা বছৰেই শিক্ষা আৰু পুলিশ বিভাগৰ ভিতৰতে প্ৰায় ৯ হাজাৰ লোকক আৰু অইন অইন বিভাগ মিলি প্ৰায় ১৫ হেজাৰ শিক্ষিত নিবনুৱাক চাকৰিও দিয়া হৈছে। সংস্থান দিয়া হৈছে। কিন্তু এই ১৫ হাজাৰেই যথেষ্ঠ নহয়। আজি আমাৰ দৃষ্টিভঙ্গী বদ-লোৱাৰ সময় আহিছে । কেৱল মাত্ৰ চাকৰিৰেই আমাৰ নিবনুৱা সমস্যা সমাধান কৰাটো সহজ সাধ্য নহব । কাৰিকৰী প্ৰশিক্ষণৰ দ্বাৰা 'চেল্‌ফ এম্প্লয়মেণ্ট'ৰ ব্যৱস্থা কৰিব নোৱাৰিলে আমাৰ ক্ৰমবৰ্দ্ধমান নিবনুৱা সমস্যা কেতিয়াও সমাধান কৰিব নোৱাৰিম। আমাৰ সমস্যা বহুত। এই সমস্যাৰ মাজতে আমি জীয়াই থাকিব লাগিব আৰু সেই সমস্যাও সমাধান কৰিব লাগিব ।

তাৰ পাচত মই আৰু দুটামান কথা কব খুজিছো যে,

মই যিখন সমষ্টিৰ পৰা আহিছো অৰ্থাত মানিকেশ্বৰ। মনিকাৰচৰ আৰু দঃ শালমাৰাত জনসংখ্যা হল ৩ লক্ষ্য অথচ তাত হৈত ডিচপেন-চাৰী হল চাৰি খন, যি ডিচপেনচাৰি চাৰিখন নামতহে। বহু আবেদন নিবেদন কৰা স্বত্তেও তাৰ কোনো ফলাফল নহল। আজি মাত্ৰ চাৰি বছৰ হল এখন কলেজ পতা হৈছে। তাতো চৰকাৰৰ তৰফৰ পৰা আজিলৈ কোনো সহায় বা সাহাৰ্য্য পোৱা নাই। নানা আবেদন নিবেদন কৰা স্বত্তেও আইনৰ দোহাই দি আজিলৈ কোনো সাহাৰ্য্য আগবঢ়োৱা নাই। গতিকে মই আপোনাৰ জৰিয়তে শিক্ষা মন্ত্ৰীৰ এই বিষয়ে দৃষ্টি অকৰ্ষণ কৰিলো।

অধ্যক্ষ মহোদয়, মোৰ অঞ্চলটোত অহা যোৱাৰ কোনো বাট বা সুবিধা নাই। আজি ইমান বছৰ হল অথচ কোনো উন্নতি হোৱা নাই। গতিকে মই আমাৰ নতুন পি, ডাব্লিউ, ডি, ৰ মন্ত্ৰী মহোদয়ক আমাৰ অঞ্চলটো ভ্ৰমণ কৰিবলৈ অনুৰোধ কৰিলো উন্নতি হওক বা নহওক সেইটো অৱশ্যে পিচৰ কথা। গুৱাহাটীলৈ মোৰ সমষ্টিৰ দূৰত্ব মাত্ৰ ২০০ মাইল। ধুবুৰীৰ পৰা মানকাচাৰলৈ ৪০ মাইল এই ডুঘণ্টাৰ ৰাস্তাত এদিন লাগে। এখন পোষ্ট কাৰ্ড গুৱাহাটীৰ পৰা যাওতে ৫ দিন লাগে। এই সম্বন্ধে মই আগতেও চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছিলো কিন্তু কোনো ফল পোৱা নগল। গতিকে মোৰ পিচপৰা অঞ্চলটো সকলো ফালৰ পৰা উন্নত হোৱাৰ আশাৰে মই এই সদনৰ জড়িয়তে চৰকাৰৰ চোকা দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্যৰ সামৰনি মাৰিলো।

ধন্যবাদ — Thank you

**Shri Charan Narzari** :— Mr. Deputy Speaker, Sir, the Chief Minister, who is also the Finance Minister of Assam has presented a balanced budget. If the financial statement on the annual budget presented by the Finance Minister is the measure of the economic development of the society and prosperity of the State as a whole, then I must say that there is no ray of hope in the budget speech made by the Chief Minister. The economic foundation of this part of the country has never been strengthened. Because of the failures of the Government in different spheres of our social life the economic backbone of the society has totally broken down, and there is no hope of any remedy. The disease has gone beyond any remedy. Here in this part of the country, there are lots of problems, no doubt, but in order to remove all these problems the funds of the State exchequer have never been properly and effectively utilised in any programme of public development and welfare of the society. On the contrary, huge amounts of money are being mis-used, mis-utilised or mis-appropriated by the executing machinery as well as by those who are at the helm of affairs and as a result, the poor common people in general have been the worst victims. They have become totally impoverished, they have no food to eat, they do not have clothes to wear, and day by day these wretched people are going from bad to worse, and I do not think that it will be easy for the common people to return

from the extremely sad state of affairs. Our leaders including the Chief Minister, Shri Sarat Chandra Sinha, very often sing the song of socialism, and secularism In the preceeding years we noticed the gesture of exuberance of over-enthusiasm and pride in the Chief Minister, Shri Sarat Chandra Sinha, whenever he presented his budget on the floor of the House. But as the time is passing on, we have noticed that his exuberance of over-enthusism and pride and self-satisfaction is receeding steadily, and this time, although the Chief Minister has presented a balanced budget, there is no over-enthusiasm or sense of self-satisfaction and pride.

This clearly indicates that there has been a total moral defeat of the Govt because of its miserable failures in different spheres. The Govt. have failed to keep its promises and assurances.

Sir, our country became independent and the Father of the Nation Mahatma Gandhi as well as the father of the Indian Constitution Dr. Ambedkar envisaged the lofty ideals of democracy, socialism, secularism, so on and so fortn. As we all know, when the Constituent Assembly for the first time met with a view to framing the Indian Constitution, it was confronted with a number of limitations sought to be imposed on the State-Authority. The Constituent Assembly was also confronted with a

series of obstacles which looked practically insurmounble. What are those obstacles ? Dr. Ambedkar, when he attempted to embody all these lofty democratic and socialist ideals on the basis of seculurism, socialism in the constitution, observed that it will not be very easy to establish the real socialist society in this country in the presence of so many unequal groups of people. Certain sections of the people are advanced and there are other wretched sections of the populations in the country who are very much below the standard, undeveloped and also underdeveloped and until and unless these sections of the people could be raised equally to the level of other advanced sections of the people, Dr. Ambedkar observed, it will not be simply possible on the part of the Govt. to establish real Socialistic pattern of society which was proclaimed so loudly by Pandit Jawaharlal Nehru, the first Prime Minister of India.

Here, I would like to quote from the Preamble of the Constitution. The hon. members may say that it is childish on my part to quote from the Constitution as if I am giving a lesson to the Pre-University class Students in the College. Although this is known to all the members, yet I am quoting from the Constitution because our Govt. has been functioning under a particular system which is enshrined in the Constitution of India. Here it has been said with solemn promises, when the Constituent Assembly, adopted this Constitution. :

" We the people of India, having solemnly resolved to constitute India into a Sovereign democratic Republic and to secure to all its citizens :

Justice,—social economic and political ;
Liberty of thought, expression, belief, faith and worship ;

Equality of status and of opportunity ;
and to promote among them all
Fraternity assuring the dignity of the individual and the unity of the Nation ;

In our Constituent Assembly this twenty-sixth day of November, 1949, do hereby adopt, enact and give to ourselves this Constiution".

These are the solemn promises and declaration of the Govt. of India and the Parliament of Indian republic. But today, after 27 years of independence whether these solemn promises and assurances enshrined in the sacrad constitution of India have been materialised This is my question. Is the justice available in this country ? There is no justice When the people in thousands are dying like cats and dogs for want of food, when the people are suffering silently in their agony, can we say that justice is available to people ? No justice at all. Day by day people have been made impoverished economically. Equality of opportunity was spoken of. But where is the equality of opportunity ? Who is responsible

for this ? Favouritism, nepotism, corruption, communalism have been paramount in our society and there is nothing to be proud of on the part of the Govt. There is no liberty. Where are those provisions of fundamental rights gone ? Fundamental rights like right of expression, right of freedom and individual liberty where all those democratic and basic constitutional rights have vanished. If there was the right to individual liberty then the socialist leader Shri Biswa Goswami would not have been arrested, who at the aercdrome was subjected to assault and ill-treatment. This is only one example. When all these ugly things could be done to a person of Mr. Goswami's status what will be fate of those simple wretched common people who do not know how to raise their voice of protest ? And this Govt. is taking full advantage of the ignorance of th ecommon people. In fact systematically the common people are being exploited perenially. By whom ? By the present Govt. under garb of socalled democracy, Secularism. Socialism has not been established in our country and there is no chance of establishing a true socialist society in this this country.

On the contrary, the Govt instead of trying to devote its energy to strengthen the economic foundation of the common people have demonstrated its dangerous tendency towards facism and terrorism with the help of police force. There is spark

of bloody revolution every where because of the utter failures of this Government. I do not want to refer to any particular projects in my constituency. What has happened in my constituency what has been done in my Constituency, I am not concerned about that, because all over the State, every where this same thing is happening, not to speak of a particular Constituency, in all respects, communication, education, agriculture, and so on. Government very often argue that the people should cooperate with the Government ? Who have not cooperated with the Govt. ? The people have been extending their cooperation for decades But what is their reward, what have been given to them ?

I want to come to the fate of the tribals and other backward communities. Not only that, I have something more to say.

Deputy Speaker : There are so many Speakers.

Shri Charan Narzery : Sir, there is a very urgent and burning question, regarding the issue of Roman Script as demanded by the Bodo Sahitya Sabha. It is still pending. On the 14th of February, the Chief Minister, it is reported, assured the Bodo Sahitya Sabha that he would be going to New Delhi to have discussion and guidance from the Centre. He will again discuss the matter with the Bodo Sahitya Sabha. Now, Sir, since this issue is pending long, serious tension and anxiety are prevailing. Any moment the situation may worsen in the Bodo inhabited areas. The Chief Minister has come back from

Delhi after discussion with the Central leaders. It is reported that he has brought Devanagri script for the Bodo language. I do not know how far it is true. Whether it is acceptable to the Bodo Sahitya Sabha or not, I have got this for information for the information of the Hon'ble members that the Centre has been trying to give Deva Nagri script instead of Roman Script. Here I come to understand that some Assamese scholar including a prominent scholar, Dr. Pramode Bhattacharjya obtained, Ph. D Degree for writing a thesis on the Bodo phonetics, advanced a formula to the Government and a copy of the formula is with me. They have suggested that Roman script should be recognised by the State Govt. along with the Assamese script. And there are other things also. Whether this formula is acceptable to both the sides I do not know. It is suject to considration. And in this way, Sir, because of the delay in the solution of this issue the fluid situation is rather drifting, and the Govt. should give serious thought over it. This year, in certain districts, the Bodo medium students have completed their primary stage of education in Bodo medium in Roman scipt and the question of upgrading those students to higher classes has cropped up. I do not know what steps will be taken by the Education authorities to remove the difficulty in their upgradation to the higher classes. This is the problem and this should be removed early, immediate steps should be taken in this respect.

Sir, the other day Mr. Golok Chandra Patgiri referred to the Situation of Kokrajhar Sub-Division and said that in the northern parts of Kokrajhar subdivision in particular the non-tribals are living with a feeling of insecurity because of the movement of the Bodo people for Roman Script. I will challenge that there is no reason at all why they should feel insecure. Why the non-tribals should lose their sense of security. The movement is not directed against any non-tribal people. Do the Government have any evidence, can the Govt. prove any acts of intimidation there. Triffling instances of stray cases might be here and there. But from such a stray incidence one is not supposed to come to the conclusion that in the whole area the non tribals have no security of lives and properties. In fact, as I know, people are living together peacefully. No intimidation, no clashes. Of course, the agent provocateurs and Saboteers have been trying to cause misunderstanding and confusion between the different sections of poeple and it is up to the Govt. to detect such cases. Sir, I have received a copy of a memorandum submitted by some non-tribals to the Chief Minister and most of the persons are known to me personally. This is regarding the situation in Northern Goalpara, and the title of the memorandum is "নাগৰিকৰ স্বাৰ্থ ৰক্ষাৰ্থে মুখ্যমন্ত্ৰীৰ ওচৰত দাখিল কৰা স্মাৰক পত্ৰ", and many other things. It has also been referred in this memorandum that because of the most communal attitude of the Bodo tribals there is no security of non-tribals in the Kokrajhar Sub-division. I totally disagree with this and I can challenge

it. What makes them feel like this ? Who are rsponsible for this ? Sir, this kind of narration, instead of improving the situation in respect of restoring normalcy, will rather create more and more bitterness between sections of people. This is very, very unfortunate, Sir.

This is very very unfortunate. Sir, time is short but if you allow some more minutes.

Mr. Deputy Speaker :— There are so many speakers.

Shri Charan Narzary :— But, Sir, others have been given more time. Anyway, Sir, we have many problems. My friend Shri Mal Chandra Pegu quoted a number of grieivances and problems from the printed leaflets of the Tribal Sangh. As far as our grievances and problems are concerned, there is no difference at at all between the Tribal Sangh and the the P. T. C. The only difference is that the Tribal Sangh demanded constitution of areas under the Sixth Schedule to the Consitution of India while the P T C A has demanded Udayachal State for better and more efficient administration in the plains tribal areas in the northern tracts. It is democractic and so our people have become united in their struggle to resist the anti-people policies of the present Govt.

Mr. Deputy Speaker :— You finish. The House stands adjourned till 9 A. M. to-morrow.

ADJOURNMENT

The House then adjourned at 5 P. M.

Dispur P. D. Barua

6-3-75. Secretary, Legislative Assembly, Assam